সাৰথি

৺সত্যনাথ বৰা, বি, এল,

পাতনি

—ঃ(*)ঃ—

উদ্‌গতি সাধন মনুষ্য জীৱনৰ মূল মন্ত্ৰ, আৰু সংসাৰ কৰ্ম্মক্ষেত্ৰ, এই ক্ষেত্ৰত যি নিজৰ আলম লৈ পুৰুষাৰ্থ কৰি সম্পদ লাভ কৰিব পাৰে, আৰু ডাঙৰ হয়, সি ধন্য, যি নোৱাৰে তাক কোনেও মানুহ বুলি লেখত নধৰে। কিন্তু সংসাৰ বৰ একাচেকা ঠাই। ই এটা যুদ্ধৰ বেহু, ইয়াত সদায় দল্‌দোপ্‌ হেন্দোল্‌দোপ্‌ লাগি আছে। ইয়াৰ ভিতৰত বাট, আওবাট, সৰ, সুৰুঙ্গা ভৰি আছে তাৰ কোনটোৱে গ'লে কত ওলাব পাৰি ঠাৱৰাবলৈ টান। সেই দেখি সৰহ ভাগ মানুহে উৱাদিহ নাপাই সংসাৰ-সোঁতত গা এৰি দি উটি যায়, আৰু সোঁতে নি যতে তোলে ততে উঠে। কিন্তু সোঁত বুলিলেই নামনিলৈ বয়, এতেকে সোঁতত গা এৰি দিলে মানুহ নামনিৰ ফাললৈহে যায়, ওপৰলৈ উজাব নোৱাৰে। উদ্‌গতিৰ মোহন মন্দিৰ সোঁতৰ উজনিত, উজাই নগ'লে সেই বিনন্দ-বিলাস অময়া মন্দিৰত উঠিব নোৱাৰি। কিন্তু সোঁতত উজাই যোৱা টান কথা। সোঁতেৰে সৈতে যুদ্ধ কৰিহে উজাব পাৰি, সেই দেখি মানুহে জীৱনটোক জীৱন-যুদ্ধ বোলে। যুদ্ধত এজন সাৰথি নহ'লে জয়লাভ কৰিব নোৱাৰি, সেইদৰে জীৱন যুদ্ধতো এজন সাৰথি নহ'লে জয়লাভ কৰিবলৈ টান। এই পুথিখনত জীৱন-যুদ্ধৰ আও-ভাও, আঁত-গুৰি, আৰু কৌশলবিলাক বুজাই দিবলৈ চেষ্টা কৰা হৈছে, সেইদেখি ইয়াৰ নামো সাৰথি থোৱা হৈছে। জীৱন-যুদ্ধৰ কৌশলবিলাক ব্যাখ্যা কৰাত শুৱলা হৈছে নে নাই, সেই কথা ৰাইজে বিচাৰ কৰিব, কিন্তু আমি সিবিলাকক জনাই থ'ব খোজোঁ যে পুথিখনত মনেৰে ভাবি ধৰা কোনো কথা লিখা হোৱা নাই। যি কথা নিজৰ জীৱনত ফলিয়াইছে, আৰু আনৰ জীৱনত ফলিৱা দেখিছোঁ, তাকেহে মাথোন ইয়াত ঠাই দিয়া হৈছে। পুথিখনে যদি আমাৰ উঠি-অহাবিলাকৰ জীৱন-যুদ্ধত সাৰথি হৈ একনিষ্ঠামানো সহায় কৰিব পাৰে, তেও আমি নিজক ধন্য মানিম।

সত্যনাথ বৰা

নিৰ্ঘণ্ট

প্ৰথম ভাগ

মনুষ্য জীৱনৰ লক্ষ্য	১
বিদ্যা	৫
পুথি অধ্যয়ন	৫
বৰ লোকৰ চৰিত্ৰ অধ্যয়ন	৭
বস্তু বিজ্ঞান অধ্যয়ন	১০
বিশ্ব অধ্যয়ন	১২
দেশ ভ্ৰমণ	১৫
চিন্তা	১৭

দ্বিতীয় ভাগ

চৰিত্ৰ	২০
দয়া	২১
ন্যায়শীলতা	২৪
ক্ৰোধ	২৬
লোভ	২৮
অহঙ্কাৰ	৩০
মিছালি	৩৩
চৰিত্ৰ শুধৰণৰ অন্যান্য বাধা	৩৫
অন্যৰ প্ৰতি ব্যৱহাৰ	৩৭

তৃতীয় ভাগ

কৰ্ম্ম	...	...	...	৪১
শ্ৰম	...	...	...	৪৪
উৎসাহ	...	...	...	৪৭
অভ্যাস	...	...	...	৪৯
ছেগ	...	...	...	৫২
হামাহি	...	...	...	৫৪
প্ৰতিজ্ঞা	...	...	...	৫৭
কৰ্ত্তব্য জ্ঞান	...	...	...	৫৯
ধনৰ ব্যৱহাৰ	...	...	...	৬২
ৰাগীয়াল বস্তু	...	...	...	৬৯

চতুৰ্থ ভাগ

স্বাস্থ্য	...	...	...	৭৭
বাসৰ ঠাই	...	...	...	৭৮
বাসৰ ঘৰ	...	...	...	৭৯
ভোজন	...	...	...	৮১
শয়ন	...	...	...	৮৪
শৰীৰ আৰু বস্ত্ৰৰ শুদ্ধতা	...	...	...	৮৫
ব্যায়াম	...	...	...	৮৭

সাৰথি

প্ৰথম ভাগ

মনুষ্য জীৱনৰ লক্ষ্য

সংসাৰখন কেৱল এটা জীৱৰ সোঁত। এই সোঁত অনাদি কালৰ পৰা বৈ আছে, আৰু অনন্ত কাললৈ বৈ থাকিব। ইয়াত জীৱবিলাক জাকে জাকে, চামে চামে আহি আছে গৈ আছে, পশু, পক্ষী, গছ, লতা সকলো এচাম মৰিছে, এচাম ওলাইছে। নদীৰ পানী যেনেকৈ লেথাৰি ধৰি আহি আছে গৈ আছে, আৰু সেই দেখি পানীৰ এটা সোঁত পৰিছে, সেই দৰে জীৱবিলাকো লেথাৰি ধৰি, মাজত শূন্য নোহোৱাকৈ আহি আছে গৈ আছে, আৰু সেই দেখি জীৱৰ এটা সোঁত পৰিছে। এই সোঁতটোক সাধাৰণ কথাত মানুহে সংসাৰ বোলে। জীৱৰ জাতি অনুসৰি সংসাৰ সোঁতক ভাগ কৰিব পাৰি। পশু, পক্ষী, পোক, পৰুৱা আদি অমাত প্ৰাণীবিলাক এচাম মৰি এচাম ওলাইছে, এইদৰে চামে চামে আহি গৈ থকাত সিহঁতৰ এটা অখণ্ড সোঁত পৰিছে, সেই সোঁতটোক পশু জাতিৰ সুঁতি বা পশুসুঁতি বুলিব পাৰি। সেইদৰে গছ, লতা, তৃণ আদি গজন জীৱবিলাকো মাজত শূন্য নপৰাকৈ এচাম মৰি এচাম আহিছে, আৰু এইদৰে আহি গৈ থকাত সিহঁতৰো এটা অখণ্ড সোঁত পৰিছে, এই সোঁতটোক গজন সুঁতি বা উদ্ভিদ সুঁতি বুলিব পাৰি। এই দুই সুঁতিৰ মাজে সংসাৰত আৰু এক সুঁতি আছে। পশু, পক্ষী, গছ-গছনিৰ নিচিনা মানুহো সংসাৰত লানী পাতি চামে চামে আহি আছে গৈ আছে, আৰু এইদৰে আহি গৈ থকাৰ নিমিত্তে সিহঁতৰো এটা অখণ্ড সোঁত পৰিছে, এই সোঁতটোক মনুষ্য সুঁতি বুলিব পাৰি। সংসাৰ সোঁত এই তিনটা ভিন ভিন সুঁতিৰ সমষ্টি মাথোন। সংসাৰ সোঁতক তিনি ভাগ নকৰি মুঠতে দুভাগ কৰিবও পৰা যায়। পৃথিৱীতে মুঠতে দুই শ্ৰেণীৰ জীৱ আছে; এক শ্ৰেণীৰ জীৱবিলাক লৰি চৰি ফুৰিব পাৰে যেনে, মনুষ্য, পশু, পক্ষী, পোক, পৰুৱা ইত্যাদি, সি শ্ৰেণীৰ বিলাকে নোৱাৰে যেনে, গছ, লতা, তৃণ ইত্যাদি। লৰি চৰি ফুৰিব পৰা

জীৱবিলাকক সাধাৰণ কথাত ভ্ৰমণ জীৱ আৰু নোৱাৰা বিলাকক গজন জীৱ বোলে। এতেকে সংসাৰ সোঁতটোক মুঠতে দুটা সুঁতিত ভগাব পৰা যায়, এটা ভ্ৰমণ সুঁতি আৰু এটা গজন সুঁতি, এই দুই সুঁতি গোট খাই বিৰাট সংসাৰসোঁত হৈছে।

ভ্ৰমণ সুঁতি আৰু গজন সুঁতি চিৰকাল বৈ আছে, কিন্তু কিয় বৈ আছে, তাকে কোনেও এই পৰিমিত ছিদাংকৈ ক'ব পৰা নাই, আৰু সেই কথা আমাৰ আলোচনাৰ বিষয়ো নহয়। নানা জীৱৰ নানা সুঁতি আদিৰ পৰা আজিলৈকে চলি আছে, আৰু আগলৈকো চলি থাকিব, তাক কোনেও বাধিব নোৱাৰে। বনৰ পশু, আকাশৰ পক্ষী বা পানীৰ মাছ একোৱে নোপজোঁ বুলি নুপজি, বা নমৰোঁ বুলি নমৰি থাকিব পৰা নাই। সকলোৱে নিয়তিৰ দণ্ডিত জনম লৈ, নিয়তিৰ উঁৰিয়লিত আয়ুস ভুগি অন্তত অনিচ্ছাতো সংসাৰ এৰি যাব লাগিছে। মানুহো এই অখণ্ডনীয় নিয়তিৰ অধীন, তাৰ দণ্ডিত সিহঁতেও সংসাৰত জনম ধৰি, নানা সুখ দুখ ভোগ কৰি অৱশেষত প্ৰাণ এৰিছে, নহওঁ বুলি নহৈ, বা নযাওঁ বুলি নগৈ থাকিব পৰা নাই। এতেকে দেখা যায় যে অলপ হওক, সৰহ হওক, কিছুমান দিন সংসাৰত বাস কৰাটো মানুহৰ পক্ষে অখণ্ডনীয় বাসনা। এতিয়া আলোচনাৰ কথা এই যে সংসাৰত থকা কালখিনি মানুহে কি কৰি কটোৱা উচিত।

গজন জীৱ সম্বন্ধে জগতৰ গৰাকীয়ে এটা নিয়ম বান্ধি দিছে, সেই নিয়ম অনুসৰি সিহঁতে সংসাৰত জীৱন কটায়। ভ্ৰমণ জীৱৰ ভিতৰতো পশু জাতি সম্বন্ধে নিয়ম বন্ধা আছে, পশুবোৰেও সেই নিয়ম অনুসৰি আহাৰ কৰে, সেই নিয়ম অনুসৰি টোপনি যায়, আৰু সন্তান উৎপাদন কৰি জীৱন কটায়। কিন্তু মনুষ্য সম্বন্ধে কোনো বন্ধা নিয়ম নাই। মনুষ্য জীৱন গজন বা পশু জীৱনৰ নিচিনা নহয়, মনুষ্য বহুত বিষয়ত স্বাধীন। সিহঁতে নিজ বুদ্ধিৰে ভাল বেয়া, যুগুত অযুগুত, সুচল অসুচল বিবেচনা কৰি চলিব পাৰে। জগত স্ৰজোঁতা জনে মানুহক সকলো প্ৰাণীতকৈ শ্ৰেষ্ঠ কৰি স্ৰজন কৰিছে মানুহক তেওঁ জ্ঞান দিছে, আন প্ৰাণীক দিয়া নাই। জ্ঞান মানুহৰ সুকীয়া বিভূতি, ই পশু জীৱনত দুৰ্ল্লভ; দৰাচল পক্ষত চাবলৈ গ'লে জ্ঞানৰ নিমিত্তেহে মানুহে মানুহ নাম পাইছে, আন সকলো বিষয়তে পশু আৰু মানুহ একে। পশুবোৰেও খায়, শোৱে আৰু সন্তান জন্মাই সংসাৰৰ পশু সুঁতি অটুট ৰাখে। মানুহেও সেইদৰে খায়, শোৱে, আৰু সন্তান জন্মাই সংসাৰৰ মনুষ্য সুঁতি অটুট ৰাখে। এতেকে দেখা যায় যে জ্ঞান যেন আপুৰুগীয়া বিভূতীৰ গৰাকী যে মানুহ,

সিহঁতে কেৱল আহাৰ কৰি, নিদ্ৰা গৈ, আৰু সন্তান উৎপাদন কৰি সংসাৰত জীৱন কটোৱা উচিত নহয়; সেইদৰে জীৱন কটালে মানুহ আৰু পশুৰ ভিতৰত কোনো ভেদাভেদ নাথাকে। মানুহে জ্ঞানৰ কৰ্ম্ম কৰিলেহে মানুহ নামৰ গৰাকী হ'ব পাৰে।

জ্ঞানৰ কৰ্ম্ম কি? এই প্ৰশ্নৰ উত্তৰ ঠাৱৰাবলৈ আমি নতুনকৈ আন্দোলন আলোচনা কৰিব নালাগে, ইয়াৰ উত্তৰ আগৰ পৰা থিৰাং হৈ আছে। মানুহ উৎপত্তি হবৰ আজি অনেক যুগ হ'ল, ইয়াৰ ভিতৰত অনেক জ্ঞানী আৰু বুদ্ধিমন্ত মানুহ উপজি সংসাৰত বাস কৰি, মৰি গৈছে। সেই জ্ঞানীবিলাকে সংসাৰ বাস সম্বন্ধে বহুত আলোচনা কৰি এটা স্থিৰ সিদ্ধান্ত কৰি থৈছে। পাচত যিবিলাক জ্ঞানীৰ জন্ম হৈছিল, তেওঁলোকেও সেই সিদ্ধান্ত যুক্তিসঙ্গত দেখি, সেইদৰে চলি জীৱন কটাইছিল। আমিও সেই সিদ্ধান্ত মতে চলিলেই সংসাৰত সুখে সুকলমে জীৱন কটাব পাৰিম, ইয়াৰ কোনো সন্দেহ নাই।

আগৰ জ্ঞানীবিলাকৰ ভিতৰত দুই শ্ৰেণীৰ মানুহ আছিল এই দুই শ্ৰেণীৰ মানুহে দুই ৰকমে সিদ্ধান্ত কৰি গৈছে। কিন্তু সিদ্ধান্ত দুৰকম হলেও, সিহঁতৰ মূল একেটা মাথোন। দুয়ো শ্ৰেণীৰ পণ্ডিতে কয় যে, মানুহে সংসাৰত থকা দিন কেইটা সদায় উধাবলৈ চেষ্টা কৰি কটোৱা উচিত, পশু জাতিৰ নিচিনা কেৱল খাই শুই কটোৱা উচিত নহয়। এই খিনিলৈকে দুয়ো শ্ৰেণী পণ্ডিতৰ মিল। কিন্তু কোন বিষয়ত উধাবলৈ চেষ্টা কৰা উচিত, এই কথাত তেওঁলোকৰ মিল নাই, এই সম্বন্ধে ভিন ভিন পণ্ডিতে কয় যে সংসাৰখন কেৱল ভুৱা, তাৰ বিভূতি বৈভৱ কেৱল ফাঁকি, সংসাৰৰ প্ৰাণীবিলাক পানীৰ বুৰবুৰণিৰ নিচিনা খন্তেকীয়া, এই আছে এই নাই। এতেকে খন্তেকীয়া জীৱনত মিছা বিভূতি বৈভৱৰ নিমিত্তে হাবাথুৰি খাই ফুৰাৰ কোনো কাৰণ নাই, কেৱল পৰকালৰ অনন্ত জীৱনৰ উদ্‌গতিৰ নিমিত্তে দেহেকেহে চেষ্টা কৰি জীৱন কটোৱা উচিত। এই মত সাৰোগত কৰি, বহুত মানুহে সংসাৰৰ সুখ সম্পদ এৰি দি কোনোৱে বৈৰাগী হৈ দিহিঙ্গে দিপাঙ্গে ফুৰিছে, কোনোৱে সন্ন্যাসী হৈ জটা-বাকলি পিন্ধি কেৱল ঈশ্বৰ চিন্তাত দিন কটাইছে। দ্বিতীয় শ্ৰেণীৰ পণ্ডিতবিলাকে এই মত ষোল কলায় সমৰ্থন নকৰে। তেওঁলোকে কয় যে সংসাৰ বা সংসাৰৰ সুখ সম্পদ ভুৱা নহয়, তাত সাৰুৱা বস্তু আছে। সংসাৰত থকা কালখিনি সুখেৰে কটাবলৈ ঈশ্বৰে দয়া কৰি মানুহক সুখৰ আয়োজন কৰি দিছে; তাক পৰিহাৰ কৰি সন্ন্যাসী বা বৈৰাগী হ'লে আদৰক নেওচন দিয়া হয়, আৰু ঈশ্বৰৰ ইচ্ছা অৱজ্ঞা কৰা হয়।

সংসাৰত যেতিয়া থাকিবই লাগিব, সুখ কৰি থকাই ভাল। এতেকে ঈশ্বৰে দিয়া জ্ঞান বুদ্ধি চালনা কৰি, সংসাৰৰ বিভূতি বৈভৱ গোটাই লৈ, নিজৰ আৰু আনৰ সুখ সম্পদ বঢ়াবলৈ, আৰু সৰ্ব্বসাধাৰণ জগতবাসীক বৰ্ত্তমান অৱস্থাৰ পৰা উচ্চ অৱস্থাত তুলিবলৈ চেষ্টা কৰি জীৱন কটোৱা উচিত। সংসাৰত এই সিদ্ধান্ত মতে চলা মানুহৰ সংখ্যা সৰহ আৰু আজি পৰিমিতি জগতৰ যি উদ্‌গতি হৈছে সিও এইবিলাক মানুহৰ পুৰুষাৰ্থতহে হৈছে। এতেকে আমিও এই সিদ্ধান্ত মতেই চলা উচিত।

ওপৰত কোৱা কথাৰ পৰা জনা যায় যে, সংসাৰত উদ্‌গতি কৰাই মানুহৰ জীৱনৰ সঙ্কল্প বা লক্ষ্য হোৱা উচিত। কিন্তু কিছুমান মানুহে বিবেচনা কৰে যে নিজৰ অন্ন-জল যুগুত কৰাই উদ্‌গতিৰ ওৰ, আৰু জ্ঞান বুদ্ধিৰ শেষ কৰ্ম্ম। সেই দেখি সিহঁতে যেতিয়ালৈকে অভাৱৰ চেঙ্গা পায়, তেতিয়ালৈকে উদ্‌গতিৰ চেষ্টা কৰে, অভাৱ আঁতৰিলেই চেষ্টা এৰি দিয়ে। অন্ন-জলৰ সঙ্গতি লাগি উঠাৰ পাচত সিহঁতৰ জীৱন পশুজীৱনৰ নিচিনা কেৱল শয়ন ভোজনৰ আবৰ্ত্তন মাথোন। এই শ্ৰেণীৰ মানুহৰ পটন্তৰলৈ চাই চলিবলৈ হোৱা হেঁতেন, আমি বৰ্ত্তমান সভ্যতাৰ এই বিনন্দীয়া পোহৰ কেতিয়াও নেদেখিলোঁ হেঁতেন। যথাৰ্থ পক্ষত মনুষ্য জাতিৰ উদ্‌গতিৰ কোনো নিৰ্দ্ধাৰ্য্য সীমা নাই। আদিৰ পৰা আজিলৈকে মানুহে উদ্‌গতিৰ পথ ধৰি চলি আছে, তেও তাৰ ওৰ পোৱা নাই, আৰু আগলৈ যে কেতিয়াবা পাব তাৰো আগন্তুক দেখা নাযায়। আগৰ দিনৰ লগত এতিয়াৰ দিন ৰিজাই চালে আকাশ পাতাল প্ৰভেদ দেখা যায়। আগৰ দিনত মানুহে যিমানখিনি বিদ্যাৰে পণ্ডিত বোলাইছিল, বা যিমান খিনি ধনেৰে ধনী বোলাইছিল, এতিয়াৰ দিনত সেই বিদ্যাৰে পণ্ডিত বা সেই ধনেৰে ধনী বোলাব নোৱাৰে। এতিয়াৰ এজন ধনীয়ে আগৰ শ জন ধনীক কিনিব পাৰে, এতিয়াৰ পণ্ডিতে আগৰ পণ্ডিতক এশ বছৰ শিকাব পাৰে। ইয়াৰ পৰা দেখা যায় যে আগৰ দিনৰ মানুহতকৈ আজিকালিৰ মানুহে বহুত গুণে বেচি উদ্‌গতি কৰিছে। এই উদ্‌গতি সোঁতে সৰ্বশেষত মনুষ্য- জাতিক নি ক'ত তুলি দিয়ে, কোনে ক'ব পাৰে? এতেকে অন্ন জলতে যত্ন চেষ্টা শেষ নকৰি সকলোৱে জীৱনৰ অন্তলৈকে উদ্‌গতিৰ অনন্ত পথত চলি থকা উচিত। যদি কোনো কাৰণে উদ্‌গতিৰ ওখ আসন লাভ কৰাত বিঘাত মিলে, তেওঁ তাত লাগি থকা বাবে সংসাৰৰ অনুষ্টুপীয়া সুখ সম্পদৰ নাটনি নহয়। নীতি বচন আছে যে লাগি থাকিলে মাগি নাখায়।

বিদ্যা

লাগতিয়াল আহিলা-পাতি যতনাই নল'লে কোনো কাম সুকলমে কৰিব নোৱাৰি, কাপ নহ'লে লিখন কাম কৰিব নোৱাৰি, হাল নহ'লে কৰ্ষণ কাম কৰিব নোৱাৰি, চৰু নহ'লে ৰান্ধন কাম কৰিব নোৱাৰি। এইবোৰ কামৰ যেনে সুকীয়া আহিলা আছে, উদ্‌গতি কামৰো তেনে সুকীয়া আহিলা আছে; আগে সেই আহিলাবোৰ গোটাই নল'লে উদ্‌গতি কাম কৰিবলৈ টান হয়। বিদ্যা উদ্‌গতিৰ ঘাই আহিলা, এতেকে যি উদ্‌গতি কৰিব খোজে, সি আগে ৰিদ্যা যতনাই লোৱা উচিত। ৰিদ্যা যে মনুষ্য জীৱনৰ এটা ঘাই বস্তু ত্যক নতুনকৈ প্ৰমাণ কৰিবৰ সকাম নাই, বিদ্যাহীন জীৱন বৃথা বুলি সকলোৱে স্বীকাৰ কৰে। বিদ্যাৰ আলম নল'লে কোনেও কোনো বিষয়ত উদ্‌গতি কৰিব নোৱাৰে। আজিকালি যিবিলাকে উদ্‌গতি সাধন কৰি পৃথিৱীত নাম জ্বলাইছে, তেওঁবিলাকলৈ চালেই এই কথা সুন্দৰ প্ৰমাণ পোৱা যায়, তেওঁবিলাকৰ সকলোৱেই গভীৰ বিদ্যাৰ গৰাকী। আগৰ কালৰ খ্যাতিমন্ত মানুহবিলাকো বৰ বিদ্যাৱন্ত আছিল।

বিদ্যা মানৱ মনৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে। বিদ্যাই আন্ধাৰ কাটি মন ফৰকাল নকৰিলে, মানুহে তাৰ ক্ষমতা লগাবলৈ ঠাই দেখা নাপায়। লিখনি থাকিলেও খনিকৰে আন্ধাৰত চিত্ৰ আঁকিব নোৱাৰে। বিদ্যাৰে মন পোহৰাই নল'লে সংসাৰত কৰ্ম্ম কৰিবলৈ সুচল নহয়। এতেকে উদ্‌গতিৰ পথৰ যাত্ৰা কৰিবৰ আগেয়ে বিদ্যা যুগুত কৰি লোৱা উচিত।

পুথি অধ্যয়ন

পুথি অধ্যয়ন বিদ্যা উপাৰ্জ্জনৰ এটা ঘাই উপায়। পুথি নপঢ়াকৈ কোনেও কতো বিদ্যা লাভ কৰিব নোৱাৰে। পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা। আনে থুপাই থোৱা ধন হাতত পৰিলে ধন আৰ্জনৰ দুখ কষ্ট ভোগ নকৰাকৈ ধনৰ ফল ভোগ কৰিব পাৰি। সেইদৰে আনে থুপাই থোৱা বিদ্যা হাতত পৰিলে বিদ্যা আৰ্জনৰ দুখ

কষ্ট ভোগ নকৰাকৈ বিদ্যাৰ ফল ভোগ কৰিব পাৰি। প্ৰত্যেক পুথি একোজন মানুহৰ থুপাই থোৱা বিদ্যাৰ ভঁৰাল। লিখকে বহুত যত্ন পুৰুষাৰ্থ কৰি সেই ভঁৰাল বান্ধি থয়, আমি কেৱল পুথিখন পঢ়িয়েই তেওঁৰ আৰ্জিত এটাইখিনি বিদ্যা লাভ কৰিব পাৰোঁ। আনৰ আৰ্জিত বিদ্যা এইদৰে সঞ্চয় কৰা নকৰা হেঁতেন, পুৰুষে সকলো কথা নতুনকৈ শকিব লগীয়া হোৱা হেঁতেন, মানুহে কেতিয়াও ইমানখিনি উদ্‌গতি কৰিব নোৱাৰিলে হেঁতেন। ভাপৰ বল আৰু বিদুলীৰ বল পোন প্ৰথমে উলিয়াওঁতে বহুত চিন্তা, বহুত সময়, আৰু বহুত ধন খৰচ হৈছিল, কিন্তু এতিয়া পুথি পঢ়িয়েই মানুহে তাক ভালকৈ শিকি লব পাৰে।

এইদৰে পুথিৰ পৰা আনৰ সঞ্চিত বিদ্যা লাভ কৰি, সেই বিদ্যাৰ আলমত মানুহে নতুন বিদ্যা আৰ্জিবলৈ পাৰ্গত হয়। বিদ্যা আৰ্জনৰ প্ৰণালী প্ৰায় ধন আৰ্জনৰ প্ৰণালীৰ নিচিনা। মূলধন নহলে ধন আৰ্জিবলৈ টান, সেই দৰে মূল বিদ্যা নহলেও বিদ্যা আৰ্জিবলৈ টান। আকৌ যাৰ মূলধন সৰহ, সি সৰহকৈ ধন আৰ্জিব পাৰে; সেইদৰে যাৰ মূল বিদ্যা সৰহ, সি সৰহকৈ বিদ্যা আৰ্জিব পাৰে। আচল কথা চমুকৈ ক'ব লাগিলে, পঢ়নৰ পৰা মানুহৰ মনত বিদ্যাৰ পাতনি থাপিত হয়, সেই পাতনি যাৰ শকত সি বিদ্যা ব্যৱসায়ত উদ্‌গতি কৰিব পাৰে, যাৰ দুৰ্ব্বল সি নোৱাৰে।

পঢ়নৰ পৰা দূৰৈৰ মাণিক হাততে পোৱা যায়। আন আন দেশত থকা পণ্ডিত বিলাকেৰে সৈতে সাক্ষাৎ হোৱা বহুত খৰচ আৰু পৰিশ্ৰমৰ কথা, আৰু সাক্ষাৎ হ'ব পাৰিলেও, তেওঁলোকৰ মুখৰ পৰা বিদ্যা শিক্ষা কৰা সকলোৰে পক্ষে সহজ নহয়। কিন্তু পুথিৰ পৰা সকলো দেশৰ পণ্ডিতবিলাকৰ সজ উপদেশ ঘৰত বহিয়েই পোৱা যায়। সেইদৰে আমি পৰলোকগামী পণ্ডিতবিলাকৰো বিদ্যা বুদ্ধি তেওঁলোকৰ ৰচিত পুথি পাঠ কৰি অপ্ৰয়াসে লাভ কৰিব পাৰোঁ।

সংসাৰত উদ্‌গতি কৰিবলৈ মানুহক মনৰ একাগ্ৰতা লাগে, পঢ়নৰ পৰা সেই একাগ্ৰতা জন্মে। চঞ্চল মন থিৰ কৰিবলৈ, আৰু ভোতা বুদ্ধি চোকা কৰিবলৈ পঢ়নৰ নিচিনা গুণকাৰী উপায় নাই। কোনো এখন পুথি পঢ়ি তাৰ ভাব বুজি ল'ব লাগিলে, মন পুতি পঢ়িব লাগে, ওপৰে ওপৰে চেলেংপেতেংকৈ পঢ়িলে আচল ভাব উদ্ধাৰ কৰিব নোৱাৰি। সেই দেখি পঢ়িবৰ সময়ত মনটোক আন সকলো কথাৰ পৰা এৰুৱাই আনি এটা কথাত লগাব লাগে। যি সদায় এইদৰে মনক এটা কথাত

লগাই ৰাখে, তাৰ চঞ্চলতা অনুক্ৰমে কমি যায়, আৰু কালত গৈ সি এটা বিষয়ত একাণপতীয়া হৈ লাগিব পাৰে।

পুথি পঢ়াৰ আৰু এটা বহুমূলীয়া গুণ আছে। সৎসঙ্গৰ পৰা যে মানুহৰ সৎ স্বভাৱ ওপজে এই কথা লোক নিৰন্তৰে স্বীকাৰ কৰে। যিবিলাক মানুহৰ লগত সদায় উঠা বহু কৰা যায়, আমাৰ স্বভাৱ চৰিত্ৰ সেইবিলাক মানুহৰ স্বভাৱ চৰিত্ৰৰ গঢ় লয়। মানুহ ভাল সঙ্গত থাকিলে ভাল হয়, আৰু বেয়া সঙ্গত থাকিলে বেয়া হয়। মানুহৰ সঙ্গৰ নিচিনা পুথিৰ সঙ্গয়ো আমাৰ স্বভাৱ চৰিত্ৰৰ ওপৰত কাৰ্য্য কৰে। প্ৰত্যেক পুথিয়েই ৰচোঁতা জনৰ স্বভাৱ চৰিত্ৰৰ ছাঁৰ নিচিনা। পুথি পাঠ কৰিলে সেই পুথিৰ লিখকৰ লগত আলাপ কৰা যেন হয়, আৰু সদায় একে পুথিকে পঢ়িলে তেওঁৰ সঙ্গত থকা যেন গুণ ধৰে। এতেকে ভাল পুথি পঢ়িলে ভাল সঙ্গত থকা যেন, আৰু বেয়া পুথি পঢ়িলে বেয়া সঙ্গত থকা যেন ফল হয়।

বৰ লোকৰ চৰিত্ৰ অধ্যয়ন

আজিকালি বিদ্যাৰ চৰ্চ্চা জগতময়, সেই দেখি পুথিৰ সংখ্যাও সৰহ। কিন্তু উদ্‌গতি বিচৰা মানুহৰ পক্ষে সকলো বিধ পুথি গুণকাৰী নহয়। উদ্‌গতি কৰিবলৈ মানুহক আদিতে এটা সুগম পথ লাগে। যি পুথিত সেই সুগম পথ পোৱা যায় তেনে পুথি পঢ়িলেহে উপকাৰ হয়। উদ্‌গতিৰ সুগম পথ বিচাৰি উলিয়াবলৈ বৰ টান। উদ্‌গতিৰ চেষ্টা নকৰা মানুহ পৃথিৱীত নাই, তেওঁ সৰহ ভাগ মানুহৰ দুৰ্গতি দুৰৱস্থা হে দেখা যায়। ইয়াৰ কাৰণ এই যে উদ্‌গতি কৰিবলৈ সকলোৱে ভাল পথ বিচাৰি উলিয়াব নোৱাৰে। পৃথিৱীত উদ্‌গতিৰ পথ বহুত আছে, কিন্তু সেইদৰে অধোগতিৰ পথো বহুত আছে। কিছুমান মানুহে কোনটো উদ্‌গতিৰ, আৰু কোনটো অধোগতিৰ পথ তাক চিনিব নোৱাৰি, অধোগতিৰ পথ উদ্‌গতিৰ পথ যেন বিবেচনা কৰি, সেই পথত চলিবলৈ আৰম্ভ কৰে। শেষ ফলত সিহঁতে উদ্‌গতিৰ অময়াপুৰিৰ সলনি দুৰ্গতিৰ ধামখুমীয়াত পৰে। উদ্‌গতিৰ আচল পথ বিচাৰি পালেও যে তাত সুকলমে চলি যাব পাৰি, সিও নহয়। সেই পথত বহুত বিঘিনি আছে, সেই বিঘিনিবোৰে সংসাৰ যাত্ৰীক আদ্‌বাটতে চৌঠেঙ্গীয়া কৰে। বুদ্ধিৰ বলত বা চতুৰালিৰ গুণত

কিছুমান বিঘিনি পাৰ হৈ গ'লেও, আন কিছুমান আহি যাত্ৰীৰ পথ আগচি ধৰে। এটাইবোৰ বিঘিনি পাৰ হৈ উদ্‌গতিৰ মোহন মন্দিৰত প্ৰবেশ কৰা বৰ টান কাম, কিন্তু বৰ লোকৰ চৰিত্ৰ পাঠ কৰিলে সেই কাম উজু হয়, কাৰণ তাত উদ্‌গতিৰ পথ, আৰু তাৰ বিঘিনি তৰিবৰ উপায় দুয়োকো পোৱা যায়।

একে উচালে কোনেও জগতত উদ্‌গতিৰ ওখ টিঙ্গত উঠিব নোৱাৰে। কোনো কোনো মানুহে কেতিয়াবা সুঘটনাৰ গুণত আনে আৰ্জি থোৱা বিভূতিৰ গৰাকী হৈ, সেই বিভূতিৰ বলত ডাঙ্গৰ মানুহ বোলায়, কিন্তু তেনেকুৱা ঘটনা সংসাৰত অলপ হে ঘটে। বিশেষত পৰে আৰ্জি থোৱা ধনেৰে ডাঙ্গৰ হ'লে তাত পুৰুষালি নাই, নিজৰ বাউসিৰ বলেৰে যি ডাঙ্গৰ হয় সেই পুৰুষ হে ধন্য। আৰু ধন হ'লেই যে মানুহৰ সম্পূৰ্ণ উদ্‌গতি হ'ল, এনে বুলি ধৰাও উচিত নহয়। ঐশ্বৰ্য্য বিভূতি উদ্‌গতিৰ এটা অঙ্গ মাথোন; তাৰ লগত আৰু কেইবাটাও অঙ্গ গোট খালেহে উদ্‌গতিৰ অবয়ব পূৰ হয়। পূৰ্ণ উদ্‌গতি বহুত পুৰুষাৰ্থ কৰি, আৰু বহুত খকা খুন্দা খাই হে লাভ কৰিব পাৰি। এইদৰে পুৰুষাৰ্থৰ গুণত ডাঙ্গৰ হোৱা মানুহৰ জীৱন চৰিত্ৰ পাঠ কৰিলে, তেওঁ কোন বাটৰে উদ্‌গতি কৰিছিল, আৰু সেই বাটৰ বিঘিনিবিলাক কেনেকৈ তৰিছিল এই সকলো কথাৰ আঁতিগুৰি পোৱা যায়।

মানুহৰ স্বভাৱ চৰিত্ৰ আৰু অৱস্থা অনুসৰি উদ্‌গতিৰ বাট ভিন ভিন হয়। একেটা বাটেৰে সকলোৱে উদ্‌গতি কৰিব নোৱাৰে। যাৰ পক্ষে যিটো বাট সুগম সি সেই বাট লোৱা উচিত। উদ্‌গতি পথৰ নতুন যাত্ৰীয়ে বৰ লোকৰ জীৱন চৰিত্ৰ পাঠ কৰি তাৰ উপযুক্ত বাট বিচাৰি ল'ব পাৰে। কেইবাজন মানুহৰ চৰিত্ৰ পাঠ কৰিলে কেইবাটাও বাটৰ ভু পোৱা যায়, এই বাটবোৰৰ ভিতৰত যিটো সুচল বোধ হয় তাকে যাত্ৰীয়ে লোৱা উচিত।

সকলো কাম আদিতে দুষ্কৰ যেন লাগে, কিন্তু এজনে এদিন সমুখত কৰি দেখুৱালে সেই কাম উজু হয়। এই নিমিত্তে সকলো কামত আদিতে এজন শিক্ষকৰ প্ৰয়োজন। শিক্ষকৰ মুখে নিশিকাকৈ কোনেও কোনো কামত নিখুঁতি পাৰ্গতালি লাভ কৰিব নোৱাৰে, নিশিকাকৈ ৰান্ধনীয়ে ৰান্ধিব নোৱাৰে, নিশিকাকৈ বোৱনীয়ে ব'ব নোৱাৰে, আন কি, নিশিকাকৈ হালোৱায়েও হাল বাব নোৱাৰে। এনেবোৰ অনুৰূপীয়া কামতেই যদি একো জন শিক্ষক লাগে, তেনেহ'লে উদ্‌গতিৰ টান কামত যে শিক্ষক নহ'লে নচলে ইয়াক এনেই বুজিব পাৰি। উদ্‌গতিৰ পথত সুকলমে

চলিবলৈ সদায় এজন ভাল শিক্ষকৰ প্ৰয়োজন হয়। বৰ লোকৰ জীৱন চৰিত্ৰ পাঠ কৰিলে তেনেকুৱা শিক্ষক পোৱা যায়, অৰ্থাৎ যাৰ চৰিত্ৰ পাঠ কৰা তেওঁ তোমাৰ শিক্ষকৰ নিচিনা আৰু তেওঁৰ কাৰ্য্যবিলাক উপদেশৰ নিচিনা হয়।

উদ্‌গতিৰ পথত বহুত হুল জোং আছে, আকাংক্ষাৰ চোকা ৰাগীত পৰি মতলীয়া নহ'লে কোনেও তাৰলৈ বেগেতে আগ নাবাঢ়ে। উদ্‌গতি কৰি ডাঙ্গৰ হ'বলৈ সকলো মানুহৰ মনত এটা অথিৰ, ধুৰঁলি, অনিশ্চিত ৰকমৰ বাঞ্ছা আছে, কিন্তু তেনেকুৱা ধুৰঁলি বাঞ্ছা মানুহৰ কেতিয়াও পূৰ নহয়। উদ্‌গতিৰ বাঞ্ছা থিৰ, নিশ্চিত আৰু বলিয়া হাতীৰ নিচিনা উদণ্ড হ'ব লাগে, তেহে উদ্‌গতি পথৰ বিকট বাধাবোৰৰ সমুখ হ'ব পাৰি। এনেকুৱা উদণ্ড বাঞ্ছাকেই ওপৰত আকাংক্ষা বোলা হৈছে। উদ্‌গতিৰ দৃষ্টান্ত দেখিলে, আৰু সেই বিষয়ে সদায় আন্দোলন কৰিলে, মানুহৰ মনত তেনে বিধৰ আকাংক্ষাৰ উদ্ভৱ হয়। মানুহৰ মনৰ ওপৰত দৃষ্টান্তৰ অদ্ভুত ক্ষমতা। শস্যক্ষেত্ৰত যেনেকৈ হালোৱাই হালৰ গৰুক আগুৱাই যাবলৈ খুঁচি দিয়ে, কাৰ্য্যক্ষেত্ৰতো সেইদৰে দৃষ্টান্তই মানুহৰ মনক উদ্‌গতিৰ পথত আগুৱাই যাবলৈ খুঁচি দিয়ে। বৰ লোকৰ চৰিত্ৰ উদ্‌গতি চেষ্টাৰ এটা দৃষ্টান্ত, তাক পঢ়িলে মানুহৰ তেনেকুৱা হ'বলৈ বাঞ্ছা জন্মে, আৰু নিতৌ তাকে পঢ়ি থাকিলে বাঞ্ছাৰ তেজ অনুক্ৰমে বৃদ্ধি হৈ অৱশেষত সি উদণ্ড আকাংক্ষাত পৰে। ভাল নাটক পঢ়িলে পঢ়োঁতাৰ মনত নাটকৰ নায়ক এটা আৰ্হি হৈ উঠে; সি সেই নায়কৰ নিচিনা হ'বলৈ ইচ্ছা কৰে। চৰিত্ৰ পুথিও এবিধ নাটক মাথোন, আৰু যাৰ চৰিত্ৰ, তেওঁ সেই নাটকৰ নায়ক। যদি অসাৰুৱা নাটকৰ নায়কে পাঠকৰ মন অধিকাৰ কৰিব পাৰে, তেনেহলে চৰিত্ৰ পুথিৰ নায়কে নোৱাৰিবৰ একো কাৰণ নাই। আনৰ মহত্তালি দেখিলে, দেখোঁতাৰ মনত তেনেকুৱা মহৎ হ'বলৈ ইচ্ছা জন্মে। ই মানুহৰ স্বাভাব। নাটকৰ নায়কৰ পুৰুষালি দেখ, পঢ়োঁতাৰ মন উতলা হয়, আৰু তেনেকুৱা পুৰুষালি লাভ কৰিবলৈ ইচ্ছা জন্মে। উদ্‌গতি কৰা মানুহৰ চৰিত্ৰ পঢ়িলেও সেইদৰে উদ্‌গতি কৰি ডাঙ্গৰ হ'বলৈ ইচ্ছা জন্মে।

উদ্‌গতি পথৰ প্ৰত্যেক যাত্ৰীয়েই তাৰ মনত এটা ডাঙ্গৰ আৰ্হি থিৰ কৰি লোৱা উচিত। ডাঙ্গৰ আৰ্হিয়ে মানুহৰ মন ডাঙ্গৰ কৰে, আৰু ডাঙ্গৰ পদলৈ অভিলাষ জন্মায়। যি ডাঙ্গৰ আৰ্হি দেখা নাই, সি সামান্য পদকে ডাঙ্গৰ বুলি ভাবে। সাগৰ নেদেখা মানুহে বিলকে ডাঙ্গৰ জলাহ যেন বিবেচনা কৰে। সেই দৰে নিধনী দেশত

সহস্ৰপতিয়ে অতুল ধনী, আৰু মূৰ্খ দেশত আখৰ পঢ়িব পাৰিলেই পৰম পণ্ডিত নাম পায়। কিন্তু যি বিদগ্ধ পণ্ডিত আৰু প্ৰবল ধনী দেখা পাইছে, তাৰ মন ডাঙ্গৰ হয়, সি কদাপি অলপীয়া ধনত-বা অলপীয়া বিদ্যাত সন্তুষ্ট হৈ থাকিব নোৱাৰে; এতেকে উদ্‌গতি বিচৰা মানুহৰ আৰ্হি সদায় ডাঙ্গৰ হোৱা উচিত। আৰ্হিৰ উপযুক্ত লোক জগতত বহুত আছে, কিন্তু তেওঁলোকক হাতে হাতে লগ পাবলৈ টান, সেই দেখি মানুহে তেওঁলোকৰ চৰিত্ৰ পাঠ কৰি মনত উচ্চ আৰ্হি যতনাই লয়।

বুৰঞ্জী পঢ়ি চৰিত্ৰ পাঠৰ ফল পোৱা নাযায়। বুৰঞ্জীত এটা জাতিৰ কাৰ্য্যকলাপ আৰু সিহঁতৰ উদ্‌গতি অধোগতিৰ বিৱৰণ মাথোন থাকে, কোনো এজন বিশেষ মানুহৰ জীৱনীৰ বিস্তাৰিত বিৱৰণ নাথাকে। চৰিত্ৰ পুথিত এজন মানুহৰ জীৱনী বহলাই বৰ্ণোৱা হয়, গতিকে তাক পঢ়িলে সেই জন মানুহৰ জীৱনৰ আদি অন্ত সমস্ত কাহিনী জানিব পাৰি। এজন বৰলোকৰ ঘাই কাম কেইটাৰ বিৱৰণ জানি থ'লেই চৰিত্ৰ পাঠৰ সম্পূৰ্ণ ফল পোৱা নাযায়, তেওঁৰ সৰু সৰু কামবোৰৰো সবিশেষ জনা উচিত। সৰু সৰু কামৰ পৰাহে মানুহৰ স্বভাৱ লক্ষ্য কৰিব পাৰি। যি জন মানুহক তুমি জীৱনৰ আৰ্হি কৰি লোৱা, তেওঁৰ শোৱন খাৱনৰ ৰীতিনীতি, আলাপ অভ্যৰ্থনাৰ নিয়ম প্ৰণালী সকলোবোৰকে জানি ল'ব লাগে। নিজৰ জীৱনৰ কোনো কথা যেনে তোমাৰ অবিদিত নাই, সেইদৰে তোমাৰ আৰ্হিৰ মানুহ জনৰো কোনো কথা অবিদিত থাকিব নালাগে। আৰ্হিৰ মানুহজন তোমাৰ পক্ষে আৰ্চি যেন হোৱা উচিত, তেহে তেওঁৰ দৃষ্টান্ত অনুসৰি চলিব পাৰিবা। বুৰঞ্জীৰ পৰা কোনো মানুহৰ ইমান খিনি সূক্ষ্ম বিৱৰণ জানিব নোৱাৰি।

বস্তু বিজ্ঞান অধ্যয়ন

বিজ্ঞান শাস্ত্ৰ জ্ঞানৰ ভঁৰাল। ইয়াৰ বলত মানুহে অদ্ভুত অদ্ভুত কাম কৰিব লাগিছে। ৰেইল, জাহাজ, টেলিগ্ৰাফ, ফটোগ্ৰাফ, মনোগ্ৰাফ, টেলিফোন, গ্ৰামোফোন, অনুবীক্ষণ দূৰবীক্ষণ; সম্প্ৰতি ওলোৱা বিমান, নানাবিধ ঔষধ আৰু নানা ৰকম চিকিৎসাৰ প্ৰণালী, এই এটাইবিলাক বিজ্ঞান চৰ্চ্চাৰ ফল। বিজ্ঞান চৰ্চ্চা কৰিলে প্ৰকৃতিৰ গুপ্ত তত্ত্ব ভেদ কৰিব পাৰি, অৰ্থাৎ প্ৰাকৃতিক ঘটনাবোৰৰ মূল কাৰণ জানিব

পাৰি। আমাৰ সমুখত নানা ৰকম ঘটনা ঘটে, যেনে ঢোলত কোব মাৰিলে শব্দ উঠে, হাবিয়নিত চিঞৰিলে প্ৰতিধ্বনি হয়। এইবিলাক ঘটনা আমি দিনে নিশায় দেখি আছোঁ কিন্তু কাৰণ সুধিলে ক'ব নোৱাৰোঁ। বিজ্ঞান শাস্ত্ৰ শিক্ষা কৰিলে এনেবিলাক ঘটনাৰ কাৰণ জনা যায়। বিজ্ঞানবিদ্ পণ্ডিতসকলে বিজ্ঞানৰ বলত সেই কাৰণ নিৰূপণ কৰি মনুষ্য জাতিৰ অশেষ উপকাৰ সাধিছে, শব্দৰ তত্ত্ব নিৰূপণ কৰি টেলিফোনেৰে এঠাইৰ শব্দ আন ঠাইলৈ চলাব পাৰিছে, আৰু শব্দ ধৰি ফনোগ্ৰাফ, গ্ৰামোফোন আদি যন্ত্ৰ নিৰ্ম্মাণ কৰিছে, ৰশ্মিৰ তত্ত্ব নিৰূপণ কৰি ফটোগ্ৰাফ কৰিছে, দৰ্শন ক্ৰিয়াৰ তত্ত্ব নিৰূপণ কৰি দূৰবীক্ষণ অনুবীক্ষণ আদি যন্ত্ৰ সাজিছে, বায়ুৰ তত্ত্ব নিৰূপণ কৰি তাক জুলিয়া অৱস্থালৈ আনিছে, আৰু আকাশত উৰি যোৱা বিমান প্ৰস্তুত কৰিছে। বিজ্ঞান চৰ্চ্চাৰ পৰা আজি পৰিমিত প্ৰকৃতিৰ ইমান খিনি তত্ত্ব পোৱা গৈছে আৰু চৰ্চ্চা কৰি থাকিলে আগলৈ যে কিমান নতুন ৰহস্য বিদিত হ'ব তাক কোনে ক'ব পাৰে? আচল মতে মনুষ্য জাতিৰ বৰ্ত্তমান সভ্যতা কেৱল বিজ্ঞান চৰ্চ্চাৰ ফল। এতেকে এনেকুৱা বিজ্ঞান শাস্ত্ৰ যে অধ্যয়নৰ এটা ঘাই বিষয় তাক নতুন যুক্তিৰে প্ৰমাণ কৰিবৰ সকাম নাই।

কুসংস্কাৰ উদ্‌গতি পথৰ এটা বাধা। জাতীয় কুসংস্কাৰে জাতীয় উদ্‌গতিৰ পথ, আৰু ব্যক্তিৰ কুসংস্কাৰে ব্যক্তিৰ উদ্‌গতিৰ পথ ভেটে। বিজ্ঞানৰ জ্ঞানে এই ভেটা ভাঙ্গি উদ্‌গতিৰ পথ মোকলাই দিয়ে। বহুত চহা মানুহে ধনগুলৈক প্ৰেতৰ মায়া বুলি বিশ্বাস কৰে, কিছুমানে পৃথিৱীখন হাতীৰ পিঠিত আছে বুলি বিশ্বাস কৰে, সেই হাতীয়ে গা লৰালে ভূমিকম্প হয় বুলি ভাবে। এইবিলাক সামান্য কুসংস্কাৰৰ দৃষ্টান্ত, ইয়াতকৈ গুৰুতৰ বিষয়ত মানুহৰ কুসংস্কাৰ আছে। বিজ্ঞান শিক্ষা কৰিলে তেনে কুসংস্কাৰ থাকিব নোৱাৰে। বিজ্ঞান শিক্ষাৰ পৰা বস্তুৰ মূল তত্ত্ব জনা যায়, গতিকে সেই বস্তু সম্বন্ধে মানুহৰ মনত কোনো মিছা সংস্কাৰ জন্মিব নোৱাৰে। পানী কাষৰীয়া ঠাইত গধূলি মলিয়ন বস্তুৰ ভাপ ওলায়, সেই ভাপ বাজৰ পৰিষ্কাৰ বায়ুত পৰিলে জ্বলি উঠে; এই কথা যি জানে সি ধনগুলৈক প্ৰেতৰ মায়া বুলি কেতিয়াও নাভাবে। কিন্তু এনে কথা বিজ্ঞান শিক্ষাৰ পৰা হে জানিব পাৰি। এতেকে বিজ্ঞানত ভালকৈ জ্ঞান জন্মিলে মানুহৰ মনৰ পৰা বহুত কুসংস্কাৰ পলাবলৈ বাধ্য হয়।

বিজ্ঞান শাস্ত্ৰ নানাবিধ আছে, সকলো বিধৰ সম্পূৰ্ণ জ্ঞান লাভ কৰা বৰ দুষ্কৰ কথা, সেই দেখি মানুহে এবিধ বিজ্ঞানৰ মাথোন চৰ্চ্চা কৰে। আগৰ বিজ্ঞানবিদ

পণ্ডিতবিলাকেও একো জনে একোটা বিষয়ৰ বিজ্ঞান হে চৰ্চ্চা কৰিছিল। কিন্তু এটা বিষয়ৰ সম্পূৰ্ণ জ্ঞান লাভ কৰিবলৈ সকলো বিষয়ৰ অলপ অলপ জানিব লাগে, সকলোৰে কিঞ্চিৎ কিঞ্চিৎ তেহে এটাৰ সমুচিত। এতেকে আগেয়ে সকলো বিষয়ৰ অলপ অলপ জ্ঞান গোটাই লৈ, পাচত এক বিষয়ত ভালকৈ লাগিব লাগে।

বিশ্ব অধ্যয়ন

পুথিৰ প্ৰধান বিশ্ব। এই পুথিৰ ৰচক ঈশ্বৰ। বিশ্ব পুথি পাঠ কৰি সকলো প্ৰকাৰ জ্ঞান লাভ কৰিব পৰা যায়। আগৰ কালৰ পণ্ডিতবিলাকে এই পুথি পাঠ কৰি অক্ষয় জ্ঞানৰ ভৰাল বান্ধিছিল। উদ্‌গতি পথৰ যাত্ৰীবিলাকৰ পক্ষে বিশ্বই পাঠৰ ঘাই বিষয়। বিশ্ব-পুথি পাঠ কৰি, কোনেও কদাপি শেষ কৰিব পৰা নাই। বিশ্ব পাঠ বিজ্ঞান পাঠৰ অন্তৰ্গত। বিশ্বৰ নানা ভাগ আছে, তাৰ একোটা ভাগেই একো বিধ বিজ্ঞান হৈছে। বিশ্ব-পুথি মানুহে ৰচা পুথিৰ নিচিনা নহয়। মানুহে পুথি ৰচিলে তাত কথাবিলাক বিবৰি ব্যাখ্যা কৰে, কিন্তু বিশ্ব পুথিত সকলো কথা আদিৰ পৰা অন্তলৈ অভিনয় কৰি দেখুৱাইছে। আচল মতে বিশ্ব এটা নাট মন্দিৰ, তাত উৰণ, বুৰণ, গজন, ভ্ৰমণ কেইও জাতি জীৱই নানা বিধ ভাও দি নিজ নিজ তত্ত্ব বিদিত কৰিছে। বিশ্বৰ প্ৰত্যেক বস্তুই একোটা নায়ক, আৰু তাৰ জীৱনটো একোখন নাট। নায়কে তাৰ জীৱনৰ পাতনিৰ পৰা সামৰণিলৈকে সকলো বৃত্তান্ত অভিনয় কৰি দেখুৱায়। এই অভিনয় মন দি চালে বিজ্ঞান শিক্ষাৰ ফল পোৱা যায়। ল'ৰাক ফলাৰ আখৰ চিনাবলৈ আজি কালি মানুহে অনেক ধেমেলীয়া উপায় উলিয়াইছে, কৰ নিচিনা কেঁকোৰা সাজিছে, গৰ নিচিনা গাধ সাজিছে, সেয়েৰেহে অধ্যাপকে ল'ৰাক আখৰ শিক্ষা দিয়ে। ঈশ্বৰেও মানুহক জ্ঞান শিক্ষা দিবৰ নিমিত্তে নানা বিধ বস্তু নিৰ্ম্মাণ কৰিছে। আমি সেই বস্তুবোৰৰ তত্ত্ব বিচাৰ কৰি জ্ঞান আৰু আনন্দ দুয়োকে লাভ কৰিব পাৰোঁ।

ৰচকৰ বিদ্যা বুদ্ধি অনুসাৰে পুথি সাৰুৱা বা জাবৰুৱা হয়। ঈশ্বৰ বিদ্যা বুদ্ধিৰ আদি আৰু অন্ত, তেওঁ বিদ্যাময়, বুদ্ধিময়, আৰু জ্ঞানময়, এতেকে তেওঁ ৰচা বিশ্ব যে সাৰময় পুথি, তাক এনেই বুজিব পাৰি। এই বিৰাট পুথি পাঠ কৰিলে সকলো

জ্ঞানৰ সাৰ পোৱা যায়। নীতি শিক্ষাৰ নিমিত্তে চাণক্য, বিধি শিক্ষাৰ নিমিত্তে মনু বা ধৰ্ম্ম শিক্ষাৰ নিমিত্তে পাতঞ্জলি চৰ্চ্চা কৰিবৰ কোনো সকাম নাই। পুৰুষাৰ্থ কৰিলে নীতিৰ নেতা, বিধিৰ বিধাতা, আৰু জ্ঞানৰ সমষ্টি বিশ্বকৰ্ত্তাৰ কাৰ্য্যৰ পৰা সকলো শিক্ষা লাভ কৰিব পাৰি।

বিশ্ব পুথিত উজু আৰু টান দুই বিধৰ পাঠ আছে। পৃথিৱীত জীৱন ধৰিবলৈ যিখিনি জ্ঞানৰ প্ৰয়োজন হয়, তাক বিশ্বৰ উজু পাঠ পঢ়িয়েই লাভ কৰিব পাৰি। সূৰ্য্য বুৰিলে আন্ধাৰ হয়, আৰু চৰাই চিৰকটি বাহলৈ যায়। ইয়াৰ পৰা বুজিব পাৰি যে, ৰাতিৰ কাল জিৰণিৰ সময়, কামৰ সময় নহয়, এতেকে তেতিয়া কাম এৰি জিৰণি লোৱা উচিত। পুৱা সকলো প্ৰাণীয়ে টোপনি এৰি আপোন আপোন কামত ধৰে এতেকে আমিও পুৱা টোপনি এৰি আপোন আপোন কামত ধৰা উচিত। জন্তুবিলাকে আহাৰ আনি পোৱালিক খুৱাই ডাঙ্গৰ কৰে, আমিও সেইদৰে ধন আৰ্জ্জি নিজৰ ল'ৰা-ছোৱালীক লালি পালি ডাঙ্গৰ কৰিব লাগে। টিপচী চৰায়েও নিজৰ পোৱালিক কাউৰী চিলনীৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰে মানুহও সিহঁতৰ ল'ৰা-ছোৱালীক শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰা উচিত। এজনী কাউৰী বিপদত পৰিলে হাজাৰ কাউৰীয়ে ৰমলিয়াই কোৰ্হাল কৰে, আৰু তাইক সৰুৱাবলৈ চেষ্টা কৰে। সেইদৰে মানুহৰো এজন বিপদত পৰিলে সকলোৱে গোট খাই তাক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰিব লাগে। পুৱায় উঠা গালে ভাল, এই কথা শিকিবলৈ চৰক সুশ্ৰুত পঢ়িবৰ সকাম নাই, নিশাৰ আন্ধাৰ আঁতৰ হ'লেই শালিকী কাউৰীয়ে তাক শুনাই দিয়ে। দুখ কৰিলেহে মুখ ভৰে, ইয়াক শিকিবলৈও পণ্ডিত নালাগে, জগতৰ সকলো প্ৰাণীয়েই ৰিঙ্গিয়াই ইয়াৰ জাননী দিছে।

বিশ্ব পুথিৰ এটাইবিলাক পাঠ এনেকুৱা উজু নহয়, তাত কিছুমান টান পাঠো আছে, দকৈ গমি নাচালে সেইবিলাক পাঠৰ আচল মৰ্ম্ম বুজিব নোৱাৰি। এজোপা গছত ঘৈয়াই বা কৰি থ'লে সেই ঘা কিছুমান দিনৰ মূৰত আপোনা-আপুনি পূৰ হয়, মাটিত গাঁত খানি থ'লে সিও কালত আপোনা-আপুনি মাৰ যায়। প্ৰকৃতিৰ এইবিলাক কাৰ্য্য সাধাৰণ তৰপৰ মানত সামান্য যেন লাগে, কিন্তু চিন্তাশীল মানুহে তাৰ পৰা প্ৰকৃতিৰ ক্ষতিপূৰণ স্বভাৱ আৱিষ্কাৰ কৰি ৰোগ চিকিৎসা বিষয়ত বহুত বহুমূলীয়া নিয়ম প্ৰণালীৰ ব্যৱস্থা কৰিছে। আম সৰিলে মাটিতে পৰে, এই কথাও

সকলোৰে দেখিছিল, কিন্তু কোনেও তাৰ তত্ত্ব বিচৰা নাছিল, আৰু সেই দেখি তাৰ পৰা একো শিক্ষাও পোৱা নাছিল। পাচত এজন চিন্তাশীল মানুহে তাৰ তত্ত্ব বিচাৰ কৰি পৃথিৱীৰ মাধ্যাকৰ্ষণ আৱিষ্কাৰ কৰিলে। আচল কথা এই যে তদ্‌গত মনেৰে পাঠ নকৰিলে বিশ্ব পুথিৰ বহুত পাঠৰ ধাতু ধৰিব নোৱাৰি। বিশ্ব পুথিৰ পৰা জ্ঞান গোটাব খুজিলে তাক একাণপতীয়া হৈ অন্য আলজাল এৰি দি পাঠ কৰিব লাগে। যিবিলাক পণ্ডিতে বিশ্ব পাঠ কৰি ডাঙ্গৰ ডাঙ্গৰ কথা আৱিষ্কাৰ কৰিছিল তেওঁলোকৰ পাঠৰ প্ৰণালী তেনেকুৱা আছিল। আজিকালিও বহুত পণ্ডিতে গছ-গছনিৰ তত্ত্ব বিচাৰি বা পশু-পক্ষীৰ স্বভাব চাই সংসাৰৰ আন চিন্তা পৰিত্যাগ কৰি হাবিয়ে হাবিয়ে দেশে ফুৰাব লাগিছে, কোনোৱে বা গ্ৰহ-উপগ্ৰহৰ গতি বিধি নিৰীক্ষণ কৰি, ৰাতি জাগি জীৱন কটাইছে। পণ্ডিতবিলাক এইদৰে প্ৰাকৃতিক ঘটনাৰ মূল তত্ত্ব বিচাৰ কৰি অনেক শিক্ষা লাভ কৰিছে, আৰু সেই শিক্ষাৰ বলত মনুষ্য জাতিৰ অশেষ উপকাৰ সাধন কৰিছে। মানুহৰ মুখৰ পৰা বা মানুহৰ ৰচিত পুথিৰ পৰা যি শিক্ষা পোৱা যায়, তাৰ মৰ্ম্ম সময়ে সময়ে পৰিবৰ্ত্তন হয়। যি কথা মানুহে এক সময়ত গধুৰ জ্ঞানগৰ্ভ বুলি বিশ্বাস কৰে, সেই কথাও কালত গৈ মিছা বা অমূলক হয়। আগৰ দিনত চট্‌ফটাই ফুৰিলে মানুহে ভাল নুবুলিছিল, চট্‌ফটীয়াক পাতল বুলি নিন্দা কৰিছিল। কিন্তু আজি কালি শিক্ষিত তৰপৰ ভিতৰত চট্‌ফটিয়া মানুহৰ বৰ আদৰ, তেনে মানুহক উৎসাহী আৰু কামিলা বুলি সকলোৱে প্ৰশংসা কৰে। আগৰ দিনত আন মানুহৰ ঘৰলৈ গ'লে চাল বাৰ কেনিও নাচাই থিৰ হৈ বহি থকা নিয়ম আছিল, কিন্তু আজি কালি তেনে নিয়ম কোনেও নবখানে। এতিয়াৰ মানুহৰ বিবেচনাত যি ঠাইলৈ যোৱা যায়, তাৰ চাৰিও চুক চাই য'ত যি আছে সকলোৰে ভু-ভা আতি-গুৰি লৈ অহাহে উচিত। এইদৰে আগৰ কালৰ বহুত কথা এতিয়া লৰচৰ হৈছে, কিন্তু বিশ্ব পুথিৰ কথাৰ লৰচৰ নাই। বিশ্ব পুথিৰ উপদেশ শিলৰ ৰেখ। পানী কেতিয়াও উজাই নবয়, কলৰ কেতিয়াও দোথোক নপৰে। ইয়াৰ বাজেও, বিশ্ব পুথিৰ শিক্ষাৰ পাহৰণ নাই। বিশ্ব সততে সমুখত আছে, সেই দেখি তাৰ উপদেশবোৰ সদায় আওৰাই থকা হয়।

দেশ ভ্ৰমণ

দেশ ভ্ৰমণ বিশ্ব অধ্যয়নৰ এটা অঙ্গ। নানা দেশৰ নানা বস্তু আৰু নানা মানুহ নেদেখিলে বিশ্ব অধ্যয়ন সম্পূৰ্ণ নহয়। পুথিত যিবিলাক বস্তুৰ কথা পঢ়া যায়, দেশ ফুৰিলে সেইবিলাক বস্তু দেখা যায়। চকুৰে নেদেখিলে, কেৱল বৰ্ণনা পঢ়ি সকলো বস্তুৰ সবিশেষ তত্ত্ব পোৱা নাযায়। জগৎপ্ৰখ্যাত তাজমহল আগ্ৰা নগৰত আছে। ই মোগল খিতাপৰ যুগমীয়া চিন, দাম্পত্য স্নেহৰ বিতোপন পটন্তৰ, আৰু মন্দিৰ গাঁথনিৰ অনুপম আৰ্হি। বুৰঞ্জীত এই মন্দিৰৰ বৰ্ণনা পঢ়িবলৈ পোৱা যায়, কিন্তু বৰ্ণনাৰ পৰা তাৰ আচল গঢ়-পিট মনত ধাৰণা কৰিব নোৱাৰি। সেই দেখি চকুৰে চাই তাৰ তত্ত্ব বুজিব লাগে। পৃথিৱীৰ প্ৰধান প্ৰধান বস্তুবোৰ এইদৰে নিজে গৈ চাব পাৰিলে বহুত শিক্ষা পোৱা যায়।

উদ্‌গতিৰ আন নাম পৰিবৰ্ত্তন। পুৰণি গুচাই নতুন কথা প্ৰৱৰ্ত্তাব নোৱাৰিলে মানুহৰ বা দেশৰ উদ্‌গতি নহয়। কিন্তু ভিন দেশ নেদেখা মানুহে পুৰণি একো কথাকে লৰচৰ কৰিব নিদিয়ে; সিহঁতে পুৰণি সকলোকে ভাল আৰু ন সকলোকে বেয়া দেখে। এতেকে সেই শ্ৰেণী মানুহৰ কদাপি উন্নতি নহয়।

বিদেশত নুফুৰা মানুহৰ মন নিচেই ঠেক। সিহঁতে ঘৰৰ ঘাৰোৱাহ আৰু ওচৰচুবুৰীয়াৰ বাদে আন কাৰো লগত মিতিৰালি কৰিব নোৱাৰে। বিদেশী মানুহ সিহঁতৰ আশঙ্কাৰ ঠাই। বিদেশী মানুহক সিহঁতে বনৰীয়া জন্তু যেন দেখে, আৰু বিপদত পৰিলে সিহঁতক আশ্ৰয় নিদিয়ে। কিন্তু বিদেশত ফুৰা মানুহৰ স্বভাৱ তেনেকুৱা নহয়, সিহঁতৰ মনত গোটেই জগত স্বদেশ আৰু সকলো মানুহ আপোন। ইয়াৰ বাদেও দেশ ভ্ৰমণৰ আৰু উপকাৰ আছে। নানা দেশৰ নানা জাতিৰ মানুহৰ লগত সঙ্গতি কৰিলে সিহঁতৰ বুদ্ধি কৌশল কেনেকুৱা, আৰু সিহঁতে কোনটো কাম কেনেকৈ কৰে, এটাইবিলাক শিকিব পাৰি, আৰু ভাল বা সুৱলা দেখিলে সেই প্ৰণালী নিজৰ কামত লগাব পাৰি। বিদেশত ফুৰিলে তাৰ মানুহবিলাকৰ দুষ্টালিৰ প্ৰণালীও জনা যায়, গতিকে সিহঁতৰ হাতত ঠগ খাবৰ আশঙ্কা নাথাকে। বিপদত বিমোৰ হোৱাও ফুৰা মানুহৰ স্বভাৱ নহয়, বিপদ হ'লে সিহঁতে এটা নহয় এটা বুদ্ধি উলিয়াব পাৰে। প্ৰত্যুৎপন্নমতিত্ব বা কাললৈ বুদ্ধি দেশ ভ্ৰমণৰ এটা ঘাই ফল।

আজি কালি অসমৰ দুই চাৰি জনে দেশ ভ্ৰমণ কৰে, কিন্তু তেওঁলোকৰ ভ্ৰমণৰ নিয়মলৈ চালে, তাৰ পৰা যে কিবা ফলোদয় হয়, এনে মনে নধৰে। যাবৰ আগেয়ে চাবলৈ ওলোৱা ঠাইত খোৱা, শোৱা থকা সকলো বিধৰ আয়োজন কৰাই লৈ যাত্ৰা কৰিলে দেশ ফুৰাৰ ফল পোৱা নাযায়। এইদৰে হিমালয়ৰ টিঙ্গলৈ বা মেৰুৰ অন্তলৈ গ'লেও চকুৰ তৃপ্তিৰ বাদে একো শিক্ষা লাভ নহয়। দেশ ফুৰি শিক্ষা লাভ কৰিব খুজিলে বিদেশৰ অসুবিধাবোৰেৰে সৈতে সমুখ সমৰ কৰিব লাগে।

ভিন দেশলৈ গ'লে তাৰ মানুহৰ লগত বা সংসৰ্গত থকা উচিত, আৰু সিহঁতৰ লগত সেই দেশৰ আচাৰ ব্যৱহাৰ অনুসৰি চলা উচিত। কোনো দেশৰ জাতীয় আচাৰ ব্যৱহাৰ জানিব খুজিলে, সেই দেশৰ সামান্য তৰপৰ মানুহৰ চলন ধৰণলৈ চকু ৰাখিব লাগে, কেৱল শিক্ষিত সমাজত ফুৰিলে জাতীয় আচাৰ ব্যৱহাৰ জনা নাযায়, শিক্ষিত মানুহৰ ব্যৱহাৰ প্ৰায় সকলো ঠাইতে একে ৰকম। প্ৰয়োজন নহ'লে বিদেশত নিজৰ চিনাকি নিদিয়াই ভাল, চিনাকি দিলে কেতিয়াবা শিক্ষাৰ অসুবিধা হয়। ডাঙ্গৰ মানুহ বুলি চিনাকি দি আলহি হ'লে ঘৰৰ গিৰিহঁতে তেওঁলোকৰ বেয়া খিনি লুকাই ৰাখি তোমাক ভাল খিনিহে দেখুৱাব, এতেকে তুমি বেয়া মানুহকো ভাল বুলি বিশ্বাস কৰি অহাৰ আটক নাই। যি দেশলৈ যোৱা যায় তাৰ প্ৰসিদ্ধ ঠাইবোৰ, আৰু হাট বজাৰ চাব লাগে। সুচল হ'লে সেই দেশৰ পণ্ডিতবিলাকৰ সৈতেও দেখা সাক্ষাত হোৱা ভাল। বাতৰি কাকত দেশৰ চলিত অৱস্থাৰ আৰ্চিৰ নিচিনা, এতেকে তাকো পঢ়া উচিত, আৰু সভা সমিতি হ'লে তাতো উপস্থিত থাকিব লাগে।

বিদেশত নানা ৰকম আলৈ-আহুকালৰ আশঙ্কা থাকে, আৰু তাত দেখা নতুন বস্তুবিলাকৰ বিষয়ে আন এজনৰ লগত আলোচনা বা ব্যাখ্যা-ব্যাখ্যি নকৰিলে শিক্ষা পৈণত নহয়, এতেকে বিদেশলৈ অকলশৰে নগৈ, দুই এজন লগৰীয়া লৈ যোৱা উচিত। লগৰীয়া থাকিলে বিপদত সহায়ো পোৱা যায়, আৰু আলোচনাৰো লগ হয়। কিন্তু লগৰীয়াৰ সংখ্যা সৰহ হ'লে ফুৰাত বৰ জঞ্জাল হয়, সেই দেখি তিনি জনতকৈ সৰহ লগৰীয়া নিয়া উচিত নহয়।

চিন্তা

বেজে যেনেকৈ নানা তৰহৰ বস্তু মিহলাই খুন্দি, কুটি, বাটি পৰম গুণকাৰী দৰব প্ৰস্তুত কৰে, সোণাৰিয়ে যেনেকৈ সৰু সৰু সোণৰ চেকুৰা গোট কৰি জুইত উতলাই মহামূল্য অলঙ্কাৰ প্ৰস্তুত কৰে, বাঢ়ৈয়ে যেনেকৈ সৰু সৰু চলীয়া কাঠ লগ লগাই বিতোপন পীৰা বা পালেং প্ৰস্তুত কৰে, শিপিনীয়ে যেনেকৈ কপাহী আৰু সোণালী সূতা গোট কৰি ধুনীয়া ৰিহা মেখেলা বা চেলেং চুৰিয়া বয়, সেইদৰে চিন্তাইও নানাবিধ উপকৰণ অৰ্থাৎ ভাব গোট লগাই খুন্দি কুটি, গুলি পিহি জ্ঞান প্ৰস্তুত কৰে। মানুহে নানা দেশত ফুৰি, আৰু নানা পুথি পঢ়ি, উপকৰণবোৰ যতনাই দিয়ে, চিন্তাই নিজৰ গঢ়শালিত বহি সেই উপকৰণবোৰ উচিত পৰিমাণে মিহলাই জ্ঞান বুদ্ধি আদি অমূল্য বস্তুবিলাক সাজি তোলে। কেৱল পঢ়ন বা দৰ্শনৰ পৰা জ্ঞান বুদ্ধি নোপজে। অনেক মানুহে পুথি পঢ়ে, আৰু নানা দেশৰ নানা বস্তু চাই ফুৰে, কিন্তু সিহঁত সকলোৱেই পণ্ডিত বা জ্ঞানী নহয়। কোনো বস্তু দেখিলে বা কোনো কথা পঢ়িলে, সেই বস্তু বা কথা সম্বন্ধে এটা এটা ভিন ভিন ভাব ওপজে, সেই ভাববোৰ সানমিহলি কৰি তাৰ পৰা সাৰ বস্তু খিনি উলিয়াই ল'ব নোৱাৰিলে জ্ঞানৰ উৎপত্তি নহয়। তুমি নানাবিধ বলকাৰক বস্তু খাব পাৰা, কিন্তু উদৰাগ্নিয়ে বস্তুবোৰ জীৰ্ণ কৰি সাৰ উলিয়াই নিদিলে তোমাৰ গাত বল নজন্মে। সেইদৰে তুমি পঢ়ন দৰ্শন আদি উপায়েৰে নানা বিধ ভাব সঞ্চয় কৰিব পাৰা, কিন্তু চিন্তাই সেই ভাববিলাক জীৰ্ণ কৰি সাৰ গোটাই নিদিলে জ্ঞান নজন্মে। উদৰাগ্নিৰ নিচিনা চিন্তা মনৰ জীৰ্ণকাৰী শক্তি। চিন্তাৰ চাকত পৰি ভিন ভিন ভাববিলাক জীৰ্ণ নগ'লে মনে জ্ঞানৰূপ বল লাভ কৰিব নোৱাৰে।

চিন্তা প্ৰশ্নৰ ফল, অৰ্থাৎ যি বস্তু দেখা যায় সেই বস্তু সম্বন্ধে মনক প্ৰশ্ন কৰিব লাগে, প্ৰশ্ন কৰিলেই চিন্তা কৰা হয়। প্ৰশ্নৰ পৰিমাণেই শিক্ষাৰ পৰিমাণ। যি বিষয়ত যিমান প্ৰশ্ন উদয় হয়, সেই বিষয়ত সিমান শিক্ষা লাভ কৰা যায়। তোমাৰ নিজৰ বুদ্ধিত কোনোটো প্ৰশ্নৰ উত্তৰ বিচাৰি নাপালেও, পুথি বা পণ্ডিতৰ পৰা তাক শিকি ল'ব পাৰা।

কোনো এটা বস্তুৰ বিষয়ে চিন্তা কৰিব লাগিলে, বস্তুটো সমুখত থাকোঁতেই কৰা

উচিত, নাইবা তাৰ কি কি চাব লাগে থিৰ কৰিব নোৱাৰি। কিছুমান মানুহে বস্তু এটা নিজ চকুৰে চাই আহিও অনেক কথাৰ উত্তৰ দিব নোৱাৰে। ই কেবল চাবৰ সময়ত চিন্তা নকৰাৰ ফল। এই বিষয়ে এটা অখ্যান আছে। এজন ডাঙ্গৰীয়াৰ এজন মহৰি আৰু এটা লগুৱা আছিল। মহৰিৰ দৰ্ম্মহা কুৰি টকা আৰু লগুৱাৰ দৰ্ম্মহা তিন টকা আছিল। কম দৰ্ম্মহা পোৱা বাবে লগুৱাৰ মনত বৰ বেজাৰ। সি এদিন ডাঙ্গৰীয়াক অকলশৰে লগ পাই ওজৰ কৰিলে, 'দেউতা! মই ওৰে দিনটো, পুৱাৰ পৰা গধুলিলৈ আপোনাৰ আলপৈচান ধৰি, কেৱাৰ কৰি টাকুৰী ঘুৰাদি ঘুৰি ফুৰোঁ, আৰু সেই মহৰিটোৱে এখন্তক মাথোন আহি লিখা পঢ়া কৰে, কিন্তু সি পায় কুৰি টকা, আৰু মই পাওঁ তিন টকা, ইয়াৰ কাৰণ বন্দীয়ে বুজিব নোৱাৰোঁ। দেউতাৰ ঘৰত মোৰ আদবয়স গ'ল, ইচ্ছা কৰিলে দুখীয়াক দেউতাই কৃপা কৰিব পাৰে।' ডাঙ্গৰীয়াই লগুৱাৰ কথা শুনি সেইদিনা তাক একো সমিধান নিদিলে। কিছুমান দিনৰ পাচত ডাঙ্গৰীয়াৰ এজনী ছাগলী জগিল। ছাগলীজনী তেওঁৰ বৰ মৰমৰ বস্তু আছিল। তাই জগা বুলি শুনি কেইটা পোৱালি হৈছে চাই আহিবলৈ তেওঁ লগুৱাটোক পাচিলে। লগুৱাই গৈ চাই আহিল, আৰু পোৱালি তিনটা হৈছে বুলি খবৰ দিলে। ডাঙ্গৰীয়াই এই খবৰ পাই পোৱালি তিনটা কলা নে বগা লগুৱাটোক সুধিলে। সি সেই কথাৰ উত্তৰ দিব নোৱাৰি লৰি আকৌ চাবলৈ গ'ল, আৰু উলটি আহি ক'লে যে পোৱালি এটা কলা, দুটা বগা হৈছে। ডাঙ্গৰীয়াই তাক আকৌ সুধিলে 'পোৱালি কেইটা পঁঠা নে পাঁঠি!' এইবাৰো লগুৱাই তাৰ উত্তৰ দিব নোৱাৰিলে, সি ঘূৰি আকৌ চাবলৈ ওলাল, কিন্তু ডাঙ্গৰীয়াই তাক সেইবাৰ যাবলৈ হাক দি, তাতে থিয় হৈ থাকিবলৈ ক'লে, আৰু আন এজন মানুহ পঠিয়াই মহৰিটোক মতাই অনালে। মহৰি আহি পালত, ডাঙ্গৰীয়াই তাক ক'লে শুনিছা নে মহৰি! আমাৰ ছাগলীজনী হুনু জগিছে, যোৱাঁচোন, সঁচা নে মিছা চাই আহাঁ গৈ।' ডাঙ্গৰীয়াৰ আজ্ঞা পাই মহৰিয়ে চাবলৈ গ'ল, আৰু কিছুমান পৰৰ মূৰত উলটি আহি খবৰ দিলে যে ছাগলীজনী জগা হয়, পোৱালি তিনটা হৈছে, এটা কলা, দুটা বগা, কলাটো আৰু বগা এটা পাঁঠি, সিটো পঁঠা, পঁঠা পোৱালিটো নোদোকা, পাঁঠি দুটা লিতা। মহৰিয়ে এবাৰ চাই আহিয়েই এই এটাইখিনি খবৰ ডাঙ্গৰীয়াক বৰ্ণাই ক'লে। এই ঘটনাৰ পাচে লগুৱাই আৰু মহৰিৰ পাটন দি সৰহ দৰ্ম্মহা খুজিবলৈ মুখ নাপালে। এতিয়া চোৱা, মহৰিৰ চোৱাৰ প্ৰণালী আৰু লগুৱাৰ চোৱাৰ প্ৰণালী কিমান বেলেগ। লগুৱাই

ছাগলীৰ পোৱালি তিনটা চায়েই গুচি আহিল, সি সেই বিষয়ে মনক আৰু কোনো প্ৰশ্ন নুসুধিলে, সেই দেখি গিৰিহঁতে সোধা আনবোৰ কথাৰ উত্তৰ দিব নোৱাৰিলে। কিন্তু মহৰিটো বুধিয়ক মানুহ, সি চাবলৈ গৈ পোৱালি কেইটাক আগত লৈ সিহঁতৰ বিষয়ে হ'ব পৰা এটাইবোৰ প্ৰশ্ন মনক সুধি, উত্তৰ গোটাই লৈ গিৰিহঁতৰ আগ হৈছিল, আৰু সেই কাৰণে সি লাগতিয়াল কথা এটাইখিনি ক'ব পাৰিছিল। ওপৰত কোৱা এই লগুৱাটোৰ নিচিনা মানুহ পৃথিবীত বহুত আছে, সিহঁত চকু থাকিও কণা।

চিন্তা মনৰ জেউতি, তাৰ গুণত আন্ধাৰ সমস্যা পোহৰ হয়, টান কাম উজু হয়। চিন্তাৰ অতুল প্ৰভাৱ। আগৰ কালত যোগীবিলাকে ধ্যান কৰি ভূত ভৱিষ্যৎ সকলো জানিছিল, আৰু কৈবল্য লাভ কৰিছিল। ধ্যান চিন্তাৰেই এটা ৰকম মাথোন। চিন্তা উগ্ৰ আৰু দীৰ্ঘকাল স্থায়ী হ'লেই ধ্যান নাম পায়। পাচে, যদি যোগীবিলাকে চিন্তাৰ বলত দুৰ্লভ কৈবল্যকেই লাভ কৰিব পাৰিছিল, সংসাৰীয়ে সংসাৰ চলাবৰ জোখাৰে জ্ঞান বুদ্ধি লাভ কৰিব নোৱাৰিবৰ কোনো কাৰণ নাই।

চিন্তা কৰিবলৈ কোনো নিৰ্দ্দিষ্ট সময় নালাগে। শোওঁতে, খাওঁতে, ফুৰোঁতে সকলো সময়তেই চিন্তা কৰিব পাৰি। বহুত পণ্ডিতে এনেবোৰ সময়তেই চিন্তা কৰি ডাঙ্গৰ কথা, আৱিষ্কাৰ কৰিছে। এজন পণ্ডিতে গা ধুবৰ সময়ত চিন্তা কৰি জল-জোখৰ* প্ৰণালী আৱিষ্কাৰ কৰিছিল। চিন্তাৰ অসীম ক্ষমতা, চকুৰে নেদেখা বস্তুকো চিন্তাৰে দেখা যায়, হাতেৰে ধৰিব নোৱৰা বস্তুকো চিন্তাৰে ধৰিব পাৰি। মনুষ্য আকাৰত সৰু, কিন্তু সিহঁতে চিন্তাৰে ভূমণ্ডল, নভোমণ্ডল সমস্ত ব্ৰহ্মাণ্ড আঁকোৱালি ধৰিব পাৰি।

---

* ভিতৰত লা থকা অলঙ্কাৰৰ লা বাদে সোণ বা ৰূপৰ আচল পৰিমাণ জুখি উলিয়াব লাগিলে তৰ্জুপানীত পেলাই জুখিব লাগে, ইয়াকে জলজোখ বোলা হৈছে।

দ্বিতীয় ভাগ

চৰিত্ৰ

উদ্‌গতিৰ আন এটা আহিলা চৰিত্ৰ। সৎ চৰিত্ৰ উদ্‌গতি পথৰ প্ৰবল সহায়। যি মানুহে সৎ চৰিত্ৰক সাৰথি কৰি উদ্‌গতি পথত যাত্ৰা কৰে, তাক কোনো অপায়ে পশিব নোৱাৰে। ধনৰ বল বা বিদ্যাৰ বল একোৱেই চৰিত্ৰ বলৰ সমান নহয়। কুচৰিত্ৰৰ কুফল ধন বা বিদ্যাৰে খণ্ডাব নোৱাৰি। ধনৱন্ত আৰু বিদ্যাৱন্ত মানুহো চৰিত্ৰৰ দোষত ৰসাতললৈ যায়। চৰিত্ৰহীন মানুহৰ শত্ৰু সৰহ, এতেকে সংসাৰত সিহঁতৰ বিপদো সৰহ। ধনহীন বা বিদ্যাহীন হলে মানুহে আনৰ পুতৌ পায়, কিন্তু চৰিত্ৰহীন হ'লে তাক কোনেও দেখিব নোৱাৰে। সৎ চৰিত্ৰ মানৱ স্বভাৱৰ জেউতি, আন গুণ নাথাকিলেও, অকল সেয়েই মানুহৰ শোভা বঢ়ায়। চৰিত্ৰৱান মানুহ পবিত্ৰ জলৰ নিচিনা। সিহঁত নিজেও পবিত্ৰ, আৰু আনকো পবিত্ৰ কৰে। চৰিত্ৰৱন্ত মানুহক চৰিত্ৰহীন মানুহে পেটে পেটে ভয় কৰে; আৰু সিহঁতৰ আগত বেয়া কাম কৰিবলৈ সঙ্কুচিত হয়। ধন আৰু বিদ্যাৰ পৰা মানুহে ক্ষমতা লাভ কৰে, কিন্তু চৰিত্ৰৰ পৰা মহত্ত্ব প্ৰাপ্ত হয়। কুচৰিত্ৰই মানুহক পশুত্বলৈ নমায়, কিন্তু সুচৰিত্ৰই দেবত্বলৈ তোলে। সুচৰিত্ৰ মনুষ্যত্বৰ সাৰ, এতেকে সি উন্নতিৰ মেৰুদণ্ডৰ নিচিনা।

চৰিত্ৰৰ মূল অভ্যাস। কোনো এটা কাম সদায় কৰি থাকিলে, তাক পাচত গৈ এৰিব নোৱৰা হয়। আৰু এৰিব নোৱৰা হ'লেই সেই কামটো অভ্যাস হোৱা বোলে। মানুহে পতি একোটা অভ্যাস আছে। কোনো মানুহৰ পুৱায় উঠা অভ্যাস, কোনো মানুহৰ বেলিকৈ উঠা অভ্যাস, কোনো মানুহৰ এসাঁজ খোৱা অভ্যাস, কোনো মানুহৰ তিনি সাঁজ খোৱা অভ্যাস। এনেবিলাক কামত যেনেকৈ মানুহৰ একোটা অভ্যাস জন্মে, আচাৰ ব্যৱহাৰ সম্বন্ধেও সেইদৰে মানুহে মানুহে একোটা ভিন ভিন অভ্যাস জন্মে। কোনো মানুহৰ খিয়াল কৰা অভ্যাস হয়, অৰ্থাৎ সি খিয়াল নকৰি থাকিব নোৱাৰে। কোনো মানুহৰ চুৰ কৰা অভ্যাস হয়, অৰ্থাৎ সি চুৰ নকৰি থাকিব নোৱাৰে। এইদৰে আচাৰ ব্যৱহাৰ সম্বন্ধে যিবোৰ অভ্যাস জন্মে, সেইবোৰ গোট খাই মানুহৰ চৰিত্ৰ হয়। মানুহৰ অন্তৰত ভাল আৰু বেয়া দুই শ্ৰেণীৰ বৃত্তি আছে।

দয়া এটা ভাল আৰু লোভ এটা বেয়া বৃত্তি। ভাল বৃত্তিৰ গুণত ভাল অভ্যাস জন্মে যেনে, দয়াৰ গুণত মানুহ দানী হয়, পৰোপকাৰী হয়। বেয়া বৃত্তিৰ গুণত বেয়া অভ্যাস জন্মে যেনে, লোভৰ গুণত মানুহ চোৰ হয়, ঠগ হয়। এতেকে ভাল বৃত্তিৰ পৰা ভাল চৰিত্ৰ আৰু বেয়া বৃত্তিৰ পৰা বেয়া চৰিত্ৰ জন্মে। ভাল বেয়া দুয়ো বিধ বৃত্তিকে মানুহে যত্ন পুৰুষাৰ্থ কৰি বঢ়াব টুটাব পাৰে। যি চৰিত্ৰ ভাল কৰিব খোজে সি তাৰ বেয়া বৃত্তিবোৰ দমাই ৰাখি ভালবোৰৰ তেজ বঢ়োৱা উচিত।

মানুহৰ বেয়া বৃত্তিবোৰ কৰ্ষণ নকৰাকৈ আপোন-আপুনি ফুঁটি ওলায়, কিন্তু ভালবোৰ জ্ঞান বুদ্ধি থিৰ হ'লেহে দেখা দিয়ে। ল'ৰাকালত মানুহ ক্ৰোধ লোভ আদি বেয়া বৃত্তিবোৰৰ অধীনত থাকে, তেতিয়া তাৰ মনত ভাল বৃত্তিৰ ক্ৰিয়া দেখাই নাযায়, ডাঙ্গৰ হৈ হিতাহিত জ্ঞান লাভ কৰিলে তেতিয়া ভাল বৃত্তিবোৰ দেখা দিব ধৰে। মানুহৰ জীৱনত বেয়া বৃত্তিবোৰ কিয় আগ বাঢ়ি ওলায় তাৰ কাৰণ ঠাৱৰোৱা টান, আৰু ইয়াত সেই কথা আমাৰ বিচাৰৰ বিষয় নহয়। কিন্তু বেয়া বৃত্তিবোৰ আগবঢ়াৰ নিমিত্তে মনুষ্য জাতিৰ অশেষ অপকাৰ হৈছে। সিহঁতৰ দণ্ডিত মানুহে প্ৰথমতে বেয়া বাটে খোজ লয়। বেয়া বৃত্তিবিলাক মনুষ্য জীৱনত প্ৰথম নায়ক নোহোৱাহেঁতেন, সংসাৰত ইমান কুকাম দেখা নগ'লহেঁতেন, পৃথিৱী স্বৰ্গৰ নিচিনা সুখৰ আলয় হ'লহেঁতেন। বেয়া বৃত্তিবিলাকে আগেয়ে মানুহক বেয়া বাটত পেলাই দিয়ে, পাচত, জ্ঞানৰ বলেৰেহে তাৰ পৰা উদ্ধাৰ হ'ব লাগে। এই দেখি মানুহে চৰিত্ৰ গঠন কৰা কামক চৰিত্ৰ সংশোধন নাম দিছে। আদিতে সকলো মানুহৰ চৰিত্ৰ বেয়া থাকে, পাচত জ্ঞান বুদ্ধি উপজিলে তাক শুধৰাই লয়। কিন্তু বেয়াক ভাল কৰা বা অপবিত্ৰক পবিত্ৰ কৰা বৰ টান কথা। আৰম্ভতে সজ বাট লগাই দিবলৈ উজু, কিন্তু অসজ বাটত চলি থকা মানুহক তাৰ পৰা ওভতাই অনা টান। সেই দেখি সংসাৰত সজ মানুহৰ সংখ্যাতকৈ অসজ মানুহৰ সংখ্যা সৰহ। আগৰ পৰা অসজ পথত প্ৰবৰ্ত্তাৰ নিমিত্তে তাত মানুহৰ ৰাপ জন্মে, পাচত জ্ঞানৰ পোহৰত তাৰ কুন্ধচালি দেখিলেও সিহঁতে তাক এৰি দিব নোৱাৰে। এতেকে কোমল বয়সতে চৰিত্ৰ শুধৰাই নল'লে, পাচত শুধৰোৱা টান হয়। কোমলতে ভাঁজ দিলেহে বস্তুৱে ভাঁজ লয়। যি মানুহে কুকাম কৰি কৰি হাড় পকাইছে তাৰ চৰিত্ৰ সংশোধন কৰা কদাপি সম্ভৱ নহয়।

দয়া

আগত কোৱা হৈছে যে মানুহৰ মনত দুই শ্ৰেণীৰ বৃত্তি আছে। তাৰে এক শ্ৰেণীৰ বৃত্তিবোৰ দুষ্ট, সেই নিমিত্তে সিহঁতক ৰিপু বোলে। আন শ্ৰেণীৰ বোৰ সজ, সেই নিমিত্তে সিহঁতক গুণ বোলে। দুষ্ট বৃত্তিবোৰৰ বিষয়ে আন ঠাইত আলোচনা কৰা যাব। ইয়াত কেৱল সজ বৃত্তিবোৰৰ গুণাগুণ বিচাৰ কৰা হ'ব। সজ বৃত্তিবোৰৰ ভিতৰত দয়া মুখিয়াল। মনৰ মামৰ গুচাবলৈ দয়াৰ নিচিনা দৰব নাই। দয়া কপট অন্তকাৰীৰ পৰম ঔষধ। ই কূৰ্চ্চুট কপট আদি মলি পখালি মানুহৰ চিত নিকা কৰে। দয়াৰ প্ৰথম কাৰ্য্য মানুহৰ আপোন পৰিয়ালত দেখা দিয়ে। পিতৃ-মাতৃ, ভাই-ভনী, আৰু সন্তান-সন্ততিলৈ সকলো মানুহৰেই মৰম লাগে। মৰম এটা দয়াৰ কাৰ্য্য। কিন্তু এই পৰিমাণ দয়াৰে পৃথিৱীত কোনো ডাঙৰ কাম নিসিজে। ল'ৰা-ছোৱালী বা ভাই-ভনীলৈ মৰম লগা এটা প্ৰকৃতিৰ নিয়ম। এই নিয়মৰ গুণত জীৱজগত চিৰকাল চলি আছে। ই ক্ষীণ দয়া। এই পৰিমাণ দয়া পশু-পক্ষীৰ ভিতৰতো আছে। চৰিত্ৰ গঠন কৰোঁতে ইয়াৰ পৰা বিশেষ সহায় পোৱা নাযায়। চৰিত্ৰ গঠন কাৰ্য্যত লগাব লাগিলে দয়া কৰ্ষণ কৰি বঢ়াই ল'ব লাগে। সংসাৰ যিমান ডাঙৰ, সাংসাৰিক উন্নতি বাঞ্ছা কৰা মানুহৰ দয়াও সিমান ডাঙৰ হ'ব লাগে অৰ্থাৎ জগতবাসী সকলো জীৱ-জন্তুৰ প্ৰতি তাৰ দয়া জন্মিব লাগে।

দয়া এটা মনৰ গুণ, সি মনত উদয় হয়। দুখ লগা কথা দেখা পালে মানুহৰ মনত দয়া ওপজে। কিন্তু মনত উপজি মনত মাৰ গ'লে সেই দয়াৰ পৰা কোনো ফলোদয় নহয়। যি দয়াৰ পৰা কৰ্ম্মৰ অভিলাষ জন্মে, সেয়ে আচল কাৰ্য্যকৰী দয়া। কোনো মানুহৰ দুখ দেখিলে তাক গুচাবলৈ দয়াই তোমাক দণ্ডি কৰিব লাগে। দয়াৰ দণ্ডিত কিছুমান মানুহে গোটেই জীৱন পুৰুষাৰ্থ কৰি পুৰণি কালৰ গোলাম বন্দীক মুক্তি কৰিছে। এতিয়াও বন্দীয়াৰবিলাকৰ দুখ দেখি কিছুমান মানুহে ফাটকৰ নিয়ম-প্ৰণালী পৰিবৰ্ত্তন কৰাবলৈ চেষ্টা কৰিব লাগিছে। আগেয়ে গৰু-মহ আদি পশুবোৰক মানুহে অশেষ কষ্ট দি বাইছিল এতিয়া দয়ালু মানুহৰ পুৰুষাৰ্থত অমাত পশুৰ দুখ গুচিছে। আজিকালি গৰু-মহ বা হাঁহ-পাৰক দুখ দিলে ৰাজঘৰত জগৰীয়া হ'ব লাগে। আগৰ কালত ভাৰতবৰ্ষত পোহনীয়া পশুৰ চিকিৎসালয় আছিল তাত

গৰাকী নোহোঁৱা ৰুগীয়া গৰু ছাগলীক চিকিৎসা কৰি ভাল কৰিছিল। এইবোৰ ব্যৱস্থা সংসাৰ ব্যাপী দয়াৰ ফল। দয়া নামনিলৈ বয়, অৰ্থাৎ তোমাতকৈ যি হীন তালৈ তোমাৰ দয়া ওপজে। ল'ৰা মানুহলৈ বয়সীয়া মানুহৰ মৰম লাগে, কাৰণ ল'ৰা বয়সীয়াতকৈ বয়সত হীন, দুখীয়া মানুহলৈ ধনী মানুহৰ মৰম লাগে, কাৰণ দুখীয়া ধনীতকৈ ধনত হীন।

দয়া গুণৰ উদ্‌গতি সাধিব লাগিলে ক্ষমা গুণ কৰ্ষণ কৰিব লাগে; ক্ষমা কৰিবলৈ শিকিলে দয়া কৰিবলৈ শিকা হয়। কোনোবাই তোমাৰ অহিত কৰিলে ঘূৰাই তাৰ অহিত কৰিবলৈ মন যায়, তেতিয়া মনক সামৰি ৰাখিলেই ক্ষমা কৰা হয়। আনে কৰা অপকাৰৰ প্ৰতিশোধ ল'বকৈ ইচ্ছা কৰা গৰ্হিত কাম। প্ৰতিশোধ হিংসাৰ আন এটা নাম মাথোন। প্ৰতিশোধৰ ভাব মনত সোমালে মন কলঙ্কিত হয়। প্ৰতিশোধ ল'লে সি পক্ষৰ হিংসা বাঢ়ি যায় আৰু ভৱিষ্যত মিলৰ মূৰ মৰে। বৈৰী দমনৰ অমোঘ অস্ত্ৰ ক্ষমা। বহুতে বিবেচনা কৰে যে হিংসাৰ সলনি হিংসা নকৰিলে হিংসকে লাই পায়। এই বিশ্বাস ভুল। হিংসাৰ প্ৰতিশোধ নলৈ ক্ষমা কৰিলে হিংসকে লাজ পায়, আৰু তাৰ হিংসাৰ তেজ কমি যায়। আনৰ অহিত চিন্তা কৰা অজ্ঞানীৰ কাম, তাৰ পোটক তুলিবলৈ চেষ্টা কৰিলে নিজকো অজ্ঞানী বুলি চিনাকি দিয়া হয়। বিশেষতঃ খিয়লীয়াৰ লগত খিয়লীয়া আৰু কপটীয়াৰ লগত কপটীয়া হ'লে চৰিত্ৰ কদাপি সংশোধন কৰিব নোৱাৰি।

তুমি আনৰ অহিত নকৰিলে আনে তোমাৰ অহিত নকৰে, ই ধুৰুপ কথা। এতেকে জানিব লাগে যে আনৰ বৈৰী ভাবৰ হেতু তোমাৰ গাত আছে, অৰ্থাৎ তোমাৰ কাৰ্য্যৰ নিমিত্তে আন জন তোমাৰ বৈৰী হয়। তুমি জ্ঞান পক্ষে কাৰো অহিত নকৰিলেও তোমাৰ কাৰ্য্যৰ পৰা যদি কাৰো অহিত হয়, তেনে হলেও সি তোমাৰ প্ৰতি কুপিত হয়। আচল কথা জানিলে তাৰ কোপ গুচিব পাৰে, কিন্তু কুপিত মানুহে তালৈ অপেক্ষা নকৰি হঠাৎ এটা কৰি আঁতায়। ই অৱশ্যে অজ্ঞানীৰ কাম। সেই দেখি ইয়াক ধৰা উচিত নহয়। অজ্ঞানীৰ অপৰাধ ক্ষমা কৰা যুগুত বুলি সকলো শাস্ত্ৰত কয়।

ন্যায়শীলতা

ন্যায়ৱন্ত মানুহ শিলৰ খুটিৰ নিচিনা, তাক আনৰ কাৰ্য্যাকাৰ্য্যই বা নিজৰ ইচ্ছা বাঞ্চাই অলপো লৰাব নোৱাৰে। সি নিজৰ হিতাহিত আওকাণ কৰি নানা বিঘিনি ঠেলি থৈ ন্যায়ৰ পথত আগ বাঢ়ে। নিজে বিপদও পৰিও ন্যায়ৱন্ত মানুহে ন্যায় ৰক্ষা কৰিবলৈ সাজু হয়। অন্যায় পথেৰে সি শক্ৰুকো আক্ৰমণ নকৰে। ন্যায় ৰক্ষা কৰিবলৈ সি কেতিয়াবা পৰম বন্ধুৰ প্ৰতিও নিকৰুণ হয়, আৰু কেতিয়াবা পৰম শত্ৰুৰ প্ৰতিও দয়ালু হয়। সেই দেখি মানুহে কয় যে অন্যায়ত চলা বন্ধুতকৈ ন্যায়ত চলা শত্ৰুও ভাল। ন্যায়শীল মানুহৰ কাম সাধাৰণ মানুহৰ মনত অদ্ভুত যেন লাগে; কাৰণ সিহঁতৰ ব্যৱহাৰৰ লগত তাৰ ব্যৱহাৰ নিমিলে। সাধাৰণ মানুহৰ কামবিলাক স্বাৰ্থই চালনা কৰে, অৰ্থাৎ সিহঁতে নিজৰ লাভালাভলৈ চাই কাম কৰে। ন্যায়ৱন্ত মানুহৰ ৰীতি তেনেকুৱা নহয়; তাৰ কামবিলাক ন্যায়মূলক, ন্যায়সঙ্গত নহ'লে স্বাৰ্থও তাৰ বিবেচনাৰ বস্তু নহয়। সাধাৰণ মানুহৰ মনত নিজৰ হক প্ৰথম, কিন্তু ন্যায়ৱন্ত মানুহৰ মনত ন্যায়হে প্ৰথম। সাধাৰণ মানুহে নিজৰ হক ৰক্ষা কৰিবলৈ ন্যায় অন্যায়ৰ বিবেচনা এৰে, কিন্তু ন্যায়ৱন্ত মানুহে ন্যায় ৰক্ষা কৰিবলৈ নিজৰ হক এৰে। সেই দেখি সাধাৰণ শ্ৰেণীৰ মানুহে ন্যায়ৱন্ত মানুহক অপদাৰ্থ যেন বিবেচনা কৰে। সি উচিত অনুচিত বোধৰ পৰা হক এৰিলেও সাধাৰণ মানুহে ভয়ৰ নিমিত্তে বা ক্ষমতা নোহোৱাৰ নিমিত্তে এৰা বুলি বিবেচনা কৰে।

ন্যায়ৱন্ত মানুহ তৰ্জুৰ নিচিনা। তাৰ মনত খুদ পৰিমাণ প্ৰভেদো ডাঙ্গৰ প্ৰভেদ। সি কোনো কথাকেই সৰু বুলি উলাই নকৰে, বৰং সৰু কথাৰো ডাঙ্গৰ অৰ্থ আছে বুলিহে ভাবে। সেই দেখি ন্যায়ৱন্ত মানুহে সৰু বৰ সকলো ৰকম কথাকে বিবেচনা কৰি চায়। বহুত মানুহৰ মনৰ ওপৰত ডাঙ্গৰ নামৰ অতুল ক্ষমতা। সিহঁতৰ বিবেচনাত ডাঙৰ মানুহৰ কথা শিৰোধাৰ্য্য। কিন্তু ন্যায়ৱন্ত মানুহৰ বিবেচনা তেনেকুৱা নহয়। নামৰ জেউতিয়ে তাৰ চকুত চমক লগাব নোৱাৰে। তাৰ মনত প্ৰসিদ্ধ পণ্ডিত বা প্ৰবল ধনীৰ কথা যেনে বিবেচনাৰ যোগ্য, মূৰ্খ বা দৰিদ্ৰৰ কথাও তেনে বিবেচনাৰ যোগ্য। সি সমনীয়া মানুহৰ আগত যেনে নিৰ্ভয়ে উচিত কথা কয়, ডাঙ্গৰ মানুহৰ আগতো সেইদৰে নিৰ্ভয়ে উচিত কথা কয়। মূৰ্খ ৰজাৰ আগত উচিত

কথা কৈ সময়ে সময়ে ন্যায়ৱন্ত মানুহে প্ৰাণ হেৰুৱাইছে। পানী গোট মাৰি শিল যেন হয়, এই কথা শ্যাম দেশৰ ৰজাৰ আগত কোৱাত চাউডাঙ্গৰ হাতত এজনৰ মূৰ গৈছিল। ন্যায়ৱন্ত মানুহে তাৰ নিজৰ ক্ষমতাৰো জোখ জানে, আৰু আনৰ ক্ষমতাৰো জোখ লয়। সি সম্পদত অহঙ্কাৰী বা দুখত সেও নহয়। তাৰ স্বভাৱ সৰ্ব্বতি কাল গম্ভীৰ আৰু মৃদু।

ভুল হ'লে সৈ কঢ়া ন্যায়ৱন্তৰ ঘাই লক্ষণ। ভুল লুকাই ৰাখিলে তাক পুহি ৰখা যেন হয়, আৰু বাৰে বাৰে তাৰ ফল ভুঞ্জিব লাগে। কিন্তু ভুল ধৰা পৰিলে নিন্দা হয়, সেই দেখি সাধাৰণ মানুহে ভুল ঢাকিবলৈ যত্ন কৰে, আৰু আনে দেখুৱাই দিলেও বেয়া পায়। এই বিষয়ে ন্যায়শীল মানুহৰ বিবেচনা বেলেগ। ভুলৰ বাছি দিলে সি তাক পৰম উপকাৰ কৰা বুলি ভাবে। অনভিজ্ঞতাও ভুলৰ নিচিনা, তাকো মানুহে লুকাই ৰাখিব খোজে। কিন্তু ন্যায়শীল মানুহে যেনেকৈ ভুল লুকাই নাৰাখে সেইদৰে অনভিজ্ঞতাও লুকাই নাৰাখে। ভুল বা অনভিজ্ঞতা প্ৰকাশ কৰাত লোকে লাজ দিলে সি তালৈ কাণ নকৰে। তেনে লাজ সি ভুল আৰু অনভিজ্ঞতাৰ অখণ্ডনীয় ফল বুলি ধৰে। ল'ৰাই শিক্ষা কৰোঁতে অধ্যাপকৰ শাস্তি ভুঞ্জে, ন্যায়ৱন্ত মানুহে ইয়াকো অধ্যাপকৰ শাস্তি বুলি বিবেচনা কৰে। ক্ষন্তেকীয়া লাজৰ ভয়ত চিৰকাল অনভিজ্ঞ হৈ থকাতকৈ অনভিজ্ঞতা বিদিত কৰি অভিজ্ঞতা লাভ কৰা হাজাৰ গুণে শ্ৰেয়স্। নিজক পণ্ডিত বুলি ভাবিলে ভুল স্বীকাৰ কৰিবলৈ লাজ লাগে। সেই দেখি ন্যায়ৱন্ত মানুহে নিজক কেতিয়াও অভ্ৰান্ত পণ্ডিত বুলি নাভাবে।

মানুহৰ মনত ন্যায় অন্যায় বোধ আদিৰ পৰা আছে। সেই দেখি, সাধাৰণ বিষয়ত সকলোৰে ন্যায় অন্যায় বুজিব পাৰে। কিন্তু কিছুমান মানুহে নিজৰ হৃদবোধ মতে নচলে। লোভ মোহ যদি কুপ্ৰবৃত্তিবোৰৰ দণ্ডিত সিহঁতে নিজৰ বুজক ঠেলি থৈ অন্যায় পথত ভৰি দিয়ে, আৰু সেইবাবে মনত বেয়া লাগিলে নানাবিধ বিপৰ্য্যায় যুক্তিৰে মনক বোধাই ৰাখে। নিৰ্জু পহুবোৰক বধ কৰা অন্যায় বুলি সকলোৰে হৃদবোধ আছে; কিন্তু এজন মৃগয়াপ্ৰিয় ৰজাই পহু মাৰিবলৈ মনক এইদৰে উদ্‌গাইছিল যে পহুবোৰে তেওঁৰ বিলাস কাননৰ গছ, লতা, ফল, ফুল খাই সদায় উপদ্ৰৱ কৰে, এতেকে সিহঁতক মৰা অন্যায় নহয়। মনক এইদৰে বুজনি দিয়া অনুচিত। ইয়াক আত্মছলন বুলিব পাৰি। মনে পহু মৰা কাম বেয়া বুলি কৈ দিয়াতো, তালৈ কটাক্ষ নকৰি সেই মনক আকৌ ছলিবলৈ এইদৰে বিপৰীত যুক্তি

দেখুৱালে তাক অন্যায় কাম সহিবলৈ শিকোৱা হয়। ই বিপৰ্য্যয় শিক্ষা। এনেকুৱা শিক্ষাৰ পৰা মানুহৰ ন্যায় অন্যায় জ্ঞান ভোতোহা হয়। ন্যায়শীল মানুহে মনক কেতিয়াও এনে শিক্ষা নিদিয়ে।

অন্যায় কাম নকৰিলেই মানুহক ন্যায়ৱন্ত বুলিব নোৱাৰি। কাৰণ বহুত অন্যায়প্ৰিয় মানুহেও সমাজদণ্ড বা ৰাজদণ্ডৰ ভয়ত অন্যায় কামৰ পৰা আঁতৰ হৈ থাকে। এই শ্ৰেণীৰ মানুহত সঁজাত নাই। ইহঁত সংসাৰৰ বহুৰূপী। ইহঁত এক সময়ত সন্ত শিষ্ট, আৰু এক সময়ত দুৰ্ঘোৰ পাষণ্ড হয়। সুচল পালেই ইহঁতে স্বৰূপ ধৰি অন্যায় কামত হাত দিয়ে। যি কেৱল দণ্ডৰ ভয়ত অন্যায় নকৰে তাৰ চৰিত্ৰ সংশোধন হোৱা বুলি ধৰিব নোৱাৰি। চৰিত্ৰ অন্তৰাত্মাৰ গুণ। অন্তৰৰ পৰা অন্যায়ৰ অভিলাষ নুগুচিলে চৰিত্ৰ কেতিয়াও নিৰ্ম্মল নহয়। অন্যায়লৈ আন্তৰিক ঘৃণা, আৰু ন্যায়লৈ আন্তৰিক আগ্ৰহ জন্মিলেহে চৰিত্ৰ নিৰ্ম্মল হয়।

ক্ৰোধ

কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য্য এই ছটা মানুহৰ লগত ওপজা দুষ্ট প্ৰবৃত্তি। ইহঁত স্বভাৱতে বৰ বলী। ইহঁতৰ দণ্ডিত মানুহে অকাম কৰি বিপদত পৰে! কোনোৱে কামৰ দণ্ডিত কুকাম কৰি ৰাইজৰ গৰিহনা খায়। কোনোৱে ক্ৰোধৰ দণ্ডিত আনৰ প্ৰাণ বধ কৰি নিজে চিপজৰিত প্ৰাণ এৰে, কোনোৱে লোভৰ দণ্ডিত পৰৰ ধন চুৰ কৰি বন্দী শালত বন্দী হয়। ইত্যাদি ক্ৰমে দুষ্ট প্ৰবৃত্তিবোৰৰ নিমিত্তে মানুহে সংসাৰত অশেষ ক্লেশ ভোগ কৰে। সেই দেখি ইহঁতে ৰিপু নাম পাইছে। ক্ৰোধ মানুহৰ এটা পৰম ৰিপু। ইয়াৰ পৰা মানুহে হিতাহিত জ্ঞান হেৰুৱায়। ক্ৰোধত মানুহে নক'ব লগীয়া কয়, আৰু নকৰিব লগীয়া কৰে, আৰু উগ্ৰ ক্ৰোধত মনুষ্যত্ব লোপ হৈ মানুহৰ পশুত্ব সজাগ হয়। ক্ৰোধ ৰোগৰ নিচিনা। ৰোগ হ'লৈ মানুহৰ অশান্তি হয়, গা ছটফট কৰে, আৰু মুখ বিকৃতি হয়। সেইদৰে ক্ৰোধতো মনত অশান্তি ওপজে, গাৰ কঁপনি উঠে, কাণ আৰু চকু ৰঙ্গা পৰে, তেজ তপত হয়, আৰু শিৰবোৰ টনটনীয়া হৈ ফিন্দ খাই উঠে। ক্ৰোধৰ মূৰ্ত্তি ভয়ঙ্কৰ। বিতোপন মনুষ্য মূৰ্ত্তি ক্ৰোধত এনে বিকট হয় যে তাক দেখিলে দেখোঁতাৰ মনত ভয়ো লাগে

লাজো লাগে। এই নিমিত্তে এজন পণ্ডিতে কৈছে যে খং উঠা মানুহৰ আগত এখন আৰ্চী ধৰিব লাগে, তেনেহলে সেই আৰ্চীত সি তাৰ ৰাক্ষসী মূৰ্ত্তি দেখি লাজ পাব, আৰু লাজ পালে তাৰ খঙো জিমাব। কেচুৱা ল'ৰাই খঙত জেউৰ ধৰিলে তাক আৰ্চী দেখুৱাব লাগে, তেনেহলে সি কান্দন এৰিব।

ক্ৰোধ উদয় হ'লে, মানুহে গাত খং উঠা বুলি কয়। খং দৰাচলতে গাত উঠে, অৰ্থাৎ বলী মানুহে যেনেকৈ নিৰ্ব্বলীক গবা মাৰি ধৰে, সেইদৰে খঙেও মানুহক গবা মাৰি ধৰে আৰু শৰীৰটো চেপি খুন্দি মোহাৰি জুনজুনীয়া কৰে। খঙৰ একোটা আক্ৰমণে গাৰ তেজ, মঙহ, শিৰ আদি সঁজুলিবোৰ মথি পেলায়। সেই নিমিত্তে বৰ খঙৰ পাচত মানুহৰ ভাগৰ লাগে। ল'ৰাবোৰ খঙত কান্দি কান্দি পাচত টোপনি যায়। ইয়াৰ পৰা বুজিব পাৰি যে খং উঠিলে শৰীৰৰ ভিতৰত এটা ধুমুহা বয়, আৰু সেই ধুমুহাত জোকাৰ খাই শৰীৰৰ সঁজুলিবোৰ থান্ থান্ বান্ বান্ হৈ পৰে। এনেকুৱা ভিতৰুৱা হুলস্থূলৰ পৰা যে শৰীৰৰ অপকাৰ হয় তাৰ কোনো সন্দেহ নাই।

খং উঠাৰ বহুত কাৰণ আছে। আনে অপকাৰ কৰিলে খং উঠে, গাত দুখ দিলে খং উঠে, অপমান কৰিলেও খং উঠে। এইবিলাক খঙৰ ডাঙৰ ডাঙৰ কাৰণ। এনে বিধৰ কাৰণ সদায় উপস্থিত নহয়। এইবিলাকেই মাথোন খং উঠাৰ কাৰণ হোৱাহেঁতেন জীৱনত দুই চাৰি দিনহে মানুহৰ খং উঠিবলৈ পালেহেঁতেন। সৰহ ভাগ খঙৰ কাৰণ আমনি। আমনি সহিব পাৰিলে তাৰ বহুত আক্ৰমণ এৰাব পাৰি। কোনো কোনো মানুহৰ যে অলপতে খং উঠে ই কেৱল আমনি সহিব নোৱাৰাৰ ফল। উন্নতি বিচৰা মানুহে এনেকুৱা স্বভাৱ শুধৰাই লোৱা উচিত, নাইবা উন্নতিৰ বাটত অগুৱাবলৈ টান হয়। উন্নতিৰ বাটত থাকিলে অনেক সময়ত অনেক টান কামৰ ভাৰ পৰে, বা এটা কামকে কেইবাবাৰো কৰিব লগীয়া হয়, বা একে সময়তে অনেক ৰকম কামে জুমুৰি দি ধৰে, তেতিয়া বিৰক্ত হৈ কাম এৰিলে উন্নতিৰ চেষ্টা বিফল হয়। জাজ জঞ্জাল, আমনি আহুকাল উন্নতিৰ এটা ঘাই অঙ্গ। যি উন্নতিৰ পথত চলে, সি ইহঁতক পিন্ধনৰ বস্ত্ৰ যেন জ্ঞান কৰিব লাগে। ৰাজমন্ত্ৰী আৰু সেনাপতিসকলে দিনে নিশায় নানা বিধ টান টান সমস্যা খণ্ডন কৰিব লাগিছে, তথাপি তেওঁবিলাকৰ আমনি নাই। আমনিবোধ অভ্যাসত কমে, অৰ্থাৎ অভ্যাস কৰিলে মানুহে আমনি সহিব পৰা হয়। যি মানুহে মুঠে আমনি সহিব নোৱাৰে, সিও বহু পৰিয়ালী ঘৰত থাকিলে অনুক্ৰমে সহিব পৰা হয়।

খঙ্গে যদিও মানুহৰ অপকাৰ কৰে, তাৰ দ্বাৰা যে কোনো উপকাৰ নহয় এনে কথা কব নোৱাৰি। খং ৰিপু হ'লেও তাৰ সজ ব্যৱহাৰ আছে। কিন্তু সজ ব্যৱহাৰত লগাব লাগিলে আগে তাক বশ কৰি ল'ব লাগে। হাতীক বশ কৰি নললে কামত লগাব নোৱাৰি। সেই দেখি মানুহে হাতী পুহি বশ কৰে, আৰু তাৰ মইমতালি ভাঙ্গিবলৈ গজাকোঁহ ব্যৱহাৰ কৰে। খঙ্গো হাতীৰ নিচিনা উদণ্ড, তাকো আগে বশ কৰি নললে ভাল কামত লগাব নোৱাৰি। সেই দেখি উন্নতি বিচৰা মানুহে খঙ্গক ইচ্ছামতে চলাবলৈ শিকিব লাগে। গহীন স্বভাৱৰ মানুহক খঙ্গে কেতিয়াও উদ্‌বাউল কৰিব নোৱাৰে, গহীনালি খঙ্গৰ বাধক। এতেকে গহীন হ'বলৈ শিকিলে খং দমাবলৈ শিকা হয়।

খঙ্গৰ কথাবোৰ মনত আলচি থকা উচিত নহয়। আলচি থাকিলে খঙ্গৰ তেজ বাঢ়ে। খং উঠিলে তাৰ কাৰণ বন্ধুবান্ধৱক ভাঙ্গি কোৱা উচিত, তেনেহলে খং বাঢ়িবৰ আশঙ্কা নাথাকে। খং লুকাই থোৱা উচিত নহয়, লুকাই থোৱা খং লুকাই থকা শত্ৰুৰ নিচিনা। সি কেতিয়াবা হঠাৎ অমূৰ্ত্তক হৈ ওলায়, আৰু মানুহৰ নথৈ অপকাৰ কৰে।

কোনো কোনো মানুহে আগপাচ নুগুণি খঙ্গৰ বেগত হঠাৎ এটা অকাম কৰি চিৰকাল তাৰ ফল ভোগ কৰে। কোনোৱে ঘৰৰ বয়-বস্তু ভাঙ্গি-ছিঙ্গি খাস্তাং কৰি পাচত কপাল ভুকুৱাই কান্দে, কোনোৱে নকব লগীয়া কথা কৈ নিজৰ বিপদ নিজে মাতি আনে। ইত্যাদি ক্ৰমে বহুত মানুহে হঠাৎ উঠা খঙ্গৰ দণ্ডিত নকব লগীয়া কৈ বা নকৰিবলগীয়া কৰি সংসাৰত অনেক দুঃখ কষ্ট ভোগ কৰে। সেই দেখি এজন পণ্ডিতে কৈ গৈছে যে খঙ্গৰ সময়ত লেখি নটা ঢোক নমৰাকৈ কোনো কথা কোৱা বা কোনো কাম কৰা উচিত নহয়।

লোভ

ক্ৰোধৰ নিচিনা লোভৰো দুৰ্জ্জয় প্ৰতাপ। ক্ৰোধে যেনেকৈ মানুহক বিপদত পেলায়, লোভেও সেইদৰে বিপদত পেলায়। কিন্তু ক্ৰোধৰ নিচিনা ই মানুহৰ হিতাহিত জ্ঞান লোপ নকৰে। ক্ৰোধত মানুহ বাউল হয়, উচিত অনুচিত বিচাৰ

কৰিবৰ শক্তি হেৰুৱায়। লুভীয়া মানুহ বাউল নহয়, সি কোনটো উচিত আৰু কোনটো অনুচিত সুন্দৰ ৰূপে বাছিব পাৰে। ক্ৰোধত মানুহে যেনেকুৱাবোৰ কৰে, লোভতো প্ৰায় তেনেকুৱাবোৰকেই কৰে, কিন্তু সিহঁতৰ কামৰ প্ৰণালীৰ ভিন ভাৱ আছে। খং উঠা মানুহে কৰ্ম্মৰ ভবিষ্যৎ ফলাফল বিবেচনা নকৰাকৈ কাম কৰে, কিন্তু লুভীয়াই ফলাফল বিবেচনা কৰি, তাৰ পৰা সাৰিবৰ ফান্দ সাজি লৈ কামত হাত দিয়ে। এতেকে দেখা যায় যে ক্ৰোধতকৈ লোভ বেছি অনিষ্টকৰ ৰিপু।

আন এজন মানুহে তোমাৰ আগত কোনো অন্যায় কাম নকৰিলে, বা তোমাক হিংসা বা অপমান নকৰিলে তোমাৰ খং নুঠে। এই কথাৰ পৰা বুজা যে এজনৰ খঙৰ হেতু আন এজনৰ কৰ্ম্মত থাকে। এতেকে খঙৰ আক্ৰমণ এৰাব খুজিলে আনৰ অন্যায় কামৰ পৰা বা হিংসাৰ পৰা আঁতৰ হৈ থাকিলেই এৰাব পাৰি। কিন্তু লোভ ৰিপুৰ প্ৰকৃতি তেনেকুৱা নহয়, আন মানুহে উদ্গাই নিদিলেও সি আপোনা আপুনি উদ্ভৱ হয়। চমুকৈ ক'ব লাগিলে লোভৰ হেতু লুভীয়াৰ গাতেই থাকে। এই দেখি যিবোৰ উপায়েৰে ক্ৰোধ গুচাব পাৰি, সেইবোৰ উপায়েৰে লোভ গুচাব নোৱাৰি। লোভ ৰিপুৰ প্ৰকৃতি অতিশয় বেয়া, আৰু সি মনুষ্যৰ চৰিত্ৰৰ গুৰুতৰ ঘুণ।

খং উঠিলে তাৰ চিন বাজত ওলায়। সেই দেখি খং উঠা মানুহক দেখিলেই চিনিব পাৰি, আৰু তাৰ উপদ্ৰব অত্যাচাৰৰ হাত এৰাবলৈ উপায় কৰিব পাৰি। কিন্তু লুভীয়াৰ হাতৰ পৰা সেইদৰে সৰা টান কথা। লোভৰ চিন প্ৰকাশ নহয়। লোভৰ কাম কৰি ধৰা নপৰিলে লুভীয়াক চিনিব নোৱাৰি। খং উঠা মানুহে আনৰ বেয়া কৰিব লাগিলে প্ৰায় সদৰীকৈ কৰে, কিন্তু লুভীয়াই সেইদৰে নকৰে। সিহঁতে ফাং পাতি বা ভাগুনা কৰিহে আনৰ বেয়া কৰে।

লোভ বৰ বলৱন্ত ৰিপু। তাৰ দণ্ডিত পৰি পৃথিৱীৰ বহুত মানুহে নিকাৰ ভুঞ্জে, আৰু আনকো ভুঞ্জায়। ইয়াক সেও কৰিবৰ উপায় অকল জ্ঞান। কিন্তু কেতিয়াবা জ্ঞানকো হৰুৱাই সি ওপৰ উঠে, জ্ঞানৰ উজ্জ্বল পোহৰতো চকুত ধূলি দি মানুহক লটিঘটি কৰে। যি মানুহে জন্মৰ পৰা পবিত্ৰ ভাৱে জীৱন কটাই আহিছে সিও কেতিয়াবা লোভৰ ভেলেকীত পৰি জ্ঞান পাহৰে, আৰু কুকাম কৰি কাললৈ কুখ্যাতি থয়। সেই দেখি জ্ঞানক লোভ দমনৰ অমোঘ অস্ত্ৰ বুলি ভাবিব নালাগে। জ্ঞানৰ লগে লগে নানা ৰকম কৌশল কৰিহে লোভক দমাব পাৰি। নিৰ্ব্বলীয়ে বলীক কৌশলেৰে পৰাজয় কৰে।

বাঞ্ছাৰ বস্তুৰ অভাৱ নাটনি হ'লে মানুহৰ মনত লোভ দেখা দিয়ে আৰু সেই বস্তুটো পালে মনত যেনে ৰং লাগিব, তাক আলচি থাকিলে লোভৰ তেজ বাঢ়ি যায়। লোভ দমাই ৰাখিবলৈ ইচ্ছা কৰিলে তেনেকুৱা কথা মনত পাগুলি থকা উচিত নহয়। লোভ বৃত্তি নিদ্ৰিত অৱস্থাত থাকে, কিন্তু লুভীয়া বস্তু দেখিলে সি সজাগৰ হয়, আৰু তাৰ ক্ষমতা চলাবলৈ আৰম্ভ কৰে। এতেকে লুভীয়া বস্তুৰ পৰা আঁতৰি থাকিলে লোভে বৰ বল কৰিব নোৱাৰে। কিন্তু লুভীয়া বস্তুৰ পৰা সততে আঁতৰি থকা সম্ভৱ নহয়; সংসাৰ কেৱল প্ৰলোভনময়; মাজে সময়ে প্ৰলোভনৰ হাতত নপৰাকৈ কোনেও সাৰিব নোৱাৰে। বিশেষত লোভৰ পৰা পলাই ফুৰিলে তাক দমন কৰিব নোৱাৰি; কেতিয়াবা দেখাদেখি হ'লে সি নথৈ বিকৰ্থনা কৰিব। শত্ৰুক দমাব খুজিলে তাৰ লগত সমুখ সমৰ পাতিব লাগে। সমুখ সমৰত হাৰিলেহে শত্ৰুৱে ভয় খায় আৰু দুনাই ফেৰ নাপাতে। কিন্তু সেই বুলি প্ৰলোভন বিচাৰি ফুৰাও যুগুত নহয়।

লোভ বৃত্তি একেবাৰে নিৰ্ম্মূল কৰা অসম্ভৱ, আৰু সংসাৰ যাত্ৰীৰ পক্ষে উচিতো নহয়। ক্ৰোধৰ নিচিনা লোভৰো সজ ব্যৱহাৰ আছে। নিলুভীয়া মানুহে সংসাৰত উদ্‌গতি কৰিব নোৱাৰে। তেনেকুৱা মানুহ কেৱল প্ৰাণ ৰক্ষাৰ সম্বল গোট খালেই সন্তুষ্ট হয়, বেচিলৈ অভিলাষ নকৰে। কিন্তু লুভীয়া মানুহৰ স্বভাৱ বেলেগ, তাৰ অভিলাষ ডাঙৰ, আৰু সেই অভিলাষ পূৰণ কৰিবলৈ সি আঠো পৰে পুৰুষাৰ্থ কৰে।

অহঙ্কাৰ

নিজে ডাঙৰ আনবিলাক সৰু, বা নিজে ভাল, আনবিলাক বেয়া, এনেকুৱা ভাব মনত ৰাখি আচৰণ কৰিলে অহঙ্কাৰ কৰা হয়। আৰু নিজৰ গুণ নিজে বখানিলেও অহঙ্কাৰ কৰা হয়। অহঙ্কাৰ এটা স্বভাৱৰ ঘুণ। যাৰ স্বভাৱত এই ঘুণ জন্মিছে সি নিজৰ সামান্য গুণকো বৰ ডাঙৰ যেন দেখে, আৰু আনৰ ডাঙৰ গুণকো সামান্য যেন বোধ কৰে। এই নিমিত্তে অহঙ্কাৰী মানুহে নিজে কাকো প্ৰশংসা নকৰে, আৰু আনে প্ৰশংসা কৰিলেও সহিব নোৱাৰে। যি মানুহ কোনো বিষয়তেই তোমাতকৈ হীন নহয়, তাৰ আগত তোমাৰ অহঙ্কাৰ নৰজে। সেই দেখি আনৰ আগত অহঙ্কাৰ

ফলাবলৈ অহঙ্কাৰীয়ে আনৰ খুঁত বিচাৰি ফুৰে, আৰু সামান্য এটা খুঁত পালে তাকেই ওফোন্দাই ডাঙৰ কৰি অহঙ্কাৰৰ ঠেক উলিয়ায়। সি গুণীৰ গুণ লঘু কৰিবলৈ নানা ফাং পাতে। অহঙ্কাৰী মানুহৰ গাত যি এটা গুণ থাকে, সি তাকে গুণৰ প্ৰধান যেন বিবেচনা কৰে, আৰু যাৰ গাত সেই গুণ নাই তাক নিচেই অবালচন্দ বুলি ইতিকিং কৰে। অহঙ্কাৰীয়ে যদি খৰকৈ লিখিব পাৰে, তেনেহলে সি খৰকৈ লিখিব পৰা শক্তিটোক এটা প্ৰধান গুণ বুলি ভাবে, আৰু যাৰ তেনে গুণ নাই তাক অকামিলা বুলি উপালম্ভ কৰে, তাৰ আন কোনো ডাঙৰ গুণ থাকিলেও অহঙ্কাৰীয়ে তাক লেখত নধৰে।

অহঙ্কাৰী মানুহে নিজৰ দোষ সমুলি নেদেখে, আৰু আনে দেখুৱাই দিলেও তাক কদাপি মানি নলয়। নিজৰ দোষ বা ত্ৰুটি মানি লোৱা অহঙ্কাৰৰ বিপৰীত ধৰ্ম্ম, তেনে কৰিলে অহঙ্কাৰ নৰয়। সেই দেখি অহঙ্কাৰীয়ে ভাল, বেয়া নানা উপায়েৰে নিজৰ দোষ লুকাই থয়। অহঙ্কাৰীৰ পক্ষে আন লোকৰ পৰা দিহা পৰামৰ্শ লোৱাও টান কথা, কিয়নো আনৰ উপদেশ বিচাৰিলে কেতিয়াবা কেতিয়াবা নিজৰ মূঢ়ালি ওলাই পৰে। অহঙ্কাৰী মানুহ স্বভাৱতে পৰনিন্দক হয়, মুখেৰে ফুটাই নিন্দা নকৰিলেও, মনত তাৰ সদাই নিন্দাৰ ভাব থাকে।

লোকৰ প্ৰশংসা অহঙ্কাৰৰ ঘাই আহাৰ। আহাৰ নহ'লে যেনেকৈ প্ৰাণীবিলাক ৰব নোৱাৰে, সেইদৰে প্ৰশংসা নহ'লেও অহঙ্কাৰ ৰব নোৱাৰে। আনৰ পৰা প্ৰশংসা নাপালে অহংকাৰীয়ে নিজক নিজে প্ৰশংসিও তাৰ অহংকাৰক জীপ দিয়ে। অহংঙ্কাৰী মানুহে প্ৰশংসা ইমান ভাল পায় যে অজান বালকৰ প্ৰশংসাতো তাৰ বুকু ফিন্দ খাই উঠে আৰু চাটুকৰৰ চাটুকো সি আচল প্ৰশংসা যেন বিবেচনা কৰে।

দম্ভ অহঙ্কাৰ সকলোৰে অপ্ৰিয় বস্তু। দম্ভালি কথা মানুহৰ কাণত কাঁড় ফুটাদি ফুটে, তাক কোনেও সহিব নোৱাৰে। এই দেখি অহঙ্কাৰী মানুহ সকলোৰে অপ্ৰিয় হয়, আন কি নিজৰ পৰিয়ালেও তাক দেখিব নোৱাৰে। ক্ষমতাশালী অহঙ্কাৰীক অৱশ্যে মুখৰ আগত নিন্দিবলৈ কোনেও সাহ নকৰে, কিন্তু পেটে পেটে সকলোৰে তালৈ আক্ৰোশ ৰাখে, আৰু সুচল পালেই অহঙ্কাৰ চুৰ কৰিবলৈ চেষ্টা কৰে।

অহঙ্কাৰী মানুহৰ অহঙ্কাৰেই পৰম বিভূতি, তাক অটুট ৰাখিবলৈ সি সদায় চেষ্টা কৰে। অৱস্থাত দৰিদ্ৰ হলেও কথমপি সি নিজৰ ভৰকটো ৰাখি থাকে। অহঙ্কাৰীৰ মান অপমানৰ বোধো বৰ বেচি, তাৰ প্ৰতি অন্য মানুহে কেনেকুৱা আচৰণ কৰে

তালৈ সি সদায় চকু ৰাখে, আৰু অলপ বড়া টুটা হলেই খং বা অভিমান কৰে। অহঙ্কাৰীৰ ক্ষমা গুণ কম। সি এবাৰ ৰুষ্ট হলে দুনাই সন্তুষ্ট নহয়। সি কাৰো লগত জীন যাব নোৱাৰে। মান্যৱন্তক মান্য কৰাও অহঙ্কাৰীৰ স্বভাৱ নহয়, আনক মান্য কৰিলে সি নিজে লঘু হোৱা যেন বোধ কৰে ।

ৰিজনিত অহঙ্কাৰৰ উৎপত্তি। সৰুৰ লগত ডাঙ্গৰক ৰিজালে ডাঙ্গৰৰ মনত অহঙ্কাৰ হয়। তুমি যদি সামান্য ধনীও হোৱা, তথাপি মাগি খোৱা মানুহৰ তুলনাত তুমি এজন যোত্ৰৱন্ত মানুহ, মগনীয়াতকৈ তোমাৰ অৱস্থা ভাল। অৱস্থা ৰিজাঁওতে এই প্ৰভেদৰ ওপৰত চকু পৰে, আৰু তোমাৰ অৱস্থা ভাল দেখি তোমাৰ মনত অহঙ্কাৰৰ ভাব ওপজে। সেইদৰে অলপ শিক্ষা পোৱা মানুহেও সমুলি লিখা-পঢ়া নজনা মানুহৰ লগত নিজক ৰিজালে নিজে এজন পণ্ডিত বুলি তাৰ মনত গহ হয়। এতেকে ডাঙ্গৰে নিজক সৰুৰ লগত ৰিজোৱা উচিত নহয়। অহঙ্কাৰ দমাব লাগিলে সদায় ওপৰলৈ, অৰ্থাৎ নিজতকৈ ডাঙ্গৰলৈ চকু ৰাখিব লাগে। ডাঙ্গৰত চকু ৰাখিলে মনত কদাপি অহঙ্কাৰ নোপজে। অলপ শিক্ষা বা বিপৰীত শিক্ষাৰ পৰাও অহঙ্কাৰ জন্মে। যি মানুহে যথাৰ্থ শিক্ষা লাভ কৰে, তাক অহঙ্কাৰ ৰিপুৱে সেও কৰিব নোৱাৰে, কিয়নো যথাৰ্থ শিক্ষাৰ পৰা নম্ৰতাহে জন্মে, অহঙ্কাৰ নজন্মে। শিক্ষাৰ পোহৰে মন পোহৰাই দিলে তাত অহঙ্কাৰ তিষ্ঠিব নোৱাৰে। আন্ধাৰ মনতহে অহঙ্কাৰৰ বাস।

আন আন ৰিপুবোৰৰ একোটা সজ ব্যৱহাৰ দেখা যায়, কিন্তু অহঙ্কাৰৰ সজ ব্যৱহাৰ নাই। কোনো কোনো মানুহে কয় যে অহঙ্কাৰে মানুহৰ আশয় ডাঙ্গৰ কৰে, কিন্তু এই তৰ্কত যুক্তি আছে বুলি বোধ নহয়। অনেক অহঙ্কাৰী মানুহক গুপ্তভাৱে নীহ কামত লিপ্ত হোৱা দেখা যায়। ইয়াৰ বাজেও আৰু তৰ্ক শুনা যায় যে অহঙ্কাৰীয়ে আনৰ অনুগ্ৰহ লবলৈ বেয়া পায়, এই তৰ্কটোতো যুক্তি আছে যেন মনে নধৰে। লোকৰ অনুগ্ৰহ গ্ৰহণ কৰিলে নিজৰ নামত কলঙ্ক পৰে, ইয়াক শিক্ষা পোৱা মানুহ মাত্ৰেই জানে আৰু সেই দেখি সুশিক্ষিত মানুহ মাত্ৰেই লোকৰ অনুগ্ৰহ গ্ৰহণ কৰিব নোখোজে। এতেকে আনৰ অনুগ্ৰহ লব নোখোজা গুণটো অহঙ্কাৰৰ ফল বুলিব নোৱাৰি, ই সুশিক্ষাৰহে ফল।

মিছালি

মানুহে সঁচাতকৈ যে মিছা বেচি ভাল পায় ই ধুৰুৱ কথা, নাইবা পৃথিৱীত উপন্যাস বা উপকথাৰ ইমান প্ৰচলন নহ'লহেঁতেন। কিন্তু মিছা কথা নানা বিধৰ আছে আৰু প্ৰত্যেক বিধৰ অভিপ্ৰায় বেলেগ বেলেগ। কোনো মিছা মানুহক ছলিবৰ অভিপ্ৰায়ে কোৱা হয়, কোনো মিছা মানুহক ৰঞ্জিবৰ অভিপ্ৰায়ে কোৱা হয়, কোনো মিছা মানুহক হঁহুৱাবৰ অভিপ্ৰায়ে কোৱা হয়। এই সকলো বিধৰ মিছা গৰ্হিত বা দোষণীয় মিছা বুলিব নোৱাৰি। যি মিছাৰ অভিপ্ৰায় বেয়া সেই মিছাহে দোষণীয়। মানুহৰ মনোৰঞ্জন কৰিবলৈ যি মিছা কোৱা হয় তাক দোষণীয় মিছা বোলা যুগুত নহয়, ই মিছালিৰ এটা সজ ব্যৱহাৰ মাথোন। পণ্ডিতবিলাকে নিজৰ কল্পনাত নানা ৰকম ঘটনা গঢ়ি লৈ সেইবোৰক বুদ্ধি কৌশলেৰে ভালকৈ সজাই সুৱলা উপকথা ৰচনা কৰে, আৰু মানুহে সেই উপকথা শুনি বা পঢ়ি মনত তৃপ্তি পায়। এই তৃপ্তি বা এই উপকথা কোনোটোক বেয়া বুলিব নোৱাৰি, আৰু এনেকুৱা উপকথা ৰচোঁতাবিলাককো মিছলীয়া বুলি নিন্দিব নোৱাৰি। এই উপকথাৰ অভিপ্ৰায় সজ, এতেকে তাত মিছা কথাবোৰো সজ মিছা।

তৃপ্তিকৰ উপকথা ৰচিবলৈ বৰ টান। বিদ্যা বুদ্ধি নথকা মানুহে উপকথা ৰচিলে সি সুৱলা হৈ নুঠে। বুদ্ধিমন্ত মানুহেহে ভাল উপকথা ৰচিব পাৰে। পণ্ডিত মানুহৰ উপকথা আচল সঁচা কথা যেন বোধ হয়। আন আন বিধৰ মিছা কথাবোৰো উপকথা, তাকো বুদ্ধি নহলে মানুহে ভালকৈ গঢ় লগাই কব নোৱাৰে। এতেকে দেখা যায় যে মিছালি এবিধ শিক্ষাৰ ফল। অলপ শিক্ষা বা বিপৰ্য্যয় শিক্ষাৰ পৰা মানুহ মিছলীয়া হয়। সমূলি শিক্ষা নোপোৱা মানুহে মিছা কথা কব নাজানে। অশিক্ষিত অঁকা ডফলাই গঢ় লগাই মিছা কথা কব নোৱাৰে, কিন্তু সঁচা কথা কবলৈ শিক্ষাৰ বৰ প্ৰয়োজন নহয়। ইয়াৰ কাৰণ এই যে সঁচা কথা সদায় দেখা শুনা কথা, তাত নুতুন কোনো কথা যোগ দিব নালাগে বা তাৰ পৰা কোনো কথা বাদ দিবও নালাগে। এই দেখি ভেবা ভোদায়ো সঁচা কথা আঁৰ নলগাকৈ ক'ব পাৰে।

মিছা কথাৰ ঘাই হেতু অপকৰ্ম্ম। কুপ্ৰবৃত্তিৰ দণ্ডিত মানুহে অপকৰ্ম্ম কৰে, 'কিন্তু অপকৰ্ম্ম কৰিলে সমাজত অখ্যাতি হয় আৰু কেতিয়াবা ৰাজঘৰীয়া জগৰতো পৰিব

লাগে। এই দেখি মানুহে মিছা কৈ অপকৰ্ম্ম ঢাকে। অপকৰ্ম্ম মানুহৰ চৰিত্ৰৰ ছিদ্ৰ তাক মিছা কথাৰে সোপা নিদিলে চৰিত্ৰ ওলাই পৰে। মিছা কথা অপকৰ্ম্মৰ ঢাকনী, যাৰ অপকৰ্ম্মৰ সংখ্যা সৰহ তাৰ মিছা ক'বৰ হেতু সৰহ। এতেকে মিছা কথা এৰিব লাগিলে অপকৰ্ম্মৰ পৰা আঁতৰত থাকি গুপ্ত কথাৰ মূৰ মৰা উচিত।

মিছা কথাৰ প্ৰায় সকলো বিধেই গৰ্হিত, তাৰ ভিতৰত আন মানুহক বিপদত পেলাবলৈ যি মিছা কোৱা হয় সি আওগৰ্হিত; এই বিধৰ মিছাই মানুহক অনুক্ৰমে পশুৰ শ্ৰেণীলৈ নিয়ে। ঘটনাৰ মেৰত পৰি এদিন এটা মিছা কথা কোৱা বেলেগ কথা, এই বিধ মিছলীয়াৰ পুনৰ সংস্কাৰ হয়। কিন্তু যি আন লোকক বিপদত পেলাই ৰং চাবলৈ মিছা কথা কয়, তাৰ পুনৰ সংস্কাৰ নাই, তাৰ মন মিছাৰ গৰলে একেবাৰে জিনি পেলায়। চৰিত্ৰ ভাল কৰিব লাগিলে এনেকুৱা মিছাৰ পৰা দূৰতে বিদূৰ হোৱা উচিত। অপকৰ্ম্ম ঢাকিবলৈ কোৱা মিছা কথাৰ শেষ আছে, কাৰণ অপকৰ্ম্ম কৰিবলৈ এৰিলে তেনে মিছাৰ প্ৰয়োজন নোহোৱা হয়, কিন্তু ছলাহী মিছাৰ শেষ নাই। মাছৰ কণী হাজাৰ হাজাৰ, মিছাৰ কণী অলেখ। এনেকুৱা মিছাই পোৱালী পাৰে, ইয়াৰ এটা মুখৰ পৰা ওলালে শটাই পাচ ধৰে। এই বিধৰ মিছা এৰোঁ বুলি এৰিবলৈ টান, কিয়নো মিছা কথা কৈ অনেক বিপদত পেলালে আন জনৰ মনত খং উঠে, আৰু সি তাৰ পোটক তুলিবলৈ চেষ্টা কৰে, ফলত গৈ এটা সংগ্ৰাম উপস্থিত হয়। সেই সংগ্ৰামত আদিৰ মিছা ঠিক ৰাখিবলৈ অসংখ্য নতুন মিছা স্ৰজিব লগীয়া হয়। মিছা কথাৰ ঠেং চুটি, তাক আন মিছাৰে ঢোকা নিদিলে ৰব নোৱাৰে। মিছাইহে মিছাৰ বল।

কেতিয়াবা কেতিয়াবা মিছা ভাব এটাকো সঁচা কথাৰে প্ৰকাশ কৰিব পাৰি। বহুতে সত্যবাদী বোলাবলৈ এই বুদ্ধি কৰে। কিন্তু ইয়াৰ পৰা সত্য ৰক্ষা নপৰে। যাৰ আগত কথা কোৱা যায় তাৰ বিশ্বাসেই কথাটোৰ সঁচা মিছাৰ প্ৰমাণ। তোমাৰ বৰ্ণনাৰ পৰা যদি সি আচল কথাটো বুজে, তেনেহলে তুমি তাক সঁচা কথা কৈছা, যদি মিছা কথা এটা সচাঁ বুলি বুজি যায়, তেনেহলে,তুমি মিছা কথা কৈছা তোমাৰ কথা কেই আষাৰ সঁচা হ'ব পাৰে, কিন্তু সেই বুলি তোমাক সত্যবাদী বুলিব নোৱাৰি। অশ্বত্থামা হত-ইতি-গজ কাহিনী সকলোৱে জানে। এই বাক্যৰ কথা কেই আষাৰ সঁচা, কিন্তু ভাবটো মিছা। ফট্‌ফটীয়া মিছা ক'লে চৰিত্ৰৰ ওপৰত যি ফল ফলে, এইদৰে চাঁচৰি কোবাই মিছা ক'লৈও সেই ফল ফলে।

চৰিত্ৰ শুধৰণৰ অন্যান্য বাধা

চৰিত্ৰ শুধৰণিৰ বাটত বহুত ৰিপু আছে। লোভ, মোহ, অহঙ্কাৰ আদি প্ৰখ্যাত ৰিপুবিলাক বশ কৰিলেই সকলোবিলাক ৰিপু পাৰ হোৱা বুলি ভবা উচিত নহয়। সিহঁতৰ বাজেও অন্য অনেক ৰিপুৱে সেই বাট আগচি আছে। সংসাৰত উদ্গতি কৰিব খোজা মানুহে সেইবিলাক ৰিপুৰো সমুখ নোহোৱাকৈ এৰাব নোৱাৰে। সেইবিলাক ৰিপুৰ ভিতৰত বেয়া সংসৰ্গ এটা ঘাই ৰিপু। সংসাৰত মানুহে শঠ প্ৰবঞ্চক আদি মনে মুখে নিমিলা বহুত লোকৰ লগত বসতি কৰিব লাগে, আৰু সিহঁতৰ লগত বসতি কৰা বাবে কেতিয়াবা সিহঁতৰ দোষাদোষে সাধু সন্তকো পৰ্শ কৰে। দুষ্টৰ লগত সন্তৰ মৰণ, এই এটা নীতি বচন। কেৱল নিজৰ স্বভাৱ ভালকৈ ৰাখিলেই সংসাৰৰ প্ৰমাদ এৰাব নোৱাৰি, আনে কৰা অকামৰ ফলাফলে ঢুকি নোপোৱা হ'বলৈ যত্ন কৰিব লাগে। এই কথা নিচেই উজু নহয়। সংসাৰত থাকিলেই ভাল বেয়া দুয়োবিধ মানুহৰ লগত ঘনপাতল সম্বন্ধ হয়, আৰু সেই সমন্ধৰ বান্ধত পৰি ভালেও বেয়া বাটত ভৰি দিবলৈ বাধ্য হয়। মিছা কথা কোৱা এটা বেয়া কাম সেই দেখি সাধু লোকে মিছা কথা নকয়, কিন্তু কেতিয়াবা কোনো বন্ধু মানুহক তাৰ অকামৰ ফলৰ হাতৰ পৰা সৰুৱাবলৈ সাধুৱেও মিছা ক'ব লগীয়াত পৰে। অসৎ পুত্ৰক ৰক্ষা কৰিবলৈ সৎপিতৃয়েও নকৰিব লগীয়া কাম কৰা বা নক'বলগীয়া কথা কোৱা দেখা যায়। সংসাৰী মানুহক অনেক সময়ত এনে বিধৰ সঙ্কটে বাট ভেটি ধৰে আৰু কোনো জনক সজ বাটৰ পৰা ঠেলি পেলায়। উদ্গতি কৰিব খোজা মানুহে এনেবোৰ সঙ্কটৰ হাতৰ পৰা সাৰিবলৈ সদায় চেষ্টাত থকা যুগুত।

আন মানুহৰ অনুগ্ৰহ গ্ৰহণ কৰিলেও অনেক সময়ত চৰিত্ৰ শুধৰণিত বাধা জন্মে। ক্ষমতাৱন্ত বা ধনৱন্ত মানুহৰ পক্ষে অন্যক অনুগ্ৰহ দান কৰা উজু কথা, কিন্তু লওঁতাৰ পক্ষে বৰ টান। দানত দিওঁতাৰ গৌৰৱ আছে, কিন্তু লওঁতাৰ কলঙ্ক মাথোন। দান গ্ৰহণৰ অখ্যাতি অপযশ গ্ৰহণ কৰোতাৰ জীৱনৰ লগৰীয়া হয়, আৰু তাৰ আশয়ো অনুক্ৰমে সৰু হৈ যায়। যাৰ অনুগ্ৰহ গ্ৰহণ কৰা হয়, তাৰ আগত তুমি সদায় সৰুটি হৈ থাকিব লাগে। সি অতি অধম অনাচাৰী হ'লেও তোমাৰ পূজনীয়। তুমি তাক সকলো কামতে সহায় কৰিবলৈ বাধ্য। অকৰ্ম্মতো সি তোমাৰ সহায়

আশা কৰে, আৰু তাক নাপালে তোমাৰ বৈৰী হয়। কিন্তু এই স্থূলস্থূলীয়া সংসাৰত কেতিয়াবা আনৰ অনুগ্ৰহ নল'লে নচলে। তেনেকুৱা নিদান কালত মানুহ বাছি অনুগ্ৰহ খোজা উচিত। দুৰাচাৰ মানুহৰ অনুগ্ৰহ পৰাপক্ষত ল'ব নালাগে, ল'লে কেৱল ভৱিষ্যৎ সঙ্কটৰ সঁচ পচোৱা হয়। সমনীয়া বা নীচ মানুহৰ অনুগ্ৰহো আপদীয়া, তাকো পৰাপক্ষত গ্ৰহণ কৰা উচিত নহয়। মুঠতে ক'ব লাগিলে, আনৰ অনুগ্ৰহ সততে গৰল যেন জ্ঞান কৰা উচিত। কিন্তু উৎকট ৰোগত পৰিলে মানুহে গৰলো ব্যৱহাৰ কৰে, এতেকে দুৰ্ঘোৰ বিপদত পৰিলেহে অনুগ্ৰহ গৰললৈ হাত মেলিব লাগে। সকলো সময়তে আনৰ অনুগ্ৰহলৈ আশা নেপালি নিজৰ বাউসিবলৰ ওপৰত নিৰ্ভৰ কৰা উচিত। যি নিজ পুৰুষাৰ্থেৰে উধাবলৈ চেষ্টা কৰে তাক ঈশ্বৰেও সহায় কৰে, এনে নীতিবচন আছে।

নিজৰ আচল স্বভাৱ সকলোকে জনাই থলেও বহুত সঙ্কটৰ পৰা ৰক্ষা পৰিব পাৰি। তুমি যি কাম কৰিবলৈ ভাল নোপোৱা তাক কৰিবলৈ তোমাক কোনেও নাখাটে। চুৰ কৰিবলৈ সাধুক বা দান কৰিবলৈ কট্‌কিনাক কোনেও খাটনি কৰা দেখা নাযায়। কিন্তু মানুহে আগৰ পৰা তোমাক সাধু বা কট্‌কিনা বুলি জানিব লাগে, নাইবা কেতিয়াবা তুমি ভাল নোপোৱা কাম কৰিবলৈও মানুহে ধৰিব পাৰে। খাটনি নাৰাখিলে মানুহে পেটে পেটে বৰ বেয়া পায় আৰু খিয়াল কৰে, তোমাকো সেইদৰে খাটনি নাৰাখিলে বেয়া পাব আৰু খিয়াল কৰিব। নিজৰ ৰুচি অৰুচি সকলোকে জনাই থোৱাৰ আৰু এটা গুণ আছে। তুমি কেতিয়াও মিছা কথা নোকোৱা বুলি যদি সকলো ওচৰচুবুৰীয়াৰ আগত কৈ ফুৰা তেনেহলে সিহঁতৰ আগত মিছা ক'বলৈ তোমাৰ বৰ লাজ লাগিব। নিজৰ ৰুচি অৰুচি বা স্বভাৱ চৰিত্ৰ গুপ্ত কৰি ৰাখিলে আগলৈ কুকাম কৰিবলৈ বাট মোকলাই ৰখা হয়।

সংসাৰ এৰি অৰণ্যত বাস লৈ সজ্জন হ'বলৈ কিছু উজু কিয়নো অৰণ্যত প্ৰলোভন সংসৰ্গ আদি বাধাবিলাক নাই। কিন্তু অৰণ্যবাসী সজ্জন আৰু সাগৰৰ তলৰ ৰত্ন একে ৰকম। সাগৰত থকা ৰত্নৰ পৰা যেন জগতৰ কোনো উপকাৰ নহয়, অৰণ্যবাসী সজ্জনৰ পৰাও জগতৰ কোনো উপকাৰ নহয়, সংসাৰত থাকি সংসাৰৰ বাধাবিলাক নিজ বলেৰে মষিমূৰ কৰি সজ হ'ব পাৰিলেহে ধন্য।

অন্যৰ প্ৰতি ব্যৱহাৰ

যিবিলাক মানুহেৰে সৈতে তোমাৰ সম্বন্ধ জন্মে, বা যিবিলাকেৰে সৈতে সংসাৰত সমাজ পাতি থাকা, সেইবিলাক মানুহৰ ভিতৰত কাৰ লগত কেনেকুৱা ব্যৱহাৰ কৰিলে বা কেনেকৈ চলিলে সুখে সন্তোষে কাল নিয়াব পাৰি সংসাৰ যাত্ৰীয়ে তাক ভালকৈ জনা উচিত। ইয়াকে নজনাৰ নিমিত্তে বহুত মানুহে জীৱনত নানা বিধ উপদ্ৰৱ ভুগিবলৈ পায়। সজ ব্যৱহাৰ যদিও সজ চৰিত্ৰৰ গুণ, তথাপি চৰিত্ৰ সজ হ'লেই ব্যৱহাৰ সজ হয় বুলি ভবা উচিত নহয়। অনেক চৰিত্ৰৱন্ত মানুহ ব্যৱহাৰৰ দোষত আনৰ হিংসা গৰিহণাৰ ভাজন হয়, আকৌ অনেক কপটীয়া ছলাহী মানুহো ব্যৱহাৰৰ গুণত সকলোৰে মৰম পায়। এতেকে ব্যৱহাৰ প্ৰণালীক সামান্য কথা বুলি উলাইতিকিং নকৰি মন দি শিকা উচিত।

মিঠা মাত ব্যৱহাৰ প্ৰণালীৰ ঘাই মন্ত্ৰ। স্বভাৱত বহুত দোষ থাকিলে মিঠা মাতৰ গুণত সৰ্ব্বৰহী হ'ব পাৰি। তোমালৈ আনৰ মৰম ভক্তি জন্মোৱা সজ ব্যৱহাৰৰ মুখীয়াল উদ্দেশ্য। ব্যৱহাৰত মিঠা মাতৰ নাটনি হ'লে সেই উদ্দেশ্য সিদ্ধ নহয়। মিঠা মাত ব্যৱহাৰৰ কলপ বা ৰহণৰ নিচিনা। গঢ়ত প্ৰতিমা বিতোপন হ'লেও, ৰহণ নলগালে শুৱনি নহয়। সেইদৰে সজ ব্যৱহাৰত মিঠা মাতৰ ৰহণ নিদিলে সি মানুহৰ মনত সন্তোষ লগাব নোৱাৰে। মিঠা বস্তুৰ কলপ লগাইহে বেজেও অকটা দৰৱ ৰুগীয়াক দিয়ে।

অবাবত কেটেৰা মাত মাতি মানুহৰ মনত বেজাৰ দিয়া অযুগুত, কিন্তু নিৰ্ব্বোধ খিংখিংঙীয়া মানুহে ভবিষ্যৎ নুগুণি কেটেৰা মাৰিহে মানুহৰ লগত কথা কয়। এই শ্ৰেণীৰ মানুহৰ শত্ৰু সৰহ। সিহঁতে মনে জানি কাৰো অহিত নকৰিলেও, কেৱল কঠুৱা মাতৰ দোষতেই সকলোৰে চকুৰ কুটা যেন হৈ পৰে। সিহঁতৰ গাত লক্ষ গুণ থাকিলেও অচল তিতা মাতেই সকলোকে ঢাকি পেলায়। তিতা মুখে মাতিলে সহস্ৰ উপকাৰ মানুহে একেতিলে পাহৰে, অৰ্ব্বুদ দানৰ ফল একে নিমিষতে লয় হয়। এই দেখি জ্ঞানীসকলে দানত বিনয় বিধান কৰিছে।

নম্ৰতা সজ ব্যৱহাৰ অনুপান। উচিত অনুপানেৰে ঔষধ খালে সি বেচি গুণ দিয়ে। সেইদৰে সজ ব্যৱহাৰত নম্ৰতা মিহলালে তাৰো উপকাৰ সৰহ হয়। দম্ভালি

কথা মানুহৰ কাণত কাঁড় ফুটা দিয়ে, সেই দেখি আনৰ লগত আলাপ আচৰণ কৰোঁতে দম্ভালি এৰি নম্ৰ হোৱা উচিত। বহুতে ভাবে যে লোকৰ আগত নম্ৰ হ'লে নিজক সৰু বা লঘু কৰা হয়। এই বিশ্বাস ভুল। নম্ৰতা ডাঙৰ আশয়ৰ চিন, তাৰ পৰা আশয়ৰ উচ্চতাহে প্ৰকাশ পায়। নম্ৰতা এটা মনৰ গুণ, মিঠা মাত তাৰ ফল। মনত নম্ৰতাৰ ভাব থাকিলে মুখেৰে আপোনা-আপুনি মিঠা মাত ওলায়। মনত অহঙ্কাৰ ৰাখি মুখে নম্ৰ হ'লে মানুহক ছল কৰা হয়। তেনেকুৱা আচৰণ অনুচিত। ব্যৱহাৰত মনে মুখে একে হ'বলৈ সততে চেষ্টা কৰা যুগুত।

আনৰ ভাল গুণ প্ৰয়োজন অনুসৰি ফুটাই বখনা উচিত। কোনো কোনোৱে ভাবিব পাৰে যে আনক বখানিলে নিজক সৰু পতা হয়, কিন্তু দৰাচল পক্ষত তাৰ পৰা বখানোতাৰ মহত্ত্বহে প্ৰকাশ পায়। গুণীৰ গুণ তাৰ মুখৰ, আগত বখনা অযুগুত, মুখৰ আগত বখানিলে নিন্দা কৰা যেন হয়, আৰু সি জনে তোমাক চাটুকাৰ বুলি ভবাৰো আটক নাই। সমুখত প্ৰশংসা কৰা চাটুকাৰৰ স্বভাৱ। চাটুকাৰক মুৰ্খ বা দাম্ভিক মানুহে ভাল পাব পাৰে, কিন্তু জ্ঞানী মানুহে ঘিণায়। কোনো মানুহৰ গুণৰ কথা তাৰ সমুখতেই ক'ব লগীয়া হ'লে, সংক্ষেপ কৰি কোৱা উচিত, ব্যাখ্যা কৰি বহলাই কোৱা উচিত নহয়। এজনৰ গুণৰ কথা আন এজনৰ আগত কোৱালে ভাল, কিয়নো তাৰ পৰা তোমাৰ সৰলতাৰ চিনাকি পোৱা যায় আৰু গুণীজনৰো উপকাৰ হয়। মানুহে নিজৰ গুণৰ কথা নিজ মুখে আনৰ আগত ক'ব নোৱাৰে, সেই কাম বন্ধু-বান্ধৱৰ পৰা সিদ্ধ হ'ব লাগে।

সকলোৰে সৈতে মিলেৰে থাকিব খুজিলে আনৰ গুপ্ত কথা লুকাই ৰাখিবলৈ জানিব লাগে। গুপ্ত কথা লুকাই ৰাখিব পৰা এটা ডাঙৰ গুণ। অনেক মানুহে এই গুণৰ অভাৱত বন্ধু-বান্ধব হেৰুৱায় আৰু আনৰ গৰিহণা খায়। গুপ্ত কথা লুকাই ৰখা বৰ টান কাম, তুমি নকওঁ বুলি মন বান্ধি থাকিলে তাক কোনেও বলেৰে উলিয়াই নিব নোৱাৰে। কেতবিলাক মানুহে লগ-লগৰীয়াক হঁহুৱাবলৈ লোকৰ গুপ্ত কথা সদৰী কৰে। এই শ্ৰেণী মানুহৰ স্বভাৱ নিচেই পাতল। সিহঁতে লোকৰ বেয়া হওক বুলি মনে জানি গুপ্ত কথা প্ৰকাশ নকৰে, কেৱল পাতল স্বভাৱৰ দোষত হঠাৎ কেতিয়াবা কৈ পেলায়। সিহঁতে নিজৰ গুপ্ত কথাও পেটত ৰাখিব নোৱাৰে, তাকো আনৰ আগত কৈ নিজৰ বিপদ নিজে মাতি আনে। গুপ্ত কথা লোকৰেই হওক বা

নিজৰেই হওক সদায় লুকাই ৰখা উচিত। লোকৰ গুপ্ত কথা প্ৰকাশ কৰিলে তাৰ কোপত পৰিব লাগে, আৰু নিজৰ গুপ্ত কথা প্ৰকাশ কৰিলে মানুহৰ গৰিহণা খাব লাগে। দুৰাচাৰ বা খিয়লীয়া মানুহৰ আগত নিজৰ গুপ্ত কথা ভাঙ্গি ক'লে ভৰিষ্যতে হিংসা কৰিবলৈ সুচল কৰি দিয়া হয়। লোকৰ গুপ্ত কথা সম্বন্ধে আৰু বিবেচনা কৰা উচিত যে, যি মানুহে তোমাৰ আগত তাৰ গুপ্ত কথা ভাঙ্গি কয়, তুমি সেই কথা বিশ্বাসত ৰাখিবা বুলি আশা কৰে, এনে স্থলত কথাটো প্ৰৌঢ়ী কৰি সমাজত তাৰ হাঁহিয়াত কৰা কোনোমতে যুগুত নহয়, তেনে কৰিলে বিশ্বাসঘাতকতা কৰা হয়। যি কথা প্ৰকাশ কৰিলে দুজনৰ ভিতৰত কন্দল লাগিব পাৰে, তেনে কথাও সাৱধানে লুকাই ৰাখিব লাগে। এইদৰে গুপ্ত কথা লুকাই ৰাখিব পাৰিলে সকলোৰে সঁজাতী হ'ব পাৰি। যি মানুহে পেটত কথা ৰাখিব নোৱাৰে যি আনৰ গুপ্ত কথা শুনিবলৈ হেঁপাহ কৰা উচিত নহয়, আৰু আনে ক'ব খুজিলেও শুনিবলৈ মান্তি হোৱা অনুচিত।

লোকৰ দোষ খোঁচাৰী ফুৰা বহুত মানুহৰ স্বভাৱ, কিন্তু তাৰ পৰা কাৰো কোনো উপকাৰ নহয়। যি আনৰ দোষ বিচাৰি ফুৰে সি তাৰ নীচ আশয়ৰ চিনাকি দিয়ে আৰু যাৰ দোষ বিচাৰে তাৰ কোপত পৰে। এতেকে সততে আনৰ দোষৰ ভাগ এৰি দি গুণৰ ভাগ ধৰাই শ্ৰেয়স্। কোনো মানুহৰ বিষয়ে কথা ক'ব লাগিলে তাৰ যি গুণ আছে তাকেহে কোৱা উচিত, নাইবা মুঠে একো নোকোৱাও ভাল। যি মানুহে যি কথা শুনিবলৈ ভাল নাপায় সেই কথা তাৰ আগত কোৱা উচিত নহয়। কোনো মানুহৰ শৰীৰত কোনো খুঁত থাকিলে তাকে ধৰি ভেঙ্গুচালি বা বিগতি কৰা অনুচিত। বিগতি ভেঙ্গুচালি বহুৱাৰ কাম, তেনে কাম আনে কৰা অযুগুত। সকলোৰে সৈতে গহীন হৈ চলাই ভাল, কিয়নো গহীনালিৰ লগত উপলুঙ্গালি বা পাতলালি থাকিব নোৱাৰে। ভেঙ্গুচালি উপলুঙ্গালিৰ ফল। এতেকে যত উপলুঙ্গালি নাই, তাত ভেঙ্গুচালিও থাকিব নোৱাৰে। আনৰ আগত নিজৰ গুণৰ কথাও ক'ব নালাগে। নিজৰ মুখত নিজৰ গুণ আনৰ কাণত বিহ যেন লাগে। নিজৰ গুণ নিজে বখানিলে গুণৰ গৌৰৱো নাথাকে। আন মানুহৰ লগত মেল কৰোঁতে বিশেষ প্ৰয়োজন নাথাকিলে নিজৰ কথা সৰহকৈ নোকোৱাই ভাল।

পৃথিৱীত নানা ৰকমৰ মানুহ আছে, কোনো সাধু, কোনো চোৰ, কোনো শঠ, কোনো সৰল, কিন্তু কোনটো কোন বিধৰ তাক দেখিলেই চিনিব নোৱাৰি, কাৰণ

বহুত চোৰেও আনক ছলিবলৈ সাধুৰ ভাও ধৰে। এতেকে অচিনাকি মানুহক পোন প্ৰথমে বিশ্বাস কৰা যুগুত নহয়। কোনো মানুহক শঠ বুলি জানিব পাৰিলে তাৰ লগত সম্বন্ধ ছিঙ্গি দিয়া উচিত। শঠৰ লগত সমন্ধ ৰাখিলে শঠতাক প্ৰশ্ৰয় দিয়া হয়।

সংসাৰত মানুহৰ অৱস্থা সদায় সমানে নাথাকে। একালৰ আঢ্যৱন্ত একালত দৰিদ্ৰ হয়। তেনেকুৱা মানুহৰ লগত ব্যৱহাৰ কৰোঁতে আঢ্যৱন্ত অৱস্থাত তাৰ লগত যেনে ৰূপে ব্যৱহাৰ কৰা হৈছিল দৰিদ্ৰ অৱস্থাতো তেনে ৰূপেই ব্যৱহাৰ কৰা উচিত। আঢ্যৱন্ত অৱস্থাত মান দেখুৱাই দৰিদ্ৰ অৱস্থাত অমান্য কৰা ভাল নহয়। সুদিনত সৎকাৰ আৰু দুৰ্দ্দিনত ইতিকিং কৰা সৰু মনৰ চিন। সামান্য মানুহ ডাঙ্গৰ হ'লেও তাৰ প্ৰতি ব্যৱহাৰ সলোৱা উচিত অৰ্থাৎ তাৰ লগত আগে যেনে ব্যৱহাৰ কৰিছিলা, বিদ্যা বুদ্ধিৰ বলত সি ডাঙ্গৰ হৈ উঠাতো তেনে ব্যৱহাৰ কৰা উচিত নহয়। তেতিয়া সি তাৰ অৱস্থা অনুৰূপ মান সৎকাৰ পাব লাগে।

কোনো কোনো মানুহে মান্যৱন্ত লোকক অমান্য কৰিলে পুৰুষালি কৰা যেন পায়, সেই দেখি চল পালে অমান্য কৰিবলৈ নেৰে। কিন্তু সিহঁতে ভাবি নাচায় যে মান্যৱন্তক অমান্য কৰি তাৰ মূল্য কমাব নোৱাৰি। সোণৰ জেউতি অমান্য কৰিলে নকমে।

তলতীয়া সামান্য মানুহবিলাকক মৰম কৰি চলা উচিত, আৰু সিহঁতক সম্বোধন কৰোতে তুমি বুলি সম্বোধন কৰা ভাল। তই কথা বৰ নিকৃষ্ট, তাৰ লগুৱা ভগুৱাৰীৰ বাজে আন মানুহৰ প্ৰতি ব্যৱহাৰ কৰা যুগুত নহয়। নিজৰ ল'ৰা-ছোৱালীকো তুমি বোলা উচিত।

তৃতীয় ভাগ

কৰ্ম্ম

ওখ ঠাইত উঠিবলৈ যেনে এটা আলম লাগে, উদ্‌গতি কৰিবলৈ তেনে এটা আলম লাগে । কেৱল বিদ্যা বুদ্ধি আৰ্জ্জি লৈ বহি থাকিলে জীৱনত উদ্‌গতিৰ কৰিব নোৱাৰি । বিদ্যা উদ্‌গতিৰ এবিধ আহিলা হয়, কিন্তু আলম নহয় । কৰ্ম্ম হৈছে উদ্‌গতিৰ আলম । মানুহে কৰ্ম্মৰ সহায়ত সামান্য অৱস্থাৰ পৰা ভাল অৱস্থালৈ উঠে । কৰ্ম্ম নহ'লে বিদ্যা বুদ্ধি সকলো নিষ্ফল হয় ।

যেই সেই কৰ্ম্মই যেই সেই মানুহৰ উদ্‌গতিৰ আলম হ'ব নোৱাৰে, মানুহে পতি কৰ্ম্ম বেলেগ বেলেগ হয় । যাৰ যি কৰ্ম্মত ৰাপ সি সেই কৰ্ম্ম বাছি লোৱা উচিত ; কিন্তু কৰ্ম্ম বাছনি নিচেই উজু নহয় । কৰ্ম্ম বাছি ল'ব নজনাৰ দোষত কোনো কোনোৱে গোটেইটো জীৱন কৰ্ম্ম কৰিও সংসাৰত উদ্‌গতি কৰিব নোৱাৰে । কৰ্ম্ম বাছনি সম্বন্ধে নিজৰ মনেই মঙ্গল, অৰ্থাৎ যি কামটো নিজৰ মনত ভাল লাগে, তাকে ল'ব লাগে । সচৰাচৰ দেখা যায় যে একোজন মানুহৰ কোনো এটা বিশেষ কামত ৰতি থাকে, সেই কাম সি কৰিবলৈ ভাল পায়, আৰু অপ্ৰয়াসে কৰিব পাৰে, কিন্তু কোনোটো কাম অহোপুৰুষাৰ্থ কৰিও কৰিব নোৱাৰে । পাচে যদি বুজাৰ ভুলত বা আন কোনো কাৰণত সি পোনৰ বিধ এৰি শেষৰ বিধ কামৰ আলম লয়, তেনেহ'লে সংসাৰত উদ্‌গতি কৰা তাৰ পক্ষে টান হয় । এতেকে যি কামত যাৰ ৰতি থাকে সেই কামহে সি জীৱনত ব্যৱসায় কৰি লোৱা উচিত । যাৰ কৃষিত ৰতি সি কৃষি, যাৰ বেপাৰত ৰতি সি বেপাৰ আৰু যাৰ বিষয়ত ৰতি সি বিষয় গ্ৰহণ কৰা উচিত । কৃষি ভাল পোৱা মানুহে বিষয় বা বিষয় ভাল পোৱা মানুহে কৃষি গ্ৰহণ কৰিলে অসঙ্গত আলমৰ আশ্ৰয় লোৱা হয় । সৰহ লাভৰ আশাত মনে নধৰা বৃত্তি গ্ৰহণ কৰিলে মানুহে কেতিয়াও সংসাৰত উদ্‌গতি কৰিব

নোৱাৰে । ঘুৰণীয়া ফুটাত শিৰ পতা ঠিলা কেতিয়াও খাপ খাই নবহে ।

কাম বাছি লওঁতে আৰু এটা কথালৈ মন কৰা উচিত । কৰ্ম্মীৰ পক্ষে যশস্যা এটা প্ৰবল উদ্‌গতি । যি কামত মানুহে যশস্যা পায় সেই কামটো কৰিবলৈ তাৰ ধাউতি বাঢ়ে । যশস্যাই মানুহৰ এগুণ উৎসাহ চাৰিগুণ কৰে । কিন্তু সকলো কামৰ যশস্যা সকলোৱে ভাল নাপায়, কোনোৱে বেজালিৰ যশস্যা ভাল নেপায়, কোনোৱে বাঢ়েয়ালিৰ যশস্যা ভাল নাপায়, কোনোৱে খনিকৰালিৰ যশস্যা ভাল নাপায় । পাচে যদি বেজালিৰ যশস্যা ভাল নোপোৱা মানুহ জনে বেজালি বৃত্তি গ্ৰহণ কৰে, তেনেহলে সেই কামত তাৰ ধাউতি হ'ব নোৱাৰে, আৰু ধাউতি নহ'লে কাম ভাল নহয় । এতেকে যি যি কামৰ যশস্যা ভাল পায় সি সেই কামটোহে বৃত্তি কৰি লোৱা উচিত ।

সংসাৰত মানুহ বোলাবলৈ আৰু সুখে সুকলমে দিন নিয়াবলৈ মানুহক ধন লাগে । বিনা ধনে সম্পদ লাভ কৰিব নোৱাৰি । যি ধনৰ দুখীয়া সি মান মৰ্য্যাদা সকলোৱে দুখীয়া । সি সংসাৰত ডাঙ্গৰ কাম কৰি নাম জলাওক চাৰি নিজেই অশেষ কষ্টেৰে জীৱন কটায় । সেই দেখি বৃত্তি বাছি লওঁতে ধন হোৱা বৃত্তি লোৱা উচিত । ধন উপাৰ্জ্জন নিজে এটা শিক্ষাৰ বিষয় নহয়, ই বিদ্যা আৰু বৃত্তিৰ লগৰীয়া বস্তু । বিদ্যাৱন্ত মানুহে বুদ্ধিৰে বৃত্তি চলালে ধন হয় ।

বেপাৰ, কৃষি আৰু ৰাজঘৰীয়া বিষয়, এই তিনি শ্ৰেণীৰ ভিতৰত বৃত্তি বিলাক ধন হোৱা বা অৰ্থকৰী বৃত্তি । অৰ্থকৰী বৃত্তিবিলাকৰ ভিতৰত কিছুমান সজ আৰু কিছুমান অসজ আছে । অসজ বিধৰ বৃত্তি পৰাপক্ষত গ্ৰহণ কৰা উচিত নহয় । অসজ বৃত্তিয়ে মানুহক অসজ কামলৈ নিয়ে । অসজ কাম কৰি অৰ্ব্বুদ অৰ্থ ঘটিলেও সুখ্যাতি বা পুৰুষালি নাই, আৰু মনতো নিভাঁজ সন্তোষ নোপজে । আওবটীয়া ধনতকৈ দৰিদ্ৰতাও ভাল । কোনবোৰ সজ বৃত্তি আৰু কোনবোৰ অসজ বৃত্তি তাৰ এটা এটাকৈ লেখ দিয়াৰ সকাম নাই । সজ আৰু অসজ বৃত্তি চিনিবলৈ টান নহয় । যি বৃত্তি চলাওঁতে নীচ বা নিন্দনীয় কাম কৰিব লাগে সেই বৃত্তি অসজ, আৰু যি বৃত্তিত তেনেকুৱা কাম কৰিব নালাগে সেই বৃত্তি সজ । ফটিকাৰ বেপাৰ এটা অসজ বৃত্তি । ফটিকা ব্যৱহাৰ কৰি মানুহ বলিয়া হয়, আৰু অকাম কৰে । এতেকে মানুহক তেনে ফটিকাৰ

যোগান দিয়া এটা ভাল কাম নহয়, সি নীচ কাম, আৰু সেই বৃত্তিও অসজ বৃত্তি । যি বৃত্তি চলালে দেশৰ বা সমাজৰ উপকাৰ হয় সেইবোৰ বৃত্তি সজ । বৃত্তি বাছি লওঁতে তেনে বৃত্তিহে লোৱা উচিত ।

ভাৰতত স্বতন্তৰীয়া বৃত্তিলৈ মানুহৰ শ্ৰদ্ধা নাই । স্বতন্তৰীয়া বৃত্তি চলালে মানুহৰ মান যায় বুলি বিবেচনা কৰে । এতিয়াৰ মানুহে ৰাজঘৰীয়া বিষয়কেই বাছকবনীয়া বৃত্তি বুলি ধৰে । এই নিমিত্তে শিক্ষিত তৰপৰ এটাইবিলাক মানুহেই ৰাজঘৰীয়া বিষয় বিচাৰে । স্বতন্তৰীয়া বৃত্তি সকলোবোৰ অশিক্ষিত মানুহৰ হাতত পৰিছে । কিন্তু অশিক্ষিত মানুহৰ বুদ্ধি কম । সিহঁতে পুৰণি উপায়ৰ বাজে কোনো কামত নতুন উপায় উলিয়াব নোৱাৰে । ভাৰতৰ কমাৰ, কুমাৰ, বাঢ়ৈ, খনিকৰ সকলোৱে অতীজ কালৰ প্ৰণালীৰেই নিজ নিজ বৃত্তি চলাই আছে । সিহঁতৰ পিতৃ পিতামহসকলে যেনেকুৱা বস্তু গঢ়িছিল, সিহঁতেও তেনেকুৱা বস্তুহে গঢ়িব পাৰে, গঢ় সলাই নতুনকৈ চকুত লগা বস্তু গঢ়িব নোৱাৰে । ভাৰতৰ কৃষি আৰু বেপাৰো অশিক্ষিত মানুহৰ হাতত, সেই দেখি সেই দুই বৃত্তিৰো আজিলৈকে কোনো পৰিবৰ্ত্তন হোৱা নাই । এই বৃত্তিবিলাক সুশিক্ষিত মানুহৰ হাতত পৰা হেঁতেন ইমান দিনে বহুত উন্নত হ'লহেঁতেন । সকলো কামতে বিদ্যা বুদ্ধি লাগে, বিদ্যা বুদ্ধি লগাই কৰিলেহে কামটো ভালকৈ সিজে । স্বতন্তৰীয়া বৃত্তিত বিদ্যা বুদ্ধিৰ বিশেষ প্ৰয়োজন আছে । বিদ্যাৰ সাৰ দিলে বৃত্তিৰ উদ্‌গতি হয় । ইউৰোপত আৰু আমেৰিকাত স্বতন্তৰীয়া বৃত্তি শিক্ষিত মানুহৰ হাতত, সেই দেখি বৃত্তিবোৰ তাত বহুত উন্নত হৈছে । প্ৰত্যেক বিষয়তে ন ন কথা, প্ৰত্যেক বস্তুৰে নানা ৰকম দিনে দিনে ওলাব লাগিছে । স্বতন্তৰীয়া বৃত্তি চলাই মান যশস্যা লাভ কৰিব নোৱাৰি বুলি ভবাও ভুল । ইউৰোপ আমেৰিকাৰ দৃষ্টান্তলৈ চালেই এই ভুল ধৰা পৰে । এই দুই দেশত অনেক মানুহে স্বতন্তৰীয়া বৃত্তিৰ আলম লৈ মান্যৱন্ত, ধনৱন্ত, আৰু যুগযুগান্তলৈ খ্যাতিমন্ত হৈছে [illegible]

আনে নজনা কোনো নতুন বৃত্তি উলিয়াব পাৰিলে ধন আৰ্জ্জনৰ কাম ঢিলা হয়, কিন্তু তেনে বৃত্তিত একেবাৰে খাস্তাং হ'বৰো আশঙ্কা থাকে ; আশয় নোপোৱা বৃত্তি অচিনাকি বাটৰ নিচিনা, তাত মানুহ আঢ্যৱন্তও হ'ব পাৰে,

দৰিদ্ৰও হ'ব পাৰে । প্ৰচলিত বৃত্তিবিলাকত তেনে আশঙ্কা কম, তাৰ সন্ধি সঙ্কট আগৰ পৰা জনা থাকে সেই দেখি আগেয়ে তাৰ উপায় সাজি ল'ব পাৰি । নতুন বৃত্তিত আগ ধৰি উপায় সাজি লোৱা সম্ভৱ নহয় কাৰণ তাত কেতিয়া কি সঙ্কট ওলাব জনা নাথাকে । এই নিমিত্তে নতুন বৃত্তিৰ আলম লোৱা কোনো কোনো মানুহ অচিৰে আঢ্যৱন্ত হয়, আৰু কোনো কোনো অচিৰে উপান্ত হোৱা দেখা যায় ।

শ্ৰম

শ্ৰম সিদ্ধিৰ অমোঘ অস্ত্ৰ, ইয়াৰে অসাধ্য সাধন কৰিব পাৰি । ই কৰ্ম্মক্ষেত্ৰত হুতাশন, ইয়াৰ আগত কোনো কামহে টান নহয় । জগতৰ ডাঙ্গৰ সকলো কাম ইয়াৰ বলতেই সিদ্ধ হৈছে । শ্ৰম সম্পদৰ *মূল । যি মানুহ শ্ৰমত বিমুখ তাৰ সম্পদৰ আশা মিছা । শ্ৰম নানাবিধ আছে । কোনো শ্ৰম বজা আৰু কোনো শ্ৰম ফলদায়ক । বজা শ্ৰমৰ বিষয়ে আমাৰ একো ক'বলগীয়া নাই, ইয়াত কেৱল ফলদায়ক শ্ৰমৰ কথাহে আলোচনা কৰা হ'ব । এই বিধ শ্ৰম চালনা কৰোঁতে প্ৰণালী বৰ প্ৰয়োজন, ভাল প্ৰণালীত নচলোৱা বাবে ফলদায়ক শ্ৰমো বজা শ্ৰমত পৰে । এটা ডাঙৰ শিল বগৰাব লাগিলে কোন ফালৰ পৰা ঠেলিলে সি বাগৰ খাব, আগে তাক থিৰ কৰি ল'ব লাগে, তেহে তাক সহজে, বগৰাব পাৰি । নোচোৱা নভৱাকৈ হুৰামুৰাকৈ ধৰি যি ফালে মন যায় সেই ফালৰ পৰা ঠেলিলে সি সহজে বাগৰ নাখায় । এতেকে সকলো কাম এটা প্ৰণালী বান্ধি লৈ আৰম্ভ কৰিব লাগে, তেনেহলে শ্ৰম কেতিয়াও নিষ্ফল নহয় ।

হাতত লোৱা কাম ভাগ ভাগ কৰি তাৰ কোন ভাগ আগে আৰু কোন ভাগ পাচে কৰিব লাগিব আৰু কোন ভাগ কি দৰে কৰিব লাগিব, পোন প্ৰথমে তাক থিৰ কৰি লোৱা উচিত । ৰাজঘৰীয়া কোনো ডাঙৰ কাম কৰিবলগীয়া

হ'লে এই নিয়ম অনুসৰি প্ৰথমতে কামটোৰ এটা বিস্তৃত বিৱৰণ লিখি লয়, আৰু তাৰ কোন অংশ কেতিয়া, আৰু কেনেকৈ কৰিব লাগিব তাকো ঠিক কৰি লয়, পাচে সেই প্ৰণালীত কাম আৰম্ভ কৰি সুকলমে সমাধা কৰে । পঢ়া ল'ৰাবিলাকৰ ভিতৰত কোনোৱে সোনকালে পাঠ শিকি উঠে আৰু কোনোৱে দিনটো পঢ়িও শিকিব নোৱাৰে । ইয়াৰ কাৰণ এই যে কিছুমান ল'ৰাই প্ৰণালী লগাই পঢ়ে, আৰু কিছুমানে প্ৰণালী লগাব নাজানে । কোনো কোনো ল'ৰা স্বভাৱতে চোকা, আন ল'ৰাতকৈ সিহঁতে সোনকালে পাঠ শিকিব পাৰে । কিন্তু চোকা ল'ৰাৰ ভিতৰতো বহুত প্ৰভেদ আছে, বুধিয়ক চোকা ল'ৰাই সদায় এটা নিয়ম পাতিহে পুথি পাঠ কৰে । গ্ৰন্থকাৰে পুথি লিখোঁতে এটা প্ৰণালী লগাই লিখে । পঢ়োতাই সেই প্ৰণালীৰ আঁত ধৰি পঢ়িলে পুথিৰ কথা সোনকালে শিকিব পাৰি ।

কোনো কামত লৰালৰি কৰা উচিত নহয়, লৰালৰি কৰিলে কামত জোঁট লাগে আৰু দুদণ্ডৰ কামত চাৰি দণ্ড খৰচ হয় । যিমান লৰালৰি সিমান গহৰি, এই সাৰুৱা বচন সকলো দেশত চলিত আছে । খৰকৈ কৰি সোনকালে কামটো শেষ কৰিব খুজিলে আগৰ ভাগ পাচ আৰু পাচৰ ভাগ আগ হয় আৰু কেতিয়াবা কোনো ভাগ এৰাও পৰে । কাম শেষ হ'লে পাচত সেই ভুলবোৰ শুধৰাওঁতে দোৱাডাঁৰ হয় । শেহান্তৰত পলমতো হয়েই, তদুপৰি কামটোও ভাল হৈ নুঠে । উচিত সময়তকৈ কম সময়ত কাম কৰি তুলিলে জাগ দি কল পকোৱা যেন হয় । কল পকিবলৈ স্বভাৱতে যিমান সময় লাগে তাতকৈ সোনকালে পকাবলৈ মানুহে কল জাগ দিয়ে কিন্তু জাগ দিয়া কল আৰু আপুনি পকা কল সোৱাদত বহুত বেলেগ ।

নিজৰাৰ সোঁতৰ নিচিনা মানুহৰ শ্ৰম সদায় চলি থাকিব লাগে । কেতিয়াবা এলাহত বহি থকা, আৰু কেতিয়াবা দেহ প্ৰাণ উছৰ্গি কাম কৰা উচিত নহয় । ছেগা-চোৰোকা শ্ৰমতকৈ ৰাহ লগোৱা শ্ৰমৰ গুণ সৰহ । যি বস্তু একোবত ভাঙিব নোৱাৰি, ওপৰা ওপৰিকৈ কোবাই থাকিলে সিও ভাগি যায় । একেৰাহে গৈ থাকিলে দীক্‌ছৌ বাটো লঙ্ঘিব পাৰি । কাম যিমানেই কি ডাঙৰ নহওক সদায় নিয়ম মতে কৰি থাকিলে শেষ হয় । সদায় পৰিশ্ৰম কৰা মানুহে ডাঙৰ কাম দেখি ভয় নাখায় ।

উগ্ৰ শ্ৰম উৎকট ব্যাধিৰ নিচিনা, সংসাৰ যাত্ৰীয়ে তাক সততে পৰিহাৰ কৰা উচিত । উগ্ৰ শ্ৰমৰ পৰা শৰীৰ ঘুণীয়া হয়, আৰু ভৱিষ্যতলৈ শ্ৰম কৰিব নোৱাৰা হয় । কোনো শকত-সজীয়া মানুহৰ উগ্ৰ শ্ৰমৰ পৰা ৰোগ নহ'ব পাৰে, কিন্তু সি যে আনতকৈ সৰহ কাম কৰিব পাৰে এনে নহয় । উগ্ৰ শ্ৰমৰ পাচত দীঘল জিৰণি লাগে, যি জিৰণি লওঁতেই আনে বহুত কাম কৰি উঠে । এতেকে এদিন উগ্ৰ শ্ৰম কৰি পাঁচ দিনলৈ জিৰণি লোৱাতকৈ নিতৌ অলপ অলপ শ্ৰম কৰাহে ভাল । উগ্ৰ শ্ৰম এক ৰকমে চালে বানপানীৰ নিচিনা । বানপানীৰ পৰা শস্যৰ বৰ উপকাৰ নহয়, নিয়মিতৰূপে বৰষুণ পালেহে শস্য শ্ৰীমন্ত হয় । কামৰো সেই পটন্তৰ, তাকো নিয়মিতৰূপে কৰিলেহে শুৱলা হৈ উঠে ।

পৰিশ্ৰমী মানুহৰ শ্ৰমেই সুখ, সিহঁতে শ্ৰম নকৰি থাকিব নোৱাৰে, সিহঁতৰ পক্ষে শ্ৰম এটা ৰাগীৰ নিচিনা হয় । ৰাগী কৰা মানুহৰ ৰাগী নহ'লে যেনেকৈ গা মন বেয়া লাগে শ্ৰম কৰা মানুহৰো তেনেকৈ শ্ৰম নহ'লে গা মন বেয়া লাগে । শ্ৰমৰ পৰা সুখীয়াৰ সুখ দুগুণ বাঢ়ে আৰু দুখীয়াৰ দুখ কমি যায় । শ্ৰম জীৱ জগতৰ সাধাৰণ ব্যৱস্থা, পশু পক্ষীৰ ভিতৰতো এই ব্যৱস্থাৰ কাৰ্য্য দেখা যায় । কোনো পশু বা কোনো পক্ষীয়ে শ্ৰম নকৰাকৈ আহাৰ নাপায়, নানা ঠাইত নানা ৰকমে পুৰুষাৰ্থ কৰিহে সিহঁতে পেট ভৰায় । বাঘে অটব্য বননিত হৰিণা বিচাৰি, আৰু মহে দুৰ্গম পিটনিত ঘাঁহ বিচাৰি নিতৌ হাৰাশাস্তি হয় । শৰীৰ সবল কৰিবলৈ, মনক শান্তিত ৰাখিবলৈ, আৰু সংসাৰত উদ্‌গতি কৰিবলৈ, এই সকলো কামতে পৰিশ্ৰম নহ'লে নহয় ।

শ্ৰম কুচিন্তাৰ পৰম ঔষধ । সদায় শ্ৰমত থকা মানুহে হিংসা কূৰ্চ্চুট বা আনবিলাক কু-প্ৰবৃত্তিৰ কাম কৰিবলৈ আজৰি নাপায় । কুপ্ৰবৃত্তি এলাহত বাঢ়ে যাৰ এলাহ নাই তাৰ তেনে প্ৰবৃত্তি নাই । শ্ৰমীয়ে দিনদিনটো দুখ কৰি শৰীৰ ভাগৰাই আহে, গধূলি হ'লে পাটীত পৰিলেই টোপনি যায়, এতেকে বেয়া ভাব মনত আউটিবলৈ তাৰ সময় নাথাকে । পৃথিৱীত যিমান সজ প্ৰকৃতিৰ খ্যাতিমন্ত মানুহ আছে বা আছিল তেওঁবিলাকৰ জীৱনটো এটা শ্ৰমৰ সোঁত মাথোন ।

শ্ৰম বোলোতে শাৰীৰিক আৰু মানসিক দুয়ো বিধ শ্ৰম ধৰা হৈছে । দুয়ো বিধ শ্ৰমৰ একে ৰকম ব্যৱস্থা । শাৰীৰিক শ্ৰম বেচিকৈ কৰিলে শৰীৰ

ৰুগীয়া হয়, আৰু মানসিক শ্ৰম বেচিকৈ কৰিলে মন ৰুগীয়া হয়, কিন্তু শাৰীৰিক শ্ৰমতকৈ মানসিক শ্ৰমৰ দুৰ্গুণ বৰ বেচি । উগ্ৰ শাৰীৰিক শ্ৰমে কেৱল শৰীৰহে ৰুগীয়া কৰে, কিন্তু উগ্ৰ মানসিক শ্ৰমে শৰীৰ মন দুয়োকো ৰুগীয়া কৰে । বৰকৈ চিন্তা কৰিলে মূৰৰ কামোৰণি হয়, খোৱা বস্তু জীণ নাযায় আৰু বায়ু উৰ্দ্ধগামী হৈ টোপনি নহাত পৰে । মনৰ উগ্ৰ শ্ৰমত মগজু তপত হয় আৰু সেই বাবে কেতিয়াবা মানুহে বিবেক হেৰুৱাই বাউল হয় ।

উৎসাহ

দণ্ডিত বান্দৰ নাচে, এই কথা সঁচা, কিন্তু নাচন দেখিবলৈ ভাল নহয় । উৎসাহত নাচিলে হাতীৰ নাচনতো লয় ওলায় । সেইদৰে উৎসাহেৰে কৰিলেহে কাম সুসিদ্ধ হয়, চেলেংপেটোকৈ কৰা কাম বান্দৰী নাচনৰ নিচিনা আভঁজা । উৎসাহে টান কাম উজু কৰে, আৰু মানুহৰ বুদ্ধিৰ দুৱাৰ মেলি দিয়ে । উৎসাহ হেঁপাহৰ পৰা ওপজে হেঁপাহৰ দণ্ডিত মানুহে দুৰ্ঘোৰ সঙ্কটক ইতিকিং কৰি সহস্ৰ বিপদ হেলাৰঙ্গে তৰিব পাৰে । বাঘ, মহ, হাতী, গঁড় একোৱে হেঁপেহুৱাৰ বাট ভেঁটিব নোৱাৰে তাৰ উৎসাহৰ অমূৰ্ত্তক সোঁতত হিমালয়ৰ নিচিনা বাধাও তৃণ যেন হৈ উটি যায় । হেঁপাহত উৎসাহ জন্মে, উৎসাহত সাহ জন্মে আৰু সাহত সিদ্ধি বুলি সকলোৱে কয় ।

উৎসাহ হেঁপাহৰ পৰা জন্মিলেও, তাক শকত কৰিবলৈ অন্য আহিলা লাগে, সেই আহিলা আশা । আশা উৎসাহৰ সাৰ, তাৰ নাটনি হ'লে উৎসাহ অনুক্ৰমে জঁই পৰি যায় । আশাৰ কম বেচি অনুসৰি উৎসাহ কম বেচি হয়, অৰ্থাৎ আশা যিমান বাঢ়ে উৎসাহো সিমান বাঢ়ি যায়, আৰু আশা কমিলেই উৎসাহো কমে । যি কৰ্ম্ম সিদ্ধি হ'বৰ সমূলে আশা নাই, তাক কৰিবলৈ মানুহৰ মন কেতিয়াও নুধায় ।

আগত যি হেঁপাহৰ কথা কোৱা হৈছে সি কৰ্ম্মফলৰ হেঁপাহ, অৰ্থাৎ

এটা কাম কৰি তাৰ ফল লাভ কৰিবলৈ মনত যি অভিলাষ ওপজে তাকে হেপাহ বোলা হৈছে । আচলতে উৎসাহৰ গৰাকী কৰ্ম্মফল । যি কৰ্ম্মৰ ফল পাবলৈ মনত বৰ অভিলাষ জন্মে, সেই কৰ্ম্ম কৰিবলৈ উৎসাহো জন্মে । যাৰ মাছৰ নিমিত্তে বৰ অভিলাষ সি জাল পতা, পানী সিচাঁ, বা উজাগৰে থকা আদি মাছ ধৰিবলৈ যিবোৰ কাম কৰিব লাগে সেইবোৰ কাম বৰ উৎসাহেৰে আৰু উলাহেৰে কৰে । যাৰ মাছলৈ অভিলাষ নাই তেনেবোৰ কামত তাৰ উৎসাহো নাই । এতেকে কৰ্ম্মত হাত দিবৰ আগেয়ে তাৰ ফললৈ হেঁপাহ হ'ব লাগে ।

হেঁপাহ জন্মাবৰ ঘাই উপায় ফলৰ চিন্তা । ফল লাভ হ'লে যি সুখ বা সুচল হ'ব তাৰ বিষয়ে মনত চিন্তা কৰিলে ফললৈ হেঁপাহ জন্মে । পৰীক্ষা দিবলৈ ওলোৱা ছাত্ৰবিলাকত ইয়াৰ প্ৰমাণ পোৱা যায় । পৰীক্ষাত উঠিলে মানুহে কেনে প্ৰশংসা কৰিব, জীৱনত কিমান সুবিধা হ'ব, ইত্যাদি পৰীক্ষাত উঠাৰ ফলবিলাক মনত পাগুলিবলৈ ধৰিলে সিহঁতলৈ হেঁপাহ হয়, আৰু সেই হেঁপাহৰ গুণত পঢ়িবলৈ মন যায় । কোনো কোনো মানুহক দেখা যায়, সিহঁতে বৰ টান কামো উৎসাহেৰে কৰে, হাজাৰ খোঁচৰ হ'লেও তাত সিহঁতৰ আমনি নালাগে । ইয়াৰ আচল কাৰণ এই যে সেই কামটোৰ ফললৈ সিহঁতৰ বৰ চকু থাকে, কামটো সিদ্ধ হ'লে যি ফল হ'ব তাক সিহঁতে দিনে নিশায় মনত আলচে । এক তৰপ মানুহে এই কথা উলাই কৰে, আৰু কয় যে ফললৈ বাঞ্ছা নকৰি কৰ্ত্তব্য বিবেচনাৰ পৰাহে কাম কৰা উচিত । আমাৰ বিবেচনাত এনে কথা অসম্ভৱ । ফললৈ চকু নাথাকিলে কোনো কামত উৎসাহ নহয়, আৰু উৎসাহ নহ'লে কাম সুসিদ্ধ নহয় বুলি আগে কোৱা হৈছে । ফল লাভ কৰাই কামৰ উদ্দেশ্য, সেই ফলৰ আশা মনৰ পৰা আঁতৰত থৈ কাম সাধিব খুজিলে জ্বাল নুমাই দি চাউল সিজাবলৈ চেষ্টা কৰা যেন হয় । 'নিস্বাৰ্থ কাম' এটা কবৰ কথা মাথোন, তাত একো সাৰুৱা যুক্তি নাই । কোনো এবিধ স্বাৰ্থ নাথাকিলে মানুহে কামত হাত নিদিয়ে । ধন, মান, যশস্যা, ক্ষমতা বা আনন্দ এইবিলাকৰ এটা নহয় এটালৈ চকু ৰাখিহে মানুহে কাম আৰম্ভ কৰে । দৰিদ্ৰক দান দিয়া উৰি-আপ্ৰাণীক সহায় কৰা ইত্যাদি কেতবোৰ কামত কৰোঁতাৰ একো স্বাৰ্থ নোহোৱা যেন দেখা যায়, কিন্তু দকৈ গমি চালে সেইবোৰতো স্বাৰ্থৰ ছাট ওলাব ।

দৰিদ্ৰক দান দিলে মনত আনন্দ জন্মে, আৰু সমাজত যশস্যা বাঢ়ে, এই আনন্দ বা যশস্যাই দাতাৰ উৎসাহৰ কাৰণ হয় । দানৰ পাৰত্ৰিক ফল আমাৰ আলোচনাৰ বিষয় নহয় ।

ওপৰত কোৱা কথাৰ পৰা ঠাৱৰকৈ বুজা যায় যে কামে পতি কৰোতাৰ এটা স্বাৰ্থ থাকে, সেই স্বাৰ্থলৈ উগ্ৰ দৃষ্টি ৰাখি কাম কৰা যুগুত । স্বাৰ্থ কথা আষাৰত অলপ নিন্দাৰ ভাব আছে, স্বাৰ্থ নুবুলি অভিপ্ৰায় বুলিলে তেনে ভাৱ নাথাকিলহেঁতেন, কিন্তু অভিপ্ৰায় কথা আষাৰে আমাৰ মনৰ ভাবটো ষোলকলায় প্ৰকাশ নকৰে, সেই দেখি অভিপ্ৰায়ৰ থলত স্বাৰ্থ ব্যৱহাৰ কৰা হৈছে, ইয়াত স্বাৰ্থ শব্দটো আপোনপেটাৰ ভাবত নধৰি অভিপ্ৰায়ৰ ভাবত ধৰিব লাগিব ।

মানুহে স্বভাৱতে উৎসাহী মানুহৰ পাচ ধৰে, উৎসাহীক নায়ক বৰণ কৰিবলৈ আৰু তাৰ কথা মতে চলিবলৈ লাজ নকৰে । এই নিমিত্তে উৎসাহী মানুহ সমাজত মুখিয়াল হয় । কোনো কাম বহুতে গোট খাই কৰিলেও যশস্যা উৎসাহী জনৰহে হয়, আৰু কামত ধন থাকিলে তাৰো ডাঙৰ ভাগ উৎসাহীয়ে পায় । উৎসাহে পৰিশ্ৰমৰ দুখ কমায়, আৰু অলপীয়া বিদ্যা বুদ্ধিকো ফলদায়ক কৰে । উৎসাহ সংক্ৰামক, এজনৰ উৎসাহে আন এজন সোঁচৰে । সেই দেখি উৎসাহী মানুহে নিজৰ কামত আনৰ সহায় পায় । নিজে উৎসাহেৰে কামত লাগিলে চাঁওতা বিলাকেও তাত হাত নিদি থাকিব নোৱাৰে । পঢ়াত ল'ৰাৰ উৎসাহ দেখিলে তাক পঢ়াবলৈ মন যায় আৰু এটাই উৎসাহেৰে পঢ়িলে আন এটাই পুথি লৈ বহে ।

অভ্যাস

'সোণৰ দ্ৰাৱক সুৱগা, কামৰ দ্ৰাৱক অভ্যাস।' সুৱগাৰ গুণত টান সোণ উতলে, অভ্যাসৰ গুণত টান কাম সিজে । হাতীৰ মূৰত খৰ মৰা আৰু ডোলৰ ওপৰত নাচন মৰা অভ্যাসত উজু হয় । 'অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ।'

এই এটা নীতিবচন সকলো মানুহৰ ভিতৰত চলিত আছে । এনে বচন মানুহৰ বহুত কালৰ সঞ্চিত জ্ঞানৰ পৰাহে ওলাইছে । বিদ্যা বুদ্ধিৰ বলত কামৰ প্ৰণালী সোনকালে শিকিব পাৰি, কিন্তু অভ্যাস নকৰিলে তাত পাৰ্গতালি নজন্মে । বিনা অভ্যাসে অকল বুদ্ধিৰ পৰা কোনো কৰ্ম্মৰ ফলোদয় নহয় । বুদ্ধি থাকিলে ৰান্ধনৰ প্ৰণালী একে তিলে শিকিব পাৰি, কিন্তু পাকৈত ৰান্ধনি হ'বলৈ অভ্যাসৰ আলম লাগে । চাঁচ বটালি চলাবৰ নিয়ম বৰ উজু, একে নিমিষতে তাক বুজি ল'ব পাৰি কিন্তু পৈণত বাঢ়ৈ, বহুত দিন অভ্যাস কৰিলেহে হয় । বাৰেমতৰাৰ আওভাও বুজিলেই পাঠৰ ক্ষমতা জন্মে, কিন্তু অভ্যাস নকৰিলে কোনোৱে ভাল পাঠক হ'ব নোৱাৰে । চানেকি বুজিলেই ফুলতী হয়, কিন্তু বহুতদিন অভ্যাস কৰিলেহে ভাল শিপিনী হ'ব পাৰে । ফলকথা চুটিকৈ ক'ব লাগিলে, বুদ্ধিয়ে বাট মোকলাই দিয়ে, অভ্যাসে তাক ফট্‌ফটীয়া কৰে । বুদ্ধিত চকু ফুকায়, অভ্যাসত হাত গজে ।

সদায় কৰি থাকিলে কামত অভ্যাস জন্মে, অৰ্থাৎ সেই কামটো অপ্ৰয়াসে কৰিবৰ ক্ষমতা হয় । অভ্যাস জন্মিলে কামত বৰ পুৰুষাৰ্থ নালাগে । অভ্যাস স্বভাৱৰ গুপ্ত নাম, নিতৌ কৰা কাম স্বভাৱত পৰে । ল'ৰাই খোজ লওঁতে বল দিহে ভৰি চলায়, কিন্তু ডাঙৰ হ'লে আপোনা আপুনি খোজৰ পাছত খোজ উঠে, খোজ কাঢ়োঁতাই তাৰ গমেই নাপায় । ছাপা যন্ত্ৰত আখৰ-পাতিবলৈ শিকোঁতে প্ৰত্যেক আখৰক বিচাৰি বিচাৰি আনিব লাগে । কিন্তু অভ্যাস জন্মিলে আখৰটোৰ নাম কোৱা মাত্ৰেই তাত হাত পৰে । বাঁহী বজাবলৈ শিকোতেও কোনটো ফুটাত কেনেকুৱা মাত ওলায় তাক চাই চাই আঙুলি চলাব লাগে, কিন্তু অভ্যাস হৈ পৰিলে সুৰ অনুসৰি আঙুলি আপোনা-আপুনি চলে । এইদৰে আদিতে টান লগা কাম অভ্যাসত ইমান উজু হয় যে তাক কৰোঁতে পাচত মুঠে গুণিবই নালাগে ।

অভ্যাসে সময়ৰ খৰচ কমায় । প্ৰথম শিকাৰুৰ কাম এটাত যিমান সময় লাগে অভ্যাস থকা মানুহৰ সিমান নালাগে । ন লিখাৰুৱে যিমান সময়ত এপাত লিখে, পৈণত কাকতীয়ে সিমান সময়ত চাৰি পাত লিখে । ন বাঢ়ৈয়ে এচলা তক্তা চিকোনাওঁতে যিমান সময় লাগিব সেই সময়ৰ ভিতৰত এটা সুচক

বাঢ়েয়ে চাৰি চলা চিকোনাই দিব । অভ্যাসৰ গুণত মানুহৰ হাত খৰ হয়, আৰু কাম কৰোঁতে একো গুণা গঁথাও কৰিব নালাগে, সেই দেখি সময় বহুত ৰক্ষা পৰে ।

কোনো কাম অভ্যাস কৰিব লাগিলে তাক আগে ভাগ ভাগকৈ ল'ব লাগে, তাৰ পাচত প্ৰত্যেক ভাগকে বেলেগে অভ্যাস কৰিব লাগে । চিত্ৰত পোন আৰু বেঁকা দুয়ো বিধ আঁক থাকে, সেই দেখি চিত্ৰ আঁকিবলৈ শিকাওঁতে প্ৰথমে পোন আৰু বেঁকা আঁক আঁকিবলৈ শিকায়, পাচে আঁকত অলপ পাৰ্গতালি জন্মিলে নানা ৰকম ক্ষেত্ৰ আঁকিবলৈ শিকায় । আঁক অঁকাত আৰু ক্ষেত্ৰ অঁকাত ভালকৈ অভ্যাস জন্মিলেহে পাচত চিত্ৰ আঁকিবলৈ দিয়ে । শিকাৰুৱে এই নিয়মত নচলিলে আগলৈ সি ভাল খনিকৰ হ'ব নোৱাৰে । যেনে তেনে ৰকমে শিকা খনিকৰৰ চিত্ৰ শুৱনি নহয় । সিহঁতে লিখা চিত্ৰৰ হাত যদি ভাল হয়, ভৰিত এটা খুঁত ওলায়, ভৰি যদি ভাল হয়, চকুত এটা খুঁত ওলায় । প্ৰতিমা সাজোঁতেও শিকাৰুৱে এই নিয়মত চলে । প্ৰথমে সিহঁতে খেৰ বান্ধিবলৈ শিকে, খেৰ বন্ধাত পাৰ্গত হ'লে মাটি লগাবলৈ শিকে । খেৰ বন্ধাত বা মাটি লগোৱাত প্ৰতিমাৰ অবয়ব ল-নি নহ'লে সি দেখিবলৈ ভাল নহয় । এইদৰে প্ৰত্যেক কামৰে অংশবিলাক বেলেগ বেলেগকৈ শিকিলে আৰু অভ্যাস কৰিলে শিকাৰুৱে শেষত কামটো নিখুঁতকৈ কৰিব পৰা হয় ।

শিকিবলৈ আৰম্ভ কৰোঁতেই কাম অভ্যাস কৰা যুগুত নাইবা তাৰ আচল নিয়মটো পাহৰি শিকাৰুৱে নিজৰ মনে গঢ়া অশুদ্ধ নিয়ম মতে কাম কৰিবলৈ বাধ্য হয় । আখৰ লিখিবলৈ শিকোঁতে কোনটো আখৰ কোন ফালৰ পৰা জুৰিব লাগে তাক শিকিবৰ সময়তে সহজ কৰি হাত বহাই লোৱা ভাল । সুৱলা নিয়মত লিখিব নাজানিলে কেৱল যে আখৰ বেয়া হয় এনে নহয়, লিখাৰুৰ হাতো আগলৈ লেহেম হয় । প আখৰ লিখোঁতে কোনোৱে আগে নব নিচিনা এটা চিন কৰি লয়, পাচত পৰ মুখ লগাই দিয়ে, আকৌ খ লিখোঁতেও কোনোৱে আগে থৰ নিচিনা এটা চিন কৰে, পাচত খৰ ঠোঁট লগাই দিয়ে । এনেকুৱা ওভতা প্ৰণালীত কৰিলে কামত গহৰি নহৈ থাকিব নোৱাৰে ।

ছেগ

সকলো কামৰ এটা সুচল বা ছেগ আছে । সেই ছেগত কৰিলে কাম সুকলমে সিদ্ধ হয়, আৰু তাৰ অনুৰূপ ফল পোৱা যায় । ছেগ উকলি গ'লে কাম নিস্ফল হয় । বেপাৰত এই কথাৰ ভাল পটন্তৰ দেখা যায় । কেতিয়াবা কোনো এবিধ বস্তুৰ কাটন বৰ বাঢ়ে, আৰু সেই বাবে বজাৰত তাৰ ভাও উঠে । সেই সময়, সেই বস্তু সৰহকৈ উলিয়াই দিব পাৰিলে সৰহকৈ আয় হয় । যি মানুহে তেনে ছেগ আওহেলা কৰে সি বেপাৰত লাভ কৰিব নোৱাৰে । আচল কথা, কোন বেহানিৰ ভাও কেতিয়া বাঢ়িব তাৰ উহ লৈ ফুৰাই বেপাৰী মানুহৰ এটা ঘাই কাম । সুচল বেপাৰীয়ে সকলো ঠাইত থকা বেহানিৰ বুজ-বাজ লৈ, আৰু বজাৰৰ আওভাও বুজি কোন বেহানিৰ ভাও কেতিয়া চৰিব আৰু কোন বেহানিৰ ভাও কেতিয়া পৰিব তাক ঠাৱৰাব পাৰে । এইদৰে বস্তুৰ ভৱিষ্যতে ভাও ঠাৱৰায় লৈ সিঁহতে সেই সময়লৈ তেনে বস্তু গোটাই ৰাখে আৰু সময়ত তাক বজাৰত উলিয়াই দি বহুত লাভ কৰে ।

বেপাৰৰ বাদে আন কামতো ছেগৰ গুণাগুণ দেখা যায় । ছেগ চাই কৰিলে যি কামত এশ ৰূপ লাগিব ছেগ উকলি যোৱাত কৰিলে তাত চাৰি শ ৰূপ লাগিব । এক সময়ত চাঁওতালৰ পৰা বহুত আকলুৱা মানুহ অসমলৈ আহিছিল । সিহঁত মাটি কটাত বৰ পৈণত আৰু অলপ ধনতেই সন্তোষ হয় । এই ছেগ পাই বহুত অসমীয়া মানুহে নিজ নিজ ঘৰত বৰ বৰ নাদ আৰু বৰ বৰ পুখুৰী খনাই ল'লে । আন সময়ত তেনে নাদ আৰু তেনে পুখুৰী খানোতে যিমান ধন ভগন হ'লহেঁতেন তেতিয়া তাৰ আধাতে সেইবোৰ কাম হৈ উঠিল ।

কিছুমান মানুহে ৰাজঘৰীয়া বিষয় পালে, বিষয় থকা কালটোক ধন গোটাবৰ ছেগ বুলি বিবেচনা কৰে । বিষয় পালে মাগন, এই বচন বহুত দিনৰ পৰা অসমত চলিত আছে । ইয়াৰ পৰা বুজা যায় যে আগৰ অসমীয়া

বিষয়াবিলাকে ধনৰ নিমিত্তে সাধাৰণ ৰায়তৰ ওপৰত অত্যাচাৰ কৰিছিল । সাধাৰণ তৰপৰ মানুহে বিষয়াক সদায় ভয় কৰে, তেনে মানুহে মাগন পেলালে কোনেও নিদি থাকিব নোৱাৰে । কেতিয়াবা ঠেকত পালে পোটক তোলে বুলি ভয়ত ঘৰত ধন নাথাকিলেও আনৰ পৰা ধাৰ ঋণে আনি সিঁহতে বিষয়াক সন্তুষ্ট কৰে । ইয়াক ধন আৰ্জিবৰ ছেগ বুলিব নোৱাৰি । ভয় দেখুৱাই নিৰ্ব্বলীৰ পৰা ধন ল'লে তাক ডকা দিয়া বোলে, আৰু ফান্দত পেলাই ধন ল'লে ঠগ কৰা হয় । বেপাৰৰ অৰিয়া অৰিত বা ঘটনা সূত্ৰত যি সুচল ওলায় তাকেহে আচল ছেগ বোলে ।

ওপৰত কোৱা কথাৰ পৰা বুজা যায় যে মানুহে ইচ্ছা কৰি সুচল আনিব নোৱাৰে, ঘটনাৰ ফেৰত সময় মতে সুচল আপোনা-আপুনি ওলায় । মানুহে বুদ্ধি বিবেচনাৰ বলত সেই সুচল কেতিয়া মিলিব তাকে মাথোন ঠিক কৰিব পাৰে । কিন্তু মাজে সময়ে কৰ্ম্মইও সুচল মিলোৱা দেখা যায়, দীপশলা উলিয়াই দিয়া মাত্ৰেই জগতত তাৰ আদৰ হ'ল আৰু উলিয়াওঁতাৰ ধন ঘটিবৰ ছেগ মিলিল । আগে দীপশলা কেনে বস্তু কোনেও নাজানিছিল, উলিয়াই দিলত সকলোৱে তাৰ মোল বুজি পালে, আৰু ঘৰ নিৰন্তৰে তাক ব্যৱহাৰ চলিল । এতেকে ইয়াত কৰ্ম্মইহে ধন ঘটিবৰ ছেগ মিলালে ।

সুচল বা ছেগৰ পৰিমাণ অনুসৰি সংসাৰত মানুহৰ উদ্‌গতি বা অধোগতি হয় । যি মানুহে জীৱনত সৰহ ছেগ পায় সি সংসাৰত উদ্‌গতি কৰে, যি নাপায় তাৰ অধোগতি হয় । ছেগ পোৱা সম্বন্ধে দুই পক্ষৰ দুই মত শুনা যায় । এক পক্ষৰ পণ্ডিতবিলাকে কয় যে সময়েই মানুহৰ সৌভাগ্যৰ নায়ক অৰ্থাৎ সময়হে মানৱ ভাগ্যৰ ভাল বেয়াৰ গৰাকী । সময়ৰ সোঁত পৰি কোন বা আঢ্যৱন্ত হয়, কোন বা দৰিদ্ৰ হয় । সময়ে কাৰো জীৱনত বহুত ছেগ মিলাই দিয়ে, আৰু কাৰো জীৱনত সমুলি নিদিয়ে । এই শ্ৰেণীৰ পণ্ডিত বিলাকক সাধাৰণ কথাত অদৃষ্টবাদী বোলে । তেওঁলোকৰ বিবেচনাত কপালৰ লিখন অনুসাৰে মানুহ সুভগীয়া বা দুৰ্ভগীয়া হয় । বিপৰীত পক্ষৰ পণ্ডিতবিলাকৰ মত ভিন । তেওঁলোকৰ মতে মানুহে নিজৰ সুদিন দুৰ্দ্দিন নিজে গঢ়ি পিটি লয় । এই দুই

মতৰ কোনটো ঠিক অলপ গমি চালেই তাক বুজিব পাৰি । অদৃষ্টবাদীবিলাকৰ মতেও বিনা পুৰুষাৰ্থে কপালত থাকিলেও একো সিদ্ধ নহয় । তেনেহলে কপালক নধৰি অকল পুৰুষাৰ্থক ধৰিলেই হয় । ছেগ চাই পুৰুষাৰ্থ কৰিলে কাম নিশ্চয় সুসিদ্ধ হয়, ই ধ্ৰুৰূপ কথা ।

সময়ৰ লগত আগুৱাই যোৱা মানুহে তাৰ কৰ্ম্মৰ জোখাৰে ফল পায়, পাচ পৰা বা আগবঢ়াবিলাকে নাপায় । সময়ৰ অনুৰূপ কাম কৰাই উদ্‌গতিৰ ঘাই উপায় । যেতিয়া যি বস্তুৰ আদৰ নাই তাত পৰিশ্ৰম কৰিলে বজা দুখ কৰা হয় । একৰকমকালি অসমত চকঢাৰিৰ বৰ আদৰ আছিল, তেতিয়া যি সৰহকৈ চকঢাৰি কৰিব পাৰিছিল সি লাভ কৰিছিল । বৰ্ত্তমান কালত মানুহৰ ৰুচি লৰিছে, এতিয়া আগৰ দৰে চকঢাৰিৰ চল নাই । যদি কোনোৱে আজি কালি চকঢাৰি ববলৈ শিকে আৰু তাৰ বেপাৰ কৰে, তেনেহলে তাৰ ভাত মিলাই টান হ'ব । এনেকুৱা মানুহক সময়ৰ পাচ পৰা বুলিব পাৰি । এইদৰে যদি আজিকালি কোনোৱে উলৰ ফুল বা পাখিৰ টুপি ববলৈ শিকে, আৰু অসমত তাৰ বেপাৰ পাতে তেনেহলে তাৰো শ্ৰম বজা হ'ব, কিয়নো অসমত আজিলৈকে সেইবোৰ বস্তুৰ চল হোৱা নাই । এতেকে উলৰ ফুল বা পাখিৰ টুপি কৰা মানুহক এতিয়া সময়ৰ আগ বঢ়া বুলিব লাগিব । এক সময়ত ইংলণ্ডৰ এজন পণ্ডিতে এখন পুথি লিখিছিল । সেই পুথি যেতিয়া প্ৰকাশিত হ'ল, তেতিয়া মানুহে তাৰ মোল বুজিব নোৱাৰিলে, গতিকে দেশত পুথিৰ আদৰ নহ'ল, আৰু লিখকেও তেওঁৰ শ্ৰমৰ বেচ নাপালে । পাচে এশমান বছৰ হৈ গ'লত, মানুহে পুথিখনৰ মোল বুজিলে, তেতিয়া তাৰ আদৰ বাঢ়িল, আৰু হাজাৰে হাজাৰে পুথি বেচা গ'ল । এই লিখক জন সময়ৰ আগবঢ়িছিল, সেইবাবে তেঁও পুথি লিখি নিজৰ জীৱনত একো উদ্‌গতি সাধিব নোৱাৰিলে ।

হামাহি

কালিলৈ কৰিম এই কথা বহুত অনৰ্থক মূল । নকৰো বুলি বহি থকা এক কথা আৰু পাচত কৰিম বুলি কাম সাঁচি থৈ দিয়া এক কথা । প্ৰথমটো এটা সমস্যাৰ সিদ্ধান্ত, তাৰ পৰা এটা বিষয়ৰ ওৰলৈ অহা হয়, আন এটা বিষয়ত হাত দিবলৈ আজৰি পোৱা যায় । দ্বিতীয়টো ঢুলনিৰ ডোল, তাৰ অহা যোৱাৰ ওৰ খয় নাই । কালিলৈ কৰিম বোলা মানুহে নিতৌ কামত ধৰে আৰু নিতৌ কালিলৈ থয় । তাৰ মনটো এবাৰ আগুৱায়, এবাৰ পাচুৱায়, এবাৰ কামৰ ওচৰ চাপে, এবাৰ কাম দেখি কোঁচ খাই আহে । এইদৰে ঢুলনি খেলাঁওতেই তাৰ দিন যায়, কাম কৰা নহয় । কৰিব লগীয়া কাম নকৰিলে মানুহৰ মনত এটা খুদুৰনি লাগে সেই খুদুৰনি গুচাবলৈ কিছুমানে পাচে কৰিম, কালিলৈ কৰিম এই বুলি মনক বোধাই থয় । দীৰ্ঘসূত্ৰতা এলাহৰ ফল, মনত এলাহ ৰাখি তাক ঢাকিবলৈ দীৰ্ঘসূত্ৰীয়ে মুখেৰে নানা আসোঁৱাহ দেখুৱায় ; কোনো এবিধ সম্ভাৰৰ নাটনি দীৰ্ঘসূত্ৰীৰ সাধাৰণ ওজৰ, এই ওজৰৰ ঘৰ নাথাকিলে গা বেয়া মন বেয়া লাগিছে বুলি কাম নকৰে । কিন্তু খৰচীয়া মাৰি ওজৰবোৰ বিচাৰি নিলে গুৰিত গৈ এলাহহে পোৱা যায় । এইদৰে মিছায় সঁচায় ওজৰ উলিয়াই হাতত লোৱা কাম পাচুৱাই নিলে সেই কামটোতো নহয়েই তদুপৰি কামটো কৰিম বুলি ৰাখি থোৱা বাবে আন কামতো হাত দিব নোৱাৰি ।

সময়ৰ মূল্য নুবুজা মানুহ দীৰ্ঘসূত্ৰী হয় । এক মুহূৰ্তকৰ ভিতৰত সংসাৰ লয়খয় হ'ব পাৰে, এই কথাৰ বোধ যাৰ আছে সি কেতিয়াও ভৱিষ্যৎ নিধিয়ায়, কেতিয়াও কালিলৈ কৰিব বুলি কাম থৈ নিদিয়ে । আলচা কৰ্ম্ম নহয় সিদ্ধি, বাটত আছে কমা বিধি, এই বচন মানুহ নিৰন্তৰে গায়, আৰু ইয়াৰ অৰ্থও সকলোৱে বুজে তেও যে কিছুমান মানুহে আলচা কাম পাচলৈ সাঁচি থয়, ই বৰ আচৰিত কথা । ইয়াৰ কাৰণ অৱশ্যে এলাহ । এলাহৰ দণ্ডিত মানুহে কৰিব লগীয়া কাম সুচল পাইও নকৰি আগলৈ থৈ দিয়ে । কিন্তু সকলো কামত

এলাহে বাধা দিব নোৱাৰে । যি কাম নকৰিলে গা নৰয় তাত মানুহে এলাহ নকৰে । নামাগিলে মগনীয়াৰ গা নৰয়, সেই দেখি মাগনত মগনীয়াৰ এলাহ নাই । ই অৱশ্যে অন্নজলৰ কথা, উদ্‌গতিৰ কথাতো তেনেকুৱা নাটনি বোধ হ'লে হামাহিৰ বা দীৰ্ঘসূত্ৰতাৰ মূৰ মৰে । দীৰ্ঘসূত্ৰীৰ মনত সদায় অশান্তি, হাতত লোৱা কাম নকৰা বাবে তাৰ মনত সদায় উগুল থুগুল লাগি থাকে । দীৰ্ঘসূত্ৰতা সঞ্চিত ব্যাধিৰ নিচিনা, দিনে নিশায় সি মানুহক দুখ দিয়ে, এতেকে কৰিব লগীয়া কাম ততালিকে কৰি তাৰ হাতৰ পৰা মুক্ত হোৱা শ্ৰেয়স ।

দীৰ্ঘসূত্ৰীয়ে তাৰ কামৰ জোখাৰে ফল নাপায় । যি কামটো আগলৈ কৰিম বুলি আলচি থাকোঁতেই আন এজনে তাক কৰি উলিয়ায় আৰু তাৰবাবে ধন যশস্যা যি পাব লাগে সি পায় । সংসাৰত আগত যোৱাই ডাঙৰ ভাগ পায় । যেনে কি কাম নহওক সবাতকৈ আগে কৰিব পাৰিলে, সৰহ লাভ কৰিব পাৰি । লোৰৰ কাপ ওলাবৰ আগে দুইজন মানুহে কথাটো আলচি আছিল । এজন দীৰ্ঘসূত্ৰী; সি আঁলচোঁতে থাকিল, আন জনে কাপ উলিয়াই দি অচিৰে আঢ্যৱন্ত হ'ল । কৰ্ম্মক্ষেত্ৰত অৰিয়া-অৰি বৰ ডাঙৰ, তাত আগবাঢ়িব নোৱাৰিলে উদ্‌গতি নহয় । নতুন কামত যেনে, পুৰণি প্ৰচলিত কামতো তেনে পটন্তৰ । দীৰ্ঘসূত্ৰীয়ে ছেগাচোৰোকাকৈ কৰি বহুত দিনৰ মূৰত এটা কাম শেষ কৰে । আনে সেই সময়ৰ ভিতৰত কেইবাটাও কৰি অঁতায় আৰু সেই পৰিমাণে ফল লাভ কৰে ।

দীৰ্ঘসূত্ৰীয়ে কালৰ ছেগ হেৰুৱায় । হাঁয় ! আগে নকৰিলোঁ কিয় ? এই অনুতাপ বচন সকলো দীৰ্ঘসূত্ৰীৰ মুখত শুনা যায় । এনে অনুতাপ যেন কৰিব লগীয়া নহয়, এনে হুমুনিয়াহ যেন কাঢ়িব লগীয়া নহয়, তাৰ কাৰবাৰ সকলোৱে কৰা যুগুত । এলাহ এৰি ছেগ মতে কাম কৰিলে তেনে হুমুনিয়াহৰ কাৰণ নাথাকে । ছেগ পৰিবৰ আগন্তুক দেখিলে তালৈ কাম সাঁচি থোৱা বেয়া নহয়, তাক দীৰ্ঘসূত্ৰতা বুলিব নোৱাৰি । ছেগলৈ কাম সাঁচি থোৱা এক কথা আৰু এলাহত পেলাই থোৱা এক কথা প্ৰথমটোৱে মানুহৰ চতুৰালিৰ চিনাকি দিয়ে, দ্বিতীয়টোৱে সৰপালিৰ চিনাকি দিয়ে ।

দীৰ্ঘসূত্ৰীয়ে কামত সময়ৰ নিয়ম ৰাখিব নোৱাৰে । সি এটা কামৰ

এভাগ কৰি বাকি ভাগ পেলাই থয়, পাচে যেতিয়া আকৌ ধৰে, তেতিয়া দেখে যে কৰি থোৱা ভাগো বেয়া হৈ আছে । ফলত এব্যৰৰ কাম দুবাৰ কৰিব লগীয়া হয় । দীৰ্ঘসূত্ৰীয়ে ঘৰ সাজিবলৈ সজুলি গোটাই থয়, পাচে সাজিম বুলি আলচি থাকোঁতে ঘুণে বা ৰদ বৰষুণে তাক আধানাৰ্জ্জি কৰে । কোনোৱে খুটা চতি থিয় কৰি বাকী কাম আলচি থাকোঁতেই খুটা চতি নষ্ট হৈ যায় ।

দীৰ্ঘকাল জীয়াই থাকিলে মানুহক দীৰ্ঘজীবী বোলে, কিন্তু দৰাচলতে তেনে মানুহক দীৰ্ঘজীবী নুবুলি, যি সংসাৰত সৰহ কাম কৰে তাকহে দীৰ্ঘজীবী বোলা উচিত । সময় জীৱনৰ জোখ নহয়, জীৱনৰ আচল জোখ কাম, এশ বছৰৰ কাম যদি কোনোৱে কুৰি বছৰত কৰি থৈ মৰে, তেনেহলে তাক এশ বছৰ জীয়াই থকা বুলি ধৰিব পৰৈ । কিন্তু এশ বছৰ জীয়াই থাকিলেও দীৰ্ঘসূত্ৰীক দীৰ্ঘজীবী বুলিব নোৱাৰি, কিয়নো সি এশ বছৰেও কুৰি বছৰৰ কাম কৰিব নোৱাৰে কামে জীৱন সাম্ফল কৰে । যি কাম নকৰে সি জীয়াই থকা নথকা সমান কথা ।

প্ৰতিজ্ঞা

মূল্য অনুসৰি কাম উজু বা টান হয়, অৰ্থাৎ অলপ মূল্যৰ কাম উজু, আৰু সৰহ মূল্যৰ কাম টান । অলপ মূল্যৰ কাম হেলাৰঙ্গে কৰিব পাৰি, সৰহ মূল্যৰ কামত বহুত যত্ন আৰু শ্ৰম লাগে । কিন্তু যত্ন আৰু শ্ৰম দুয়ো কষ্টদায়ক, সেই দেখি বিদ্যাবুদ্ধি থকা মানুহেও কষ্টৰ ভয়ত সৰহ মূল্যৰ কামত হাত দিবলৈ মান্তি নহয় । কষ্টৰ ভয় মনৰ পৰা গুচাব নোৱাৰিলে সংসাৰত উদ্‌গতি কৰিব নোৱাৰি, এতেকে সংসাৰ যাত্ৰীয়ে ইয়াক গুচাবলৈ চেষ্টা কৰা উচিত। প্ৰতিজ্ঞা এই ভয়ৰ পৰম ঔষধ । প্ৰতিজ্ঞা কৰি কামত লাগিলে শ্ৰমৰ ভয় কেনিবা যায় । আনৰ লগত আৰি মাৰি মানুহে টান কাম সহজে কৰে, আৰিত জিকিবলৈ একাণপতিয়াকৈ লাগে, দুখ কষ্টলৈ সি একেবাৰে আওকণীয়া হয় । আৰিত

প্ৰতিজ্ঞা আছে, সেই প্ৰতিজ্ঞাৰ আগত শ্ৰমৰ ভয় খন্তেকো তিষ্ঠিব নোৱাৰে । এইদৰে আৰি মাৰি, অৰ্থাৎ প্ৰতিজ্ঞা কৰি কামত নালাগিলে ডাঙৰ কাম সিদ্ধ নহয় । জীউ উছৰ্গি কাম কৰিবা, তেহে তাৰ ফল লভিবা, এই বচন দৃঢ় প্ৰতিজ্ঞাৰ পটন্তৰ ।

সিদ্ধি নহ'লে কাম এৰি দিয়া চঞ্চল মানুহৰ ৰীতি । চঞ্চল মানুহে কৰিম বুলি কাম এটা হাতত লয় আৰু জয়জয়তে তাক বৰ উদ্যোগেৰে কৰে, পাচে যদি সেই উদ্যোগত কামটো সিদ্ধ নহ'ল, তেনেহ'লে এৰি পেলায়, দুনাই আৰু সেই কামত হাত নিদিয়ে । ঘনেপতি চেষ্টাকৰা প্ৰতিজ্ঞাত বন্দী হোৱা মানুহৰহে ৰীতি । প্ৰতিজ্ঞা কৰি ধৰা মানুহে আধৰুৱাকৈ কাম এৰিব নোৱাৰে, সিহঁতে এবাৰত নহয় দুবাৰ, দুবাৰত নহয় তিনিবাৰ কৰিও কাম শেষ কৰে । আৰম্ভ কৰা কাম এবাৰত নিসিজিলে পুনৰায় চেষ্টা কৰাকে অধ্যৱসায় বোলে । অধ্যৱসায় মনত লুকাই থকা প্ৰতিজ্ঞাৰ ফল, মনত প্ৰতিজ্ঞা থাকিলে কামত অধ্যৱসায় জন্মে ।

এবাৰত নোৱাৰা কাম অসাধ্য বুলি ভবা উচিত নহয় । যি বুদ্ধি প্ৰথম চেষ্টাত নোলায়, সেই বুদ্ধি দ্বিতীয় বা তৃতীয় চেষ্টাত ওলাব পাৰে । পৃথিৱীৰ ডাঙৰ কাম কোনোটোৱেই এক বা দুই উদ্যোগত হোৱা নাই, বহুত বাৰ চেষ্টা কৰাতহে সিদ্ধ হৈছে । এবাৰ নোৱাৰি আকৌ ধৰিলে, সেইবাৰ কামটো অন্য বুদ্ধিৰে কৰিবলৈ চেষ্টা হয় । এইদৰে বাৰে বাৰে ন বুদ্ধি বিচাৰোতে এবাৰ আচল বুদ্ধি ওলায় পৰে, আৰু কামটোও সেই বাৰ সিদ্ধ হয় । প্ৰতিজ্ঞাৰ উজ্জ্বল পটন্তৰ অমাত জন্তুৰ ভিতৰত সততে দেখিবলৈ পোৱা যায় । বাহ সজাত চৰাইয়ে, বা জাল পতাত মকৰাই এশ বাৰ নোৱাৰিলেও চেষ্টা নেৰে । চৰাইৰ আধৰুৱা বাহ ভাঙ্গি দিলে আকৌ সাজি লয় শ বাৰ ভাঙ্গিলেও শ বাৰ সাজে । অমাত জন্তুৰ প্ৰতিজ্ঞা সম্বন্ধে এটি সৰু আখ্যান আছে । কোনো এক সময়ত এখন দেশক আন এখন দেশৰ ৰজাই আক্ৰমণ কৰে । ইখন দেশৰ ৰজাই দুই তিনি বাৰ যুঁজ দিও শত্ৰু পক্ষক দেশৰ পৰা খেদিব নোৱাৰিলে । অৱশেষত তেওঁ বিবুদ্ধি হৈ শোৱনী ঘৰত পাটীত পৰি ওপৰলৈ চাই গুণা গঁথা কৰি আছে, এনেতে দেখিলে যে এটা মকৰাই ঘৰৰ মুধত জাল পাতিব

লাগিছে । সি প্ৰথম সূতা গছ এমূৰে এটা চতিত লগাই লৈ সিটো মূৰ আন এটা চতিত লগাবলৈ চেষ্টা কৰিছে, এবাৰ লগাই আহিল, এৰি পৰিল, আকৌ গৈ লগাই দিলে আকৌ এৰি পৰিল । এইদৰে ছয় সাত বাৰ মকৰাটোৱে সূতা গছ পাতিবলৈ চেষ্টা কৰি পাতিব পৰা নাই, কিন্তু চেষ্টাও এৰি দিয়া নাই, যিমান বাৰ এৰি পৰিছে সিমান বাৰ গৈ লগাই দিছে । পাচে বহুত বাৰ পুৰুষাৰ্থ কৰাত এবাৰ সূতা গছ লাগি পৰিল, আৰু মকৰাটোৱে সেই সূতা গছক আশ্ৰয় কৰি জাল সাজিবলৈ ধৰিলে । এই কথা দেখি ৰজাই চিন্তা ভাবনা ঠেলি থৈ, সেনা সামন্ত লগত লৈ আকৌ যুজলৈ ওলাল, সেইবাৰ তেওঁ বৰ বিক্ৰমেৰে যুজ দি শত্ৰু পক্ষক হেৰুৱাই নিজৰ ৰাজ্য ৰক্ষা কৰিলে । এতিয়া চোৱা, মকৰাৰ পটন্তৰৰ পৰা ৰজা জনৰ কিমানখিনি উপকাৰ হ'ল । জাল সাজি বাস কৰা মকৰাৰ স্বাভাৱিক ধৰ্ম্ম কোনো উপায়েৰে জাল সাজিবই লাগিব, এই তাৰ অন্তৰৰ বোধ গতিকে সেই কামত তাৰ স্বাভাৱিক প্ৰতিজ্ঞা আছে । মকৰাৰ এনেকুৱা প্ৰতিজ্ঞা দেখি ৰজাৰ মনত প্ৰতিজ্ঞা জন্মিল, আৰু সেই প্ৰতিজ্ঞাৰ উৎকট বলেৰে তেওঁ শত্ৰুৰ লগত ৰণ কৰি জয় লাভ কৰিলে । সকলো কামতে এনেকুৱা প্ৰতিজ্ঞা থাকিলে সিদ্ধি লাভৰ সন্দেহ নাথাকে ।

কৰ্ত্তব্য জ্ঞান

কামত আভূৱা ভাৰি গা এৰাব খোজা বহুত মানুহৰ স্বভাৱ । এই বিলাক মানুহে ভাবে যে কথমপি এপাহ মাৰি কাম দেখুৱাব পাৰিলেই হয়, তাত পাৰ্গতালি দেখুৱাবৰ সকাম নাই, এনে বিবেচনা বহুত মানুহৰ অধোগতিৰ কাৰণ হয় । যি এনে ভাব মনত লৈ কামত ধৰে, তাৰ কাম কেতিয়াও ভাল নহয় । ধন লৈ লোকৰ কাম কৰা মানুহৰ ভিতৰত এনেকুৱা ভাব বৰকৈ দেখা যায় । ই এটা ছলাহী ভাব । ইয়াৰ দুটা কাৰণ হ'ব পাৰে । কোনোৱে নিজৰ

গাত দুখ নিদিয়াকৈ ধন ঘটিব খোজে, কোনোৱে অল্প সময়ৰ ভিতৰত সৰহ কাম দেখুৱাই সৰহকৈ ধন ঘটিব খোজে, কিন্তু সিহঁতৰ এটা অভিপ্ৰায়ো সিদ্ধ নহয় । যি গাত দুখ নিদিয়াকৈ কাম কৰিব খোজে সি ভবা উচিত যে ভালকৈ কাম কৰিলে যি দুখ, এপাহ মাৰি কাম কৰিলেও সেই দুখ হয় । বগলীৰ পাখি যেন নিকা কৰি কাপোৰ ধোওঁতে ধোবাৰ যিমান দুখ হয়, মলি ৰাখি ধুলেও সিমান দুখেই হয় । শকত মেজ এখন কৰোঁতে বাঢ়ৈৰ যিমান দুখ হয়, হেলেক্‌লেকীয় এখন কৰোতেও সিমানেই দুখ হয় । তেনেহলে ধোবা আৰু বাঢ়ৈৰ দুখ ক'ত কমিল ? সেইদৰে যি অলপ সময়ৰ ভিতৰত সৰহ কাম কৰি সৰহ ধন ল'বৰ মনেৰে আভুৱা ভাঁৰি কাম কৰে, তাৰ বুদ্ধি বিপৰ্য্যয় । সিও ভাবি চোৱা উচিত যে ভাল কামৰ মূল্য সৰহ, এপাহ মৰা কামত কোনেও সৰহ ধন নাভাঙ্গে । এপাহ মাৰি থোৱা কুৰিটা কামৰ বেচ ভালকৈ কৰা দুটা কামতেই পোৱা যায় । মুঠতে ক'ব লাগিলে, এপাহ মাৰি কাম কৰিলে কোনো সুফল নফলে, কিন্তু কুফল হ'লে নিশ্চয় ফলে । যিবিলাক মানুহে লোকৰ ঘৰত চাকৰ খাটি জীৱিকা চলায়, সিহঁতে যদি এপাহ মাৰি কাম কৰে, তেনেহলে অচিৰে সিঁহতৰ চাকৰী যায় । এনেকুৱা মানুহে অৱশেষত চাকৰী বিচাৰি নাপায়, বা পালেও আনৰ সমান ধন ঘটিব নোৱাৰে । গৃহস্থালিৰ কাম কৰা সামান্য চাকৰৰ যি পটন্তৰ, ৰাজঘৰীয়া ডাঙৰ বিষয়াৰো সেই পটন্তৰ; আভুৱা ভঁৰা কুৰ্ব্বুধিত চলিলে সিহঁতৰো অধোগতি হয় । সদায় আভুৱা ভাঁৰি কাম কৰিলে পদত উধাওক চাৰি হাতৰ পদ ৰাখিবলৈও টান হয় । এইবোৰ অপকাৰৰ বাজেও আভুৱা ভঁৰা দোষৰ আৰু অপকাৰ আছে । লোকৰ কাম সদায় আভুৱা ভাঁৰি কৰোতে সেই দোষ অনুক্ৰমে স্বভাৱত খাৰি বান্ধে অৰ্থাৎ তেনে মানুহে পাচত নিজৰ কামো ভালকৈ কৰিব নোৱাৰা হয় । এতেকে নিজৰেই হওক বা লোকৰেই হওঁক কাম সততে ভালকৈ কৰা যুগুত । কৰ্ত্তব্যবোধ থকা মানুহে কামত কেতিয়াও আপোন পৰ নিবিচাৰে, লোকৰ কামকো নিজৰ যেন ভাবি ভালকৈ কৰে । সিহঁতে কোনো এটা কাম কৰিম বুলি গাত ল'লেই এটা জগৰ লগোৱা যেন পায়, আৰু যেনে তেনে প্ৰকাৰে কামটো কৰিলেই তাৰ আপদাৰ

এৰালে বুলি নাভাবে । এই শ্ৰেণীৰ মানুহবিলাক সকলোৰেই মৰম আৰু বিশ্বাসৰ পাত্ৰ হয় আৰু সৰহ বিদ্যা বুদ্ধিৰ গৰাকী নহ'লেও সংসাৰত উদ্‌গতি কৰিব পাৰে ।

আগৰ কালত যিবিলাক মানুহে সংসাৰত উদ্‌গিত সাধন কৰি কীৰ্ত্তি থৈ গৈছে তেওঁলোকে সকলোৰেই কৰ্ত্তব্য জ্ঞানত চহকী আছিল, তেওঁলোকে কৰ্ত্তব্য সাধনৰ নিমিত্তে প্ৰাণকো উৰ্চগা কৰিব পাৰিছিল । বৰ্ত্তমান কালতো কৰ্ত্তব্য কামৰ তুলনাত প্ৰাণক তুচ্ছ দেখা মানুহ বহুত আছে । প্ৰত্যেক ডাঙৰ কামত এনেকুৱা এজন মানুহ নায়ক নহ'লে কাম কেতিয়াও সুসিদ্ধ নহয় । এজনৰ কৰ্ত্তব্যবোধৰ গুণত সহস্ৰ মানুহৰ প্ৰাণ ৰক্ষা পৰা, এজনৰ কৰ্ত্তব্যবোধ্য গুণত এক দেশৰ স্বাধীনতা ৰক্ষা পৰা, এজনৰ কৰ্ত্তব্যবোধৰ গুণত অসাধ্য কাম সাধন হোৱা বুৰঞ্জীত বহুত পোৱা যায় । ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়ত এবাৰ বিদ্ৰোহী চিপাহীবিলাকৰ কলাই খাৰৰ নাটনি হৈছিল । সেই সময়ত কাউনপুৰ অঞ্চলত এটা ইংৰাজ গভৰ্ণমেন্টৰ খাৰ ভঁৰাল আছিল, ভঁৰাল কলাই খাৰেৰে ভৰপূৰ । বিদ্ৰোহী চিপাহীবিলাকে সেই ভঁৰাল ৰখীয়া বিষয়াজনক বহুমূলীয়া ভেটিও যাচিছিল, কিন্তু ৰখীয়া বিদ্ৰোহীৰ চহনিত ভোল নহ'ল, তেওঁ ভঁৰালটো কোনো মতেই এৰি নিদিলে । অৱশেষত আন উপায় নেদেখি চিপাহীবিলাকে ভঁৰাল ল'বলৈ যুঁজ পাতিলে । ৰখীয়া বিষয়াজনৰ লগত ৰণুৱা অলপ মাথোন আছিল, বিদ্ৰোহী চিপাহীৰ সংখ্যা সৰহ, গতিকে তেওঁ চিপাহীবিলাকৰ ৰণত জিকিব নোৱাৰিলে । পাচত তেওঁ দেখিলে যে ভঁৰাল ৰাখিবৰ আৰু উপায় নাই, সি নিশ্চয় বিদ্ৰোহীৰ হাতত পৰিব, সেই দেখি তেওঁ তাক পুৰি পেলোৱা উচিত বিবেচনা কৰিলে । কিন্তু ভঁৰালত জুই দিলে তেওঁৰ প্ৰাণ ৰক্ষা নপৰে, তাৰ লগতে পুৰি মৰিব লাগিব । এইটো বৰ টান কথা, কিন্তু বিষয়া জনে ইয়াক টান যেন নাভাবিলে, তেওঁ নিৰ্ভয়ে গৈ ভঁৰালত জুই লগাই দিলে । খাৰৰ ভঁৰাল জুইৰ গোন্ধ পোৱা মাত্ৰই ভয়ঙ্কৰ শব্দ কৰি ছাৰখাৰ হ'ল, আৰু বিষয়াজনেও তাৰ লগতে প্ৰাণ এৰিলে । এইদৰে ভঁৰাল নষ্ট নকৰাহেঁতেন তাৰ বলত বিদ্ৰোহীবিলাকে দেশত আৰু বহুত উপদ্ৰৱ কৰিলেহেঁতেন । বিষয়াজনৰ কৰ্ম্মৰ গুণত ইমান এটা ভয়ঙ্কৰ বিপদ নিবাৰণ হ'ল । এই বিষয়াজনৰ কৰ্ত্তব্যবোধ

শলাগিব লগীয়া । যেতিয়া যুঁজত হাৰিল, তেতিয়া তেওঁ ভাঁৰল এৰি দি প্ৰাণ লৈ গুচি যাব পাৰিলেহেঁতেন, তাৰ পৰা তেওঁৰ কোনো অখ্যাতি বা অপৰাধ নহ'লহেঁতেন, তথাপি যে তেওঁ জুইত জাহ দিলে, ই কেৱল তীক্ষ্ণ কৰ্ত্তব্যবোধৰ গুণ । চীন জাপানৰ ভিতৰত যি যুঁজ হৈ গৈছে, তাতো কৰ্ত্তব্যবোধৰ পটন্তৰ বহুত পোৱা যায় । এখন সমুদ্ৰ-যুঁজত এজন জাপানী চিপাহীয়ে জাহাজত থকা খাৰ ভঁৰালৰ ৰখীয়াৰ বাব পাইছিল । এদিন যেতিয়া দুয়ো পক্ষৰ ভিতৰত তয়ামথয়া যুঁজ, তেতিয়া পানীৰ সোঁতৰ কাৰণেই হওক, বা আন কোনো কাৰণতেই হওক খাৰ থকা জাহাজ খন ঘুৰিলে আৰু খাৰ ভঁৰালটো শত্ৰু পক্ষৰ ফালে পৰিল । এই সুচল পাই সেই সেনাবিলাকে তাৰ ওপৰত ধাৰাসাৰে গুলি বৰষিবলৈ ধৰিলে । ৰখীয়াজনে দেখিলে যে খাৰত গুলি পৰিলে জাহাজত জুই লাগি প্ৰমাদ মিলিব, সেই দেখি ভঁৰাল ঢাকিবলৈ সি দুৱাৰ মুখত থিয় হ'ল, খেহৰ গুলি তাৰ গাত পৰিব ধৰিলে কিন্তু খাৰ ঢুকি নাপালেগৈ যদিও দুই এটা তাৰ গা সৰকি গৈ খাৰত পৰিছিল, বাটত জুৰাই যোৱাত খাৰত জুই নালাগিল । সেইদিনৰ যুঁজ শেষ হ'লত জাপানী সেনা সকলোৱে নিজ নিজ ঠাইত জিৰণি ল'বলৈ গ'ল, কিন্তু খাৰ ৰখীয়াজন ভঁৰালৰ দুৱাৰতে থিয় হৈ থাকিল । ইয়াৰ কাৰণ বুজিব নোৱাৰি জনচাৰেক মানুহ চাবলৈ গ'ল, গৈ দেখিলে যে তাৰ জীৱ নাই, মৰিছে, আৰু শটো ঠেৰেঙ্গা মাৰি থিয় হৈ আছে, তাৰ গাত একুৰি আঠোটা গুলিৰ ফুটাও আছে । এইটো কৰ্ত্তব্যবোধৰ এটা উগ্ৰ দৃষ্টান্ত । এইবোৰৰ বাদে আজি কালিৰ দিনত জাহাজ চলাওঁতা আৰু ৰেইল গাড়ী চলাওঁতা বিষয়াবিলাকে নিজৰ প্ৰাণ দি যাত্ৰীৰ প্ৰাণ ৰক্ষা কৰা মাজে সময়ে শুনা যায় । এনেকুৱা অটল কৰ্ত্তব্য জ্ঞান থাকিলে কৰ্ম্ম সিদ্ধি নহৈ থাকিব নোৱাৰে । কৰ্ত্তব্য জ্ঞানে কৰ্ম্মলৈ উৎসাহ আৰু প্ৰতিজ্ঞা জন্মায় ।

ধনৰ ব্যৱহাৰ

ধনৰ সকাম আৰু উপাৰ্জ্জনৰ বিষয়ে আগত আলোচনা কৰা হৈছে, কিন্তু তাৰ ব্যৱহাৰৰ বিষয়ে কোনো কথা কোৱা হোৱা নাই । ধন উচিত ৰূপে ব্যৱহাৰ কৰিব নাজানিলে তাৰে সুফল ফলাব নোৱাৰি । পৃথিৱীত এনেকুৱা বহুত মানুহ আছে যি ধনৱন্ত হৈও অষ্টম দৰিদ্ৰৰ নিকাৰ ভুঞ্জে । এইবিলাক মানুহক সাধাৰণ কথাত কৰাইচ, কট্‌কিনা বা কৃপণ বোলে । কৃপণক নিধনী বুলিলে অযুগুত নহয় । চকুৰে দৰ্শন আৰু ভৰিৰে বুলন কাম নকৰিলে তেনে মানুহৰ সেই দুই চভিয়া নাই বুলি ধৰিব পাৰি । সেইদৰে যি মানুহে ধন থাকোতে ধনৰ কাৰ্য্য নকৰে তাক নিধনী বুলিলে যুক্তিৰ দোষ নহয় । আচল মতে কৃপণৰ ধন, ধন নহয়, লৰাই ওমলা খোলাকটি ।

ধনৰ দুইৰকম ব্যৱহাৰ হ'ব পাৰে, প্ৰথম ধনেৰে সুখ সম্পদৰ আহিলা পাতি গোটাই ল'ব পাৰি । ভোজনৰ ভাল বস্তু, পিন্ধনৰ ভাল কাপোৰ, বাসৰ ভাল ঘৰ, আৰু হাতী, ঘোঁৰা, গাড়ী, দোলা, বন্দী, বেটী আদি কৰি সাংসাৰিক সুখৰ আহিলাবোৰ ধন হ'লে গোটাই আনি উপভোগ কৰিব পাৰি । দ্বিতীয়, ধনেৰে আনৰ উপকাৰ সাধিব পাৰি ; ভাত নোহোৱাৰ ভাত, কাপোৰ নোহোৱাৰ কাপোৰ ধনেৰে যতোৱা যায়, মানুহ বিপদত পৰিলে ধনেৰে উদ্ধাৰ কৰিব পাৰি, আৰু বিদ্যালয়, চিকিৎসালয় আদি থাপন কৰি সৰ্ব্বসাধাৰণৰ উপকাৰ কৰিব পাৰি । কৃপণৰ ধন এই কাৰ্য্যবোৰৰ কোনোটোত নালাগে । ভোগৰ নিমিত্তে ধন, এই কথা কৃপণে নুবুজে । লাজ ঢকা আৰু প্ৰাণ প্ৰৱৰ্ত্তোৱা, এই দুইত বাজে আন কামত ধন ভঙ্গা কৃপণৰ ধৰ্ম্ম নহয় । তাৰ বিবেচনাত উত্তম ভোজন খঁক, উত্তম পিন্ধন গপ, আৰু দান দক্ষিণা ধনৰ অপব্যয় মাতোন । লোকৰ উপকাৰৰ অৰ্থে ধন খৰচ কৰিলে সি অত্যাচাৰ কৰা যেন বোধ কৰে । উৎসৱত ধন ভাঙ্গিলে তাৰ বিবেচনাত উদ্ভণ্ডালি কৰা বা ওভতগোৰে নচা হয় । ল'ৰা-তিৰোতা কৃপণৰ মানত ধনতকৈ হীন । সি নিজে যেনে খৰচৰ ভয়ত ধন বান্ধি থৈ দুখ ভোগ কৰে তাৰ ল'ৰা-ছোৱালীকো সেইদৰে খাৱন পিন্ধনত দুখ

দিয়ে । নীতিবচন আছে যে কৃপণক উপাসা কৰাৰ নিচিনা আৰু দুখ নাই যি কৃপণৰ ভাতলৈ আশা কৰে, তাৰ জীৱন কুকুৰ জীৱন ।

কৃপণৰ বিবেচনাত ধনৰ মূল্য সৰহ, কামৰ মূল্য অলপ, গতিকে সি সৰহ কামত অলপ ধন যাচে বা মুঠে নিদিবলৈ ফাঁকটি কৰে । আন মানুহে ধন খৰচ কৰিলেও কৃপণে সহিব নোৱাৰে । কোনো মানুহে-ডাঙৰ সকাম পাতি সৰহকৈ ধন ভাঙিবলৈ ওলালে, সি তাত বিধি-পথালি কৰে আৰু অনেক আসোঁৱাহ দেখুৱায় । এইবিলাক উপায়েৰে কামত বাধা দিব নোৱাৰিলে, এটা মিছা কথা উলিয়াই তাৰ কুচ্ছা ৰটনা কৰে । এই শ্ৰেণী কৃপণৰ সজ অসজ দুয়ো বিধ বৃত্তিৰ বল কমি যায়, কিয়নো অলপ অচৰণ ধন খৰচ নকৰিলে সজ অসজ কোন বৃত্তিকেই চৰিতাৰ্থ কৰিব নোৱাৰি । দয়া বৃত্তি ফলাব লাগিলেও অলপ ধন লাগে, আৰু অহঙ্কাৰ বা লোভ ফলাব লাগিলেও অলপ ধন লাগে ।

কৃপণ আৰু এক শ্ৰেণীৰ আছে । সিহঁতৰ সজ বৃত্তিবোৰৰ তেজ কমি গ'লেও অসজ বৃত্তিবোৰ প্ৰবল থাকে, আৰু সেই অসজ বৃত্তিবোৰ সিহঁতে আনৰ খৰচত সন্তুষ্ট কৰিবলৈ সদায় যত্ন কৰে । ভাল বস্তু খাবলৈ সিহঁত বৰ অভিলাষ কিন্তু নিজৰ ধন খৰচ কৰি ভাল বস্তু কেতিয়াও নাখায় । নিজৰ ঘৰত সিহঁতৰ সদায় শাক ভাতৰ ব্যৱস্থা, কিন্তু লোকৰ ঘৰত উপাদেয় বস্তু নহ'লে ভোজন নকৰে, নিজৰ ঘৰত সদায় এখন আঞ্জা, লোকৰ ঘৰত পাঁচ খন বিচাৰে, নিজৰ কামত খোজ কাঢ়ি এদিনৰ বাট যায় । লোকৰ কামত বাহন নহ'লে এখোজো নলৰে । মুঠ কথা, লোকৰ ওপৰত পালে সিহঁতে ভালৰো ভাল খায় ভালৰো ভাল পিন্ধে , কিন্তু নিজ খৰচে চলিব লাগিলে মোটা চাউলৰ ভাত খাই আৰু ঢৰিয়া সূতাৰ কাপোৰ পিন্ধি দিন কটায় । খাৱন পিন্ধন সম্বন্ধে এই শ্ৰেণীৰ কৃপণৰ মুখত সদায় ডাঙ্কোপ মৰা কথা । সিহঁতে নিজৰ ঘৰৰ আচল অৱস্থা কেতিয়াও সদৰী হ'ব নিদিয়ে, কাৰণ তেনেহলে আনৰ ঘৰত ডাঙ্কোপ মাৰিবলৈ বা দম্ভালি কৰিবলৈ বাট নৰয় । ঘৰত খাৰণিৰে ভাত খাই বাজত ঘিঁউৰ ব্যাখ্যা কৰা মানুহ পৃথিৱীত বহুত আছে । সিহঁতৰ বাজৰ ফাল বিতোপন, কিন্তু ভিতৰৰ ফাল কুন্ধচ । বাজত বৰ চুৰিয়াৰ ফেৰ, ভিতৰত ঢকুৱাৰ বেৰ এই ফঁকৰাটো যদিও মানুহে অকল ভৰকাল দৰিদ্ৰত খটায়, ই কৃপণতো ভালকৈ খাটে । ফুল

বচা চৰাঘৰ, স্বৰগ দেখা বৰ ঘৰ, এনেকুৱা গৃহস্থালি বহুত কৃপণৰ দেখা যায়। ই কৃপণালিৰ ঢাকন । এই শ্ৰেণীৰ কৃপণে সামান্য বস্তুক ভৰকীয়া নাম দিয়ে, ভগা খাটক পালং ভগা কাঁহীক মাইহাং আৰু ফটা কঁথাক নিহালী বুলিহে ব্যাখ্যা কৰে ।

কিহৰ পৰা মানুহৰ কৃপণালি জন্মে তাক ঠাৱৰকৈ কোৱা টান । কৃপণবিলাকৰ জীৱন বৃত্তান্ত ভালকৈ গমি চালে দেখা যায় যে সিহঁতৰ কিছুমানে ধন উভৈনদী কৰি পৃথিৱীত এটা খ্যাতি ৰাখিবৰ মনেৰে কৃপণালি কৰে আৰু কিছুমানে সন্তান সন্ততিলৈ ধনৰ এটা অক্ষয় ভাণ্ডাৰ বান্ধি থ'বৰ মনেৰে কৃপণালি কৰে । এই দুয়ো শ্ৰেণীৰ কৃপণে কিমান ধন হ'লে সিহঁতৰ অভিপ্ৰায় সিদ্ধ হ'ব ক'ব নোৱাৰে, গতিকে সিহঁতৰ গোটেইটো জীৱন কৃপণালি কৰি ধন গোটাওঁতেই যায় । আৰু এক শ্ৰেণীৰ কৃপণ আছে, সিহঁতে কেৱল ধনৰ নিমিত্তেই ধন গোটায়, আন একো সিঁহতৰ অভিপ্ৰায় নাই, ধনৰ পৰিমাণ বাঢ়িলেই সিহঁতৰ আনন্দৰ পৰিমাণ বাঢ়ে । সিহঁতৰ নামত ধন সুখ ভোগৰ উপায় নহয় স্বয়ং ধনেই সুখ । ধনৰ নামত সিহঁত উদ্বাউল হয়, ধনৰ আন ব্যৱহাৰ সিঁহতে নাজানে, ধন চকুৰে চাই থকাই সিহঁতৰ পৰম সুখ । ল'ৰা-ছোৱালী বা আন কোনো পৰিয়াল নোহোৱা মানুহৰ পক্ষে কৃপণালি কৰি ধন সাঁচিবৰ কোনো কাৰণ দেখা নাযায়, কিন্তু তেনেকুৱা মানুহৰ ভিতৰত কৃপণৰ সংখ্যা সৰহ । ৰজাই আক্ৰোহ আৰু বজাৰ আক্ৰোহ সমান, এটা বচন আছে । ৰজাই আক্ৰোহ কৰি ধন সাঁচে প্ৰজাৰ অৰ্থে খৰচ কৰিবলৈ, কিন্তু বজাই আক্ৰোহ কৰি ধন সাঁচে কেৱল চাই থাকিবলৈ । এই বিলাক কৃপণৰ বাদে আৰু এক শ্ৰেণীৰ কৃপণ আছে । ইঁহতে কোনো এটা সঙ্কল্প কৰি থোৱা ডাঙ্গৰ কামত খৰচ কৰিবলৈ কট্‌কিনালি কৰি ধন গোটায় আৰু কামৰ জোখাৰে ধন গোট খালে তেতিয়া তাক মুকলি হাতে খৰচ কৰে । আচল মতে ইহঁতক কৃপণ বুলিব নোৱাৰি । খৰচত হাত টান হ'লে মানুহক কট্‌কিনা বা কৃপণ বোলে । ইহঁতৰ হাত টান নহয়, কেৱল আগলৈ খৰচ কৰিবৰ মনেৰে সঞ্চয় কালত কট্‌কিনালি কৰে ।

খৰচত হাত টান হ'লে যেনেকৈ কৃপণ নাম পায়, ওচ মোচ নিবিচাৰি সৰহকৈ খৰচ কৰিলেও তেনেকৈ ধুঁৱাখুলীয়া নাম পায় । কৃপণ হোৱা যেনে

নিন্দাৰ কথা, ধুঁৱাখুলীয়া হোৱাও তেনে নিন্দাৰ কথা । কৃপণেও ধনৰ উচিত ব্যৱহাৰ নাজানে, ধুঁৱাখুলীয়াইও ধনৰ উচিত ব্যৱহাৰ নাজানে । এজন কেৱল সঞ্চয় কৰাত উত্ৰাৱল, এজন ক্ষয়ঙ্কাৰ কৰাত উত্ৰাৱল । খৰচীৰ পক্ষে ধন এটা অসহনীয় বোজা এটা বিষম আহুকাল, তাক খৰচ কৰি অন্ত নকৰে মানে তাৰ মনত সন্তোষ নাই । খৰচৰ কোনো সকাম নাথাকিলেও সি এটা সকাম গঢ়ি লয় । এনে বিধৰ মানুহ এদিন ধনী আৰু এদিন দৰিদ্ৰ হয়, এদিন নানা ভোগ উপভোগ কৰে, এদিন লোণে ভাতে পেট ভৰায়, এদিন লোকক বৰ ভোজ দিয়ে, এদিন লোকৰ দুৱাৰত নিজে আঁচল পাতে । খৰচী মানুহে ধন গোট কৰি কোনো ডাঙৰ কাম কৰা দূৰৈৰ কথা নিজে বিপদত তৰিবলৈও তাৰ সমৰ্থ নাইকিয়া হয়, সমস্ত জীৱনটো ধন ঘটি অন্তত সি পৰৰ ভাতলৈ আশা পালিব লগীয়া হয় । খৰচী মানুহে তাৰ অভাৱৰ উমান নাপায়, সেই দেখি সি সকামতকৈ সৰহ বস্তু আসাদন কৰে, অৰ্থাৎ এসেৰৰ সকামত দহ সেৰ কিনি একড়াৰ ঠাইত এপোণ খৰচ কৰে । ইহঁতে নিজে যেনে খৰচ কৰিবলৈ উৰুলীকৃত, আনকো সেইদৰে উগদাই উৰুলীকৃত কৰে । ইহঁতে ভৱিষ্যৎ নাভাবে, এশ বাৰ ধনৰ নাটনিত পৰি কক্‌বকাই ফুৰিলেও শিকনি নলয় । ইহঁত আমঠ, ইহঁতৰ স্বভাৱ শুধৰণিৰ বাজ ।

কৃপণালিৰ কাৰণ যেনে ঠাৱৰকৈ ক'ব নোৱাৰি, ধুঁৱাখুলীয়ালিৰো কাৰণ তেনে ঠাৱৰকৈ ক'ব নোৱাৰি । ভালকৈ গমি চালে ইয়াকে দেখা যায় যে কেৱল খিতাপ দেখুৱাবলৈহে মানুহ ধুঁৱাখুলীয়া হয় । কিন্তু জনা বুজা মানুহে ধুঁৱাখুলীয়ালিক খিতাপ বুলি নধৰে কেৱল চহা দুখীয়া তৰপৰ মানুহে তাক খিতাপ কৰা বোলে । অশিক্ষিত দুখীয়া মানুহে ধুমধামকৈ খৰচ কৰা দেখিলে বিস্ময় মানে, আৰু যি তেনেকৈ খৰচ কৰে তাক 'বৰলোক বুলি বিবেচনা কৰে । চোৰেও চুৰ কৰা ধন খৰচ কৰি সিহঁতৰ চকুত চমক লগাব পাৰে । অশিক্ষিত সামান্য মানুহৰ মানত ধন খৰচ কৰা এটা মহতালিৰ কৰ্ম্ম । সিহঁতে ধনীক ঈশ্বৰ যেন দেখে, ধনীৰ অত্যাচাৰক প্ৰতাপ বোলে, কুকামক ধেমালি বোলে আৰু ধনীৰ মাৰ কিলক আদৰ বুলি ভাবে । সিহঁতৰ ভাল বেয়া বোধ নাই, মান অপমানৰ জ্ঞান নাই । এনেকুৱা নিৰ্ব্বোধ মানুহৰ প্ৰশংসা পাবলৈ যি

নিজৰ হিতাহিত জ্ঞানক ঠেলি থৈ অযুগুত খৰচ কৰি দুখ মাতি আনে সি যে আও নিৰ্ব্বোধ তাত এক ধনিষ্ঠাও সন্দেহ নাই ।

ধন ঘটিবলৈ উজু, কিন্তু ৰাখিবলৈ টান, এই কথা লোক নিৰন্তৰে কয় আৰু কথা আযাৰত যে সাৰ নাই , এনেও নহয় । জগতৰ সকলো মানুহে ধন আৰ্জে, কিন্তু দুই চাৰি জনহে ধনৱন্ত হয় । বহুতে বিবেচনা কৰে যে যাৰ সৰহ আৰ্জ্জন তাৰ পক্ষে ধনৱন্ত হোৱা টান কথা নহয় । কিন্তু পৃথিৱীৰ দৃষ্টান্তলৈ চালে এই কথাৰ মিছা ধৰা পৰে । সৰহ উপাৰ্জ্জন কৰিও অন্তত ঋণৰ বোজা মূৰত লৈ প্ৰাণ এৰা মানুহ জগতত বহুত পোৱা যায়, আকৌ অলপীয়া আৰ্জ্জনেৰে ধনৱন্ত হোৱা মানুহো বহুত আছে । এতেকে আৰ্জ্জনৰ কম বেচিত মানুহ ছহকী বা দুখীয়া নহয়, ধনৰ সজ বা অসজ ব্যৱহাৰৰ পৰাহে হয় ।

আয় অনুসৰি খৰচ কৰাই অৰ্থ ব্যৱহাৰৰ মূল মন্ত্ৰ । আয়ৰ জোখেই খৰচৰ জোখ হোৱা উচিত । আয় অলপ, খৰচ সৰহ সেয়েই দৰিদ্ৰ হ'বৰ চিন । যি মানুহে ধনৰ নাটনি এৰাব খোজে সি তাৰ আয়ৰ চাৰি ভাগৰ এভাগ সাঁচি ৰখা উচিত কিন্তু যি ধনৱন্ত হ'ব খোজে সি আয়ৰ পূৰা আধা সাঁচিব লাগে । এজন পণ্ডিতে কৈছে যে উৎপন্নৰ আধা সাঁচিলে মানুহ ধনী হ'ব পাৰে আৰু তেহাঁই সাঁচিলে নিধৰুৱা হৈ সুখেৰে খাই লৈ থাকিব পাৰে, এই কথা সৰহ আৰ্জ্জন আৰু অলপ আৰ্জ্জন দুয়োতে খাটে ।

সলাব বা কমাব নোৱাৰা কৰি খৰচৰ নিৰিখ বান্ধি লোৱা উচিত নহয় । আয় টুটি আহিলে সেই নিৰিখে খৰচো কমাই অনা উচিত, আনৰ নিন্দালৈ ভয় কৰি আয় কমি গ'লেও খৰচ অটুট ৰখা অযুগুত । খৰচ সম্বন্ধে কেতিয়াও চকুলাজ ৰখা উচিত নহয় । তোমাৰ ভিতৰুৱা অৱস্থা তুমি মাথোন ভালকৈ জনা আনে নাজানে এতেকে নজনা মানুহৰ কথাত উতলা হৈ ভৰক ৰাখি থকা অনুচিত । দুখীয়া মানুহ ধনৱন্ত হ'লে, সি যেনে ভৰক দেখুৱাবলৈ লাজ নকৰে, সেইদৰে ধনৱন্ত মানুহেও দুখৰ দিনত ভৰক এৰিবলৈ লাজ কৰিব নালাগে । বহুত মানুহে সিহঁতৰ ভিতৰুৱা অৱস্থা ঢাকিবলৈ বাজৰ ভৰক সমানে ৰাখে, এই কথা অযুগুত । নিজৰ বেয়া অৱস্থা ৰিঙিয়াই কৈ ফুৰা উচিত নহলেও তাক জোৰা তাপলি দি উপৰুৱা ঢাকনেৰে ঢাকি থোৱাও উচিত

নহয় । ধনী মানুহ দুখত পৰিলে মানুহে তাক পুতৌ কৰে, কিন্তু অৱস্থা লুকাই ভৰক মাৰি ফুৰিলে, সি পুতৌ নাপায় । এতেকে অৱস্থা হীন হ'লে বাজৰ ভৰক বাজৰ চাক-চিকুণালি এৰি দি খৰচ কমোৱা উচিত । ইয়াকে কৰিব নোৱাৰি বহুত মানুহ অথাই বিপদত পৰে । খৰচ কমাবলৈ বুদ্ধি দিলে এই বিলাক মানুহে কয় যে আগৰ চলন সিহঁতৰ স্বভাৱত বহি গৈছে তাক এৰিব নোৱাৰে । ইহঁতে দুৰৱস্থাত পৰিলেও খাবলৈ ভাল বস্তু আৰু পিন্ধিবলৈ ভাল কাপোৰ বিচাৰে, দৌল-দুৰ্গোৎসৱ আদি যি বাপতীয়া বাৰ্ষিক থাকে তাকো আগৰ আড়ম্বৰেৰে চলায় । বৰ সবাহ, বৰভোজ, দৌল-দুৰ্গোৎসৱ আদি বাৰ্ষিকে কিমান মানুহক দুখত পেলাইছে তাৰ লেখ দিব নোৱাৰি । এইবিলাক মানুহে জনা উচিত যে উৎসৱ আড়ম্বৰ আঢ্যৱন্ত বস্তু, দৰিদ্ৰক সি কেতিয়াও নুশুজে ।

আৰ্জ্জনতকৈ সৰহ খৰচ কৰিলে মানুহৰ ঋণ হয় । ঋণক মানুহে পাপৰ লগত ৰিজায় আৰু কঁওতে ঋণ পাপ বুলি কয়, কাৰণ পপীয়া মানুহৰ দৰে ঋণী মানুহেও বহুত লাঞ্ছনা ভোগ কৰে । ঋণী মানুহে সমাজত গৰিহণা খায়, মান মৰ্য্যদা হেৰুৱায়, আৰু সিহঁতৰ মনৰ সুখ শান্তি নাইকিয়া হয় । ঋণক ব্যাধিৰ লগত ৰিজায়, কাৰণ ব্যাধিৰ লগত ঋণৰ বহুত মিল আছে । ব্যাধিয়ে মানুহৰ তেজ মাংস ক্ষয় কৰে, ঋণে অৱস্থা ক্ষয় কৰে অৰ্থাৎ অনুক্ৰমে অৱস্থা হীন কৰি নিয়ে । ব্যাধি এবাৰ হ'লে গুচাবলৈ টান, ঋণো এবাৰ হ'লে গুচাবলৈ টান । ব্যাধি অনুক্ৰমে বাঢ়ি যায়, ঋণো অনুক্ৰমে বাঢ়ি যায় । ব্যাধি থাকিলে শৰীৰৰ উদ্‌গতি নহয়, ঋণ থাকিলে অৱস্থাৰ উদ্‌গতি নহয় । এনেকুৱা ঋণ-ব্যাধি পৰাপক্ষত চপাই ল'ব নালাগে ।

ঋণে মানুহক খৰচীয়ো কৰে, কাৰণ দুখৰ ধন খৰচ কৰোঁতে মনত যেনে চিন্তা হয় ঋণৰ ধন খৰচ কৰোঁতে তেনে চিন্তা নহয় । ধন আৰ্জ্জনৰ বহুত দুখ আৰু সেই দুখ আৰ্জ্জোতাৰ মনত সদায় থাকে, খৰচ কৰিবৰ সময়তো সেই দুখ মনত পৰে গতিকে দুখৰ ধনৰ অবাবত একড়া গ'লেও মন চেংচেঙ্গায় । কিন্তু ঋণ কৰি গোটোৱা ধন তেনে নহয়, সেইদৰে ধন গোটাওঁতে একো কষ্ট নাই, এনেকুৱা ধন বাটত পোৱা ধনৰ নিচিনা, এতেকে তাৰ দোপোণ ছকড়া অথলত গ'লেও মনত চেঙ্গা নালাগে । ধাৰ কৰি অনা ধন মানুহে ওৱাদানিকৈ

খৰচ কৰে । এতেকে যি সদায় ধাৰত চলে সি অচিৰে ধুঁৱাখুলীয়া হয় ।

ধাৰ কৰি ধন আনি হাতত লৈ খৰচা কৰা জহতহ, কিন্তু দোকানৰ উঠনা খোৱা বৰ ধ্বংসীয়া কথা । সি নামত যেনে উঠনা কামতো তেনে উঠনা অৰ্থাৎ সি কেৱল উঠিহে যায় নামিব নাজানে । এনেকুৱা ব্যৱস্থাই গৃহস্থালি খাস্তাং কৰে । হাতত লৈ ধন ভাঙ্গিলে ভগনৰ পৰিমাণ চকুৰে দেখা যায় আৰু সৰহ ভগন হ'লে মন বেয়া লাগে । কিন্তু উঠানৰ ভগন চকুৰে নেদেখি, সি কেৱল দোকানীৰ কাকততহে থাকে সেই দেখি উঠনাত বহুত গ'লেও মন নেচেঙ্গায় । বিশেষত নগদ ধনেৰে কিনিব লাগিলে মানুহে সৰু অভাৱলৈ মন নকৰে, তেনেকুৱা বহুত অভাৱ আওকান কৰি সংসাৰ চলায় । কিন্তু উঠানত চলা মানুহে এটা অভাবো সহিব নোখোজে । এটা সামান্য বস্তুৰ নাটনি হ'লেই সিহঁত অস্থিৰ হয়, আৰু তৎক্ষণাৎ তাক কালিয়নে পূৰণ কৰে ।

ধাৰ কৰি ধন গোটাবলৈ বৰ উজু, সেই দেখি অলপ কিহবাৰ নাটনি পৰিলেই মানুহে ধাৰলৈ মন মেলে । ই বৰ অযুগুত কথা । ধাৰ নিজেই এটা আপদ । সামান্য নাটনিত তালৈ, হাত মেলা উচিত নহয় । ডাঙ্গৰ আপদত তৰিবলৈ কেতিয়াবা ধাৰ কৰিবৰ সকাম হয় । কিন্তু তেতিয়াও শুজিবৰ উপায় কৰিবে ধাৰ কৰা উচিত । শুজিবৰ উপায় নথকাতো ধাৰ কৰিলে মানুহক ছল কৰা হয় ।

আয় কমাৰ লগে লগে খৰচ কমাই আনিলে ধাৰ কৰিবৰ সকাম নহয়, এই কথা সকলোৱে স্বীকাৰ কৰে, আৰু ভৱিষ্যৎ গুণা মানুহে সেই নিয়মত চলে । কিন্তু কিছুমান মানুহে খৰচ কমাবলৈ দিহা নাপায়, সিঁহতে নকমাব লগীয়া খৰচ কমায়, কমাব লগীয়া খৰচ নকমায়, ফলত বহুত চেষ্টা কৰিও মুঠে খৰচ কমাব নোৱাৰে । খৰচ কমাব লাগিলে এদিনীয়া ডাঙৰ খৰচত হাত নিদি প্ৰথমতে নিতৌ কৰা সৰু সৰু খৰচত হাত দিয়া উচিত । এদিন এটা ডাঙ্গৰ খৰচ কৰিলে মানুহ দুখত নপৰে, কিন্তু সৰু সৰু খৰচ সৰহকৈ কৰিলে অনুক্ৰমে দুখীয়া হৈ যায় । খুচুৰীয়া খৰচৰ চোৰাং গতি, সি বেগতে চকুত নপৰে কিন্তু বছেৰেকৰ খুচুৰীয়া খৰচ গোট কৰিলে ডাঙৰ খৰচতকৈ ডাঙৰ হয় । বেজীৰ জলঙ্গা মনে, কুঠাৰৰ জলঙ্গা নমনে এই বচনটো সকলো ঠাইতে চলিত

আছে । এটকাৰ পাচ এৰি এ কড়ালৈ হামৰাও কাঢ়িলে মানুহে এই পটন্তৰ দিয়ে । কিন্তু দৰাচল পক্ষত এদিনীয়া এটকা এৰি খুচুৰীয়া খৰচৰ একড়াতো বৰকৈ চকু ৰখা উচিত । খু চুৰীয়া খৰচ গুপ্ত শত্ৰুৰ নিচিনা, সি গম নোপোৱাকৈ মানুহৰ অনিষ্ট কৰে । খৰচ কমাব লাগিলে বাজৰ ভৰক একেবাৰে এৰি দিব লাগে । হাতী, ঘোঁৰা, বন্দী, বেটী দুৰৱস্থাত পৰা মানুহৰ পক্ষে নহয় । দুৰ্দিনত দান দক্ষিণাও অযুগুত ।

ৰাগীয়াল বস্তু

সজ কথাতকৈ অসজ কথাত মানুহৰ ৰাপ বেচি । অৱাচ্য কথা কৈ ধেমালি আৰু অসজ কাম কৰি আনন্দ কৰিবলৈ সৰহ ভাগ মানুহে ভাল পায় । সজ কথা উলিয়ালে শুনোতা পাবলৈ টান, কিন্তু অসজ কথা উলিয়ালে মানুহে জুমুৰি দি ধৰে । সেই দেখি ৰং ধেমালিত অসজ কাম কৰিবলৈ বা অবাচ্য কথা ক'বলৈ মানুহৰ ইচ্ছা হয় । স্বাভাবিক অৱস্থাত মানুহে তেনেকৈ চলিব নোৱাৰে কাৰণ, তেতিয়া সিহঁতক সজ অসজৰ বিবেচনাই আবৰি থাকে । এই বিবেচনা অসজ ইচ্ছাৰ এক ৰকম ডাকুৰ । ডাকু ছাগলীৰ উপদ্ৰৱ কমাবলৈ মানুহে তাইক ডাকুৰ পিন্ধায় । ডাকুৰ দিয়া ছাগলীয়ে যলৈকে মন তলৈকে যাব নোৱাৰে । সেইদৰে সজ অসজৰ বিবেচনা থকা মানুহেও যি মন তাকে কৰিব নোৱাৰে, লাজৰ ভয়ত অবাচ্য মাত মাতি ধেমালি কৰিব নোৱাৰে, নিন্দাৰ ভয়ত অকাম কৰি আনন্দ কৰিব নোৱাৰে । ইয়াৰ বাজেও সমাজৰ কিছুমান প্ৰচলিত ৰীতি আছে, মানুহ মাত্ৰেই সেই বোৰ ৰীতিৰ অধীন, নিচেই নিৰ্গত হ'লেও সিঁহতে সেই ৰীতিবোৰ উলঙঘন কৰিব নোৱাৰে । অবাচ্য মাত মতা, বা অবাবত নচা ইত্যাদি কিছুমান কথা এইবোৰ ৰীতিৰ বিপৰীত, গতিকে তাক কৰিবলৈ ওলালে ৰীতিবোৰে আৰু সজ অসজৰ বিবেচনাই ডাকুৰৰ নিচিনা হৈ হেঙ্গাৰ দি ধৰে । ৰাগীয়ে মানুহৰ এই ডাকুৰ গুচাই দিয়ে, ৰাগীৰ জালত সিঁহতৰ সমাজ ৰীতিৰ ভয় আৰু সজ অসজ বোধ নাইকিয়া হয় । তেতিয়া

সিঁহতে মুকলিমূৰীয়া ছাগলীৰ দৰে যি মন তাকে কৰিব পাৰে । বহুত মানুহৰ পক্ষে ৰাগীয়াল বস্তুত মুখ দিয়াৰ এইটো আদি কাৰণ ।

ৰাগীয়াল বস্তুত মুখ দিয়াৰ আৰু এটা কাৰণ আছে । কোনো কোনো মানুহৰ গৃহস্থলিৰ খোৱা লোৱা কামৰ বাজে আন কাম নাই । সেই কাম কৰি সিঁহতে দিনৰ এটা ভাগ কটায়, কিন্তু বাকি ভাগটো কটাবলৈ কোনো উপায় নেদেখে । দিনৰ বাকী ডোখৰ সিঁহতৰ পক্ষে কলগ্ৰহ যেন হয় । তেতিয়া এই বিলাক মানুহৰ কিছুমানে মিছাতে ইঘৰ সিঘৰ কৰি লোকৰ পদুলি সুঙ্গি ফুৰে, কিছুমানে আনৰ টোটক লগাই ফুৰে, আৰু কিছুমানে ভাং, কানি বা মদ ফটিকাৰ ৰাগী লগাই মৌজ কৰি সময় কটায় । আৰু এক শ্ৰেণীৰ মানুহ আছে, সিহঁতে ৰাগীয়াল বস্তুবিলাকক ভোগৰ বস্তু যেন বিবেচনা কৰে, সেই দেখি তাক নানা ৰকমে জুতি লাগাই খায়, মদত গোলাপ জল মিহলাই কায়, আফিঙ্গত খীৰ মিহলাই খায়, ভাঙ্গত আতৰ মিহলাই খায় । ধনৱন্ত কানীয়াৰ আৰু ধনৱন্ত ভাঙ্গুৱাৰ কানি ভাং খোৱাৰ জুতি আৰু আয়ম দেখিলে বিস্ময় মানিব লাগে । কেতবিলাক মানুহে ভাৱে গাত ৰাগী লগাই খালে খোৱা বস্তু বেচি সোৱাদ লাগে, সেইদেখি সিহঁতে খাবৰ আগে অলপ ৰাগী কৰি লয় । মনৰ দুঃখ গুচাবলৈও কোনো কোনো মানুহক ৰাগী কৰা দেখা যায়, কিন্তু তাৰ পৰা দুখ গুচক ছাৰি এগুণ দুখ দুগুণ হয় । শোক কমাবলৈ মদ খাই পাচত মানুহে ইনাইবিনায় কান্দে । স্বাভাৱিক অৱস্থাত জ্ঞানৰ বলেৰে শোক সন্তাপৰ বেগ দমন কৰিব পাৰি, কিন্তু ৰাগী লাগিলে মানুহৰ জ্ঞান নাথাকে, গতিকে তেতিয়া শোকে মানুহক একেবাৰে বাউল কৰিব পাৰে ।

যি অভিপ্ৰায়েৰে মানুহে ৰাগী কৰে সেই অভিপ্ৰায় এটাইবিলাক বেয়া বুলিব নোৱাৰি । মুখৰ বান্ধ কটাবলৈ বা চকুৰ লাজ গুচাবলৈ বা সময় নিয়াবলৈ ৰাগীয়াল বস্তু ব্যৱহাৰ কৰা উচিত নহ'লেও, আনন্দ বা ভোজনৰ সুখ বঢ়াবলৈ ব্যৱহাৰ কৰা একে বাৰে অনুচিত বুলিব নোৱাৰি । ৰাগীৰ গুণত যদি খোৱা বস্তু বেচি সোৱাদ লাগে, তেনেহলে তাক ৰাগী লগাই খোৱাই উচিত । আঞ্জা সোৱাদ কৰিবলৈ মানুহে লং এলাচি আদি বাখৰ ব্যৱহাৰ কৰে, সেইদৰে ৰাগীও আঞ্জাৰ এৰিধ বাখৰ মাথোন হয় । কিন্তু ৰাগীয়াল বস্তুবোৰৰ কেইটামান লগত

ওপজা দোষ আছে, সেই দোষবোৰৰ নিমিত্তে সিহঁতৰ ইমান নিন্দা । প্ৰথম দোষ ৰাগীয়ে ৰাগীলৈ হেঁপাহ জন্মায়, এদিন ৰাগী কৰিলে, দুনাই কৰিবলৈ মন যায়, আৰু দুই চাৰিদিন কৰিলেই তাক এৰিবলৈ টান হয় অন্য কাম সহজ কৰোঁতে বহুত দিন লাগে কিন্তু ৰাগী অলপতে সহজ হয় । ৰোগত দৰব স্বৰূপে কানি খাই চিৰকাললৈ কানীয়া হোৱা মানুহ বহুত আছে । ৰাগী অভ্যাস হ'লে সি এক ৰকম ভোক যেন হয় । খোৱা বস্তু জীণ গ'লে যেনেকৈ ভোক লাগে ৰাগী এৰিলেও তেনেকৈ ভোক লাগে, অৰ্থাৎ আকৌ কোনো ৰাগীয়াল বস্তু খাবলৈ মন যায় । সময়ৰ মূৰত নকৈ ৰাগী নকৰিলে ৰাগী কৰা মানুহ থাকিব নোৱাৰে, তাৰ কোনো অঙ্গৰ সাৰ নাইকীয়া হয়, কোনো অঙ্গৰ কঁপনি উঠে আৰু হামি হেঁকটি আহে । কোনো উৎকট ৰোগত পৰিলে মানুহে যেনে আচৰণ কৰে, ৰাগী কৰা মানুহে ৰাগী এৰা সময়ত তেনে আচৰণ কৰে । মুঠ কথা, ৰাগী কৰা মানুহৰ এবিধ ৰাগীয়াল বস্তু জীৱনৰ লগৰীয়া হয়, খোৱা লোৱা আন আন বস্তুৰ দৰে তাকো নহ'লে সিহঁতৰ দিন নাযায় ।

ৰাগীয়ে মানুহৰ গাত এটা চিৰৰুগীয়া চিন দিয়ে, সেই দেখি কানীয়াক কানীয়া আৰু ভাঙুৱাক ভঙুৱা বুলি দেখিলেই চিনিব পাৰি । ৰাগীয়া পৰা মানুহৰ স্বভাৱ প্ৰকৃতিও লৰে, খৰ্‌তকীয়া মানুহ ঢিমা হয় তজ্‌বজীয়া মানুহ সৰপা হয়, জুৰ মানুহ খঙাল হয়, শান্ত মানুহ দুষ্ট হয়, সৰল মানুহ ছলাহী হয় । এইদৰে কিমান মানুহ যে ৰাগীৰ প্ৰভাৱত সজ বাটৰ পৰা পিছলি গৈ অসজ বাটত পৰি সংসাৰত জিয়াতু ভোগ কৰিছে, আৰু কৰিব লাগিছে তাৰ লেখ দিব নোৱাৰি । বহুত দিন ৰাগী কৰিলে গাত যেনে এটা চিন বহে, স্বভাৱতো তেনে এটা চিন বহি যায় । কানীয়া মানুহৰ চলন ফুৰণ দেখিলেই তাক কানীয়া বুলি চিনিব পাৰি, দুৰ্ঘোৰ তেবাহি কানীয়াৰ মুখ নেদেখিলেও হয়, কথা শুনিলেই তাক কানীয়া বুলি জনা যায় ।

ৰাগীয়ে কেতিয়াও মানুহৰ হিত নকৰে । ৰাগী বিষাক্ত বস্তুৰ এটা গুণ মাথোন । পৃথিৱীত যিমান বিধ বিহ আছে তাৰ এটাইবোৰেই ৰাগী জন্মাব পাৰে । সাপৰ বিহৰ ৰাগী আছে । বিহ সৰহকৈ খালে মৰণ হয়, অলপকৈ খালে ৰাগী হয় । মানুহৰ ব্যৱহাৰত থকা সকলোবোৰ ৰাগীয়াল বস্তু একেবিধ

বিহ মাথোন, তাকো অলপকৈ খালে ৰাগী হয়, সৰহকৈ খালে মৰণ হয় । সৰহ কৰি আফিং খাই অলেখ মানুহ আত্মঘাতী হৈছে । এই ঘাতুক বিহবোৰৰ পৰা কেতিয়াও অমৃত ফলৰ আশা কৰিব নোৱাৰি, বিহে বিহৰ বাজে অমৃত নফলায় । বিহৰ ব্যৱহাৰ কেৱল ৰোগত মাথোন হয় । শৰীৰত যেতিয়া কোনো এবিধ বিহ সোমাই তাক ৰুগীয়া কৰে, তেতিয়া মানুহে আন বিহ ব্যৱহাৰ কৰি সেই বিহ নষ্ট কৰে । হুলেৰে মানুহে হুল কাঢ়ে । বিহেই বিহৰ ঔষধ । সেই দেখি জ্ঞানীবিলাকে ঔষধত ৰাগীয়াল বস্তু ব্যৱহাৰ কৰিবলৈ বিধান দিছে ।

পৰিমিত ৰূপে ব্যৱহাৰ কৰিলে মাদকত দোষ নাই, এই কথা বহুত মানুহে কয়, কিন্তু পৰিমিত ব্যৱহাৰ কেনে তাক কোনেও মোৰ ভাঙ্গি কোৱা নাই । যদি ৰাগী নোহোৱাকৈ মাদক ব্যৱহাৰ কৰিলে পৰিমিত ব্যৱহাৰ কৰা হয়, তেনেহলে তেওঁলোকৰ কথা মানি ল'ব পৰা যায় । ৰাগী নহ'লে ৰাগীয়াল বস্তুৱে একো অপকাৰ কৰিব নোৱাৰে, ই কেৱল ঔষধৰ ব্যৱহাৰ । আমি ইয়াত তেনেকুৱা ব্যৱহাৰৰ কথা আলচ কৰা নাই, আমাৰ আলোচনাৰ বিষয় ৰাগী, ৰাগী হোৱাকৈ ৰাগীয়াল বস্তু ব্যৱহাৰ কৰিলে তাৰ পৰা বেয়াৰ বাজে কেতিয়াও ভাল নহয় ।

কোনো কোনো মানুহে কয় যে ৰাগীয়াল বস্তুৱে জীৰ্ণ শক্তি বঢ়ায় আৰু বেচিকৈ ভোক লগায় । ইও এটা সাৰ নোহোৱা কথা । ন শিকাৰুৰ দুদিন মানলৈ ভোক বেচি হ'ব পাৰে, কিন্তু সেই ভোক বিজাতৰীয়া, আচল ভোক নহয়, তেনে ভোকত খালে কেৱল অতি ভোজনৰ ফল ধৰে । জীৰ্ণ শক্তি বঢ়োৱাৰ সম্বন্ধেও সেই কথা । আদিতে ৰাগীয়ে উদৰাগ্নি বৃদ্ধি কৰে, পাচে যেতিয়া সি শৰীৰ পীড়ি লয় তেতিয়া আৰু জীৰ্ণ শক্তি নাথাকে, কোনো কানীয়া ভঙ্গুৱা মানুহক ভোজনত পৈণত দেখা যায় । আচল কথা, আদিতে ৰাগীয়াল বস্তুৰ দোষবোৰ এটাও দেখা নিদিয়ে, কেৱল গুণবোৰ অৰ্থাৎ ঔষধৰ দৰে ব্যৱহাৰ কৰিলে তাৰ যি গুণ ধৰে, সেইবোৰ বেচি পৰিমাণে দেখা দিয়ে, পাচে শেষত দোষবোৰ এটা এটাকৈ ওলাবলৈ ধৰে ।

ৰাগীয়ে শৰীৰৰ যন্ত্ৰ আৰু তেজৰ গতি খৰ কৰে, অৰ্থাৎ স্বাভাৱিক অৱস্থাত সিহঁত যিমান বেগত চলে ৰাগীৰ প্ৰভাৱত তাতকৈ বেচি বেগত চলিবলৈ

ধৰে । মঙ্গহ আৰু তেজৰ গতি সম্বন্ধে মানুহে পতি একোটা বন্ধা নিৰিখ আছে, স্বাভাৱিক অৱস্থাত সিহঁতে সেই নিৰিখ মতে গতি কৰে, কিন্তু ৰাগী কৰিলে নিৰিখ ৰাখিব নোৱাৰে, তাক পাৰ হৈ দুনা বেগত চলে এইদৰে উগ্ৰ বেগত চলালে যন্ত্ৰত আঁৰ লাগে বা তাৰ সঁজুলিবোৰ লৰচৰ হয় । উগ্ৰ মদপাবিলাকৰ ভিতৰত বহুতৰ শেষ কালত হাত ভৰিৰ কঁপনি হয়, সিহঁতে শৰীৰৰ কোনোটো অঙ্গ ইচ্ছা মতে থিৰ কৰি ৰাখিব নোৱাৰে । ইয়াৰ কাৰণ এই যে মদৰ ৰাগীত গাৰ শিৰবোৰ সদায় টনটনীয়া হৈ থাকে আৰু এইদৰে বহুত দিন টন্‌টনীয়া হৈ থকাত, পাচত গৈ ঢিলা পৰে । ৰবৰৰ নতুন ডোল টানিলে দীঘল হয় আৰু এৰি দিলে কোঁচ খাই আগৰ সমান হয়, কিন্তু সদায় এইদৰে টানি থাকিলে পাচত আৰু কোঁচ নোখোৱাত পৰে । গাৰ শিৰৰো লক্ষণ তেনেকুৱা, আদিতে সিহঁত ৰীতি মতে আঁট খাই থাকে, পাটত ৰাগীৰ গুণত সততে টান খাই খাই শেষত লোলা হয় । শৰীৰৰ যন্ত্ৰবোৰ এইদৰে ৰাগীৰ প্ৰভাৱত কোনোটো ক্ষয় যায়, কোনোটো দুৰ্ব্বল হয়, কোনোটো লোলা হয়, কোনোটো বা অচল হয় । যেতিয়া শৰীৰ এই অৱস্থাত পৰে তেতিয়া আগৰ ভেক আগৰ তজ্‌বজনি একো নাথাকে । মানুহটো জুৰুলা হয় আৰু জীৱনৰ বাকি দিন কেইটা সি কেৱল লালট ভুঞ্জে ।

অসম দেশত তিনি বিধ ৰাগীয়াল বস্তুৰ চল আছে, ইয়াৰ ভিতৰত কানি আৰু ভাং আজিকালি প্ৰায় অশিক্ষিত সামান্য মানুহৰ ভিতৰতহে চলে, শিক্ষিত তৰপে ইহঁতক ঘিন কৰে । মদ বা ফটিকাও এবিধ ৰাগীয়াল বস্তু, অসমত ইয়াৰো চল আছে । আগে ই অসমত দাঁতিকাষৰীয়া গাৰো, কচাৰি, নগা, ডফলা ইত্যাদি অসভ্য জাতিৰ ভিতৰত চলিছিল কিন্তু আজিকালি সুসভ্য শিক্ষিত অসমীয়াৰ ভিতৰতো ইয়াৰ আদৰ হৈছে । ৰাগীয়াল বস্তুবোৰৰ ভিতৰত যে মদৰ কিবা এটা বিশেষ গুণ আছে এনে নহয়, কেৱল সভ্য জাতিৰ ভিতৰত ইয়াৰ প্ৰতুল চল দেখি অসমৰ শিক্ষিত তৰপেও তাক ব্যৱহাৰ কৰিবলৈ ধৰিছে । মদ ব্যৱহাৰ কৰা বেয়া বুলিলে তেওঁলোকে চাহাববিলাকৰ পাটন দি কয় যে, মদ বেয়া বস্তু হ'লে জনা বুজা সুসভ্য চাহাববিলাকে তাক কিয় ব্যৱহাৰ কৰিব ? এনেকুৱা ভাৱ মনত লৈ অসমৰ বহুত মানুহ মদ খাই নষ্ট

হৈছে, কোনোৱে অকালত প্ৰাণ হেৰুৱাইছে, কোনোৱে মদত মতলীয়া হৈ অকামত হাত দি সমাজৰ গৰিহনা খাইছে, কোনোৱে বাপতীয়া সাহোন নিৰ্ম্মূল কৰি দৰিদ্ৰ হৈছে । এইবিলাক মানুহে এবাৰ গমি নাচায় যে এজনৰ অমৃত আন এজনৰ পক্ষে বিহ হয় । চাহাববিলাকৰ পক্ষে মদ এটা নিতৌ খোৱা বস্তু, তাক সিহঁতে পুৰুষানুক্ৰমে আদিৰ পৰা ব্যৱহাৰ কৰি আহিছে, সিহঁতৰ দেশত বৰ জাৰ, জাৰৰ গুণত পানীও ছমাহ গোট মাৰি থাকে, পিয়াহ লাগিলে মাৰিবলৈ একো নাই, আৰু ইমান জাৰত তেজ তপতে ৰাখিব পাৰিলে শৰীৰলৈও ভাল, এই নানা কাৰণে সেইবিলাক দেশত মদৰ চল হৈছে । তেনেবিলাক কাৰণ ভাৰতত বা অসমত নাই, গতিকে ইয়াত মদ ব্যৱহাৰ কৰিলে অপকাৰৰ বাজে উপকাৰ নহয় । আজি কালি চাহাববিলাকৰ ভিতৰতো মদ ব্যৱহাৰ নকৰা মানুহ বহুত ওলাইছে । তেওঁলোকে সেই দেশতো মদৰ চল কমাবলৈ পুৰুষাৰ্থ কৰিব লাগিছে । ইয়াৰ পৰা বুজা যায় যে মদ এটা মহা অপকাৰী বস্তু ।

মদৰ ৰাগী বৰ ভয়ঙ্কৰ, সি টান হ'লে মানুহে ভাল বেয়াৰ বিবেচনা একেবাৰে পাহৰে । মদপীয়ে মদৰ ৰাগী লোকক দেখুৱাবলৈ ভাল পায়, সেই দেখি ৰাগী লাগিলে সি ঘৰত থাকিব নোৱাৰে, বাটলৈ যায় আৰু সকলোৰে আগত ঢলং পলং কৰি ফুৰে । সেইদৰে ফুৰাটো তাৰ মনত তেতিয়া মহতালি যেন লাগে । ৰাগী লগা মদপীয়ে নিজৰ আৰু আনৰ গুপ্ত কথা ব্যক্ত কৰে, আৰু অসময়ত বৰ কথা কৈ বিপদত পৰে । সি অবাবত খং আৰু অবাবত ৰং কৰে, অবাবত হাঁহে আৰু অবাবত কান্দে, পাচত ৰাগী এৰিলে যি কৰিছিল সকলো পাহৰে । মদৰ ৰাগীয়ে মানুহৰ কুপ্ৰবৃত্তিবোৰ উজাৰি দিয়ে । মদ খালে খঙালৰ খং বাঢ়ে, কূৰ্চ্চুটিয়াৰ কূৰ্চ্চুট বাঢ়ে আৰু চোৰৰ চুৰ কৰিবলৈ মন যায় । মদৰ ৰাগীয়ে ভিতৰুৱা যন্ত্ৰৰ বেগ বৰকৈ বঢ়াই দিয়াত মদপীৰ থিৰ হৈ থাকিব নোৱাৰে, মূৰ কটা পঠাৰ দৰে চটফটাই দেও পাৰি ফুৰে আৰু কেতিয়াবা হাউত কৰে বঁতিয়াই দিয়ে । মদপীয়ে তাৰ ভৰি থিৰকৈ ৰাখিব নোৱাৰে, সেই দেখি হুলে জোঙ্গে ঢাঁচ্ ঢাঁচ্ কৰি পৰি ফুৰে, কিছুমানে ল'ৰা-তিৰোতাৰ ওপৰত উদ্ভণ্ডালি কৰে ।

ভাঙৰ ৰাগী মদৰ ৰাগীৰ নিচিনা নহয় । মদৰ উত্তেজক গুণ আছে, ভাঙৰ নাই । ভাঙে মানুহৰ মগজু আক্ৰমণ কৰে সেই দেখি ভাঙুৱাৰ কথায়

কথায় ভুল হয় । ভাঙৰ ৰাগীত মানুহৰ হাঁহিবলৈ মন যায় আৰু সৰু কথাও ডাঙৰ যেন লাগে । ভঙুৱাৰ ভয়ো ডাঙৰ, সামান্য বিপদতে তাৰ সুৰ্ত্তি হেৰায় । ভঙুৱাৰ অতপালি নাই, ৰাগী টান হ'লে সি শুই থাকে । মদৰ নিচিনা ভাঙেও মানুহৰ অসজ বৃত্তিবোৰ সজাগ কৰে । ভাং খোৱা মানুহৰ বিৰাগীয়া অৱস্থাতো ভুল ভ্ৰান্তি সৰহ, ইয়াৰ পৰা জনা যায় যে ভাঙে মগজুৰ সজা লৰাই দিয়ে । ভাঙৰ ব্যৱহাৰৰ পৰা দুই এজন মানুহ একেবাৰে বলিয়া হোৱাও দেখা যায় ।

কানিৰ ৰাগীও সৰ্ব্বাংশে ভাঙৰ ৰাগীৰ নিচিনা, কেৱল কানিৰ চোক বেচি । কানিৰ ৰাগীয়ে হাঁহি নোতোলে । কানীয়া কামত আলাবাদু, কিন্তু তাৰ মতি গতি ধীৰ । কানিয়ে গাৰ খজুৰতি তোলে আৰু তেজ মঙহ কলা কৰে । বহুত দিন ব্যৱহাৰ কৰিলে কানি গাত ফুটি ওলায় । অনেক মানুহে বিৱেচনা কৰে যে কানিয়ে টোপনি বঢ়ায়, কিন্তু এই বিশ্বাস ভুল, কানিৰ তেনে গুণ নাই । কানিয়ে কেৱল এলাহ বঢ়ায়, সেই নিমিত্তে কানিয়াই চকু মুদি পৰি থাকে, আচল মতে তাৰ টোপনি নাহে । আন ৰাগীয়াল বস্তুৰ ৰাগী এৰিলে মানুহ সুস্থ হৈ আগৰ দৰে হয়, কিন্তু কানিৰ ৰাগী এৰিলে তেনে নহয় । কানীয়াই ৰাগী থকা কি নথকাত একেদৰে চলে, তাৰ ৰাগী আছে নে এৰিছে চিনিবলৈ টান ।

মদৰেই হওক বা কানিৰেই হওক ৰাগী মাত্ৰেৰে আৰু এটা দোষ আছে । ৰাগী লগাই মতলীয়ালি কৰিলে, তাক শলাগিবলৈ দুই চাৰিজন মানুহ লাগে নাইবা মতলীয়ালিত একো আমোদ নহয় । এজনে তাল নধৰিলে গায়নৰ গা নুঠে । সেইদৰে এজনে নশলাগিলে কানীয়া বা মদপীৰ গা নুঠে । কিন্তু নিমতলীয়া মানুহে মতলীয়া কথা নশলাগে, মতলীয়াইহে মতলীয়াৰ কথাত ৰস পায় । সেই দেখি কানীয়া, ভঙুৱা, মদপী সকলোৰে লগ বিচাৰে । সিহঁতৰ লগৰীয়াৰ প্ৰয়োজন বৰ ডাঙৰ, সেই সম্বন্ধে সিহঁতে বেয়া, ভাল, ভদ্ৰ, অভদ্ৰ, একো নিবিচাৰে । এজন ভদ্ৰ বংশৰ মানুহো এজন সামান্য মানুহৰ লগত হৰিল গৰিল হয় আৰু বুঢ়াও ল'ৰাৰ লগত সমানে চলে । লগৰীয়াৰ সংখ্যা বঢ়াবলৈ সিহঁতে ৰাগী নকৰা মানুহকো ৰাগী কৰিবলৈ শিকায় ।

চতুৰ্থ ভাগ

স্বাস্থ্য

স্বাস্থ্য ধন পৰম ধন । যি এই ধনত দুখীয়া সি সকলো বিষয়ত দুখীয়া । স্বাস্থ্যহীন মানুহে নিজে পুৰুষাৰ্থ কৰি সুখ উপাৰ্জ্জন কৰা দুৰৈৰ কথা, সুখত জন্মিলেও সি তাক ভোগ কৰিব নোৱাৰে । তাৰ পক্ষে জীৱনটো এটা শাস্তি আৰু পৃথিৱী এখন বন্দীশাল । ৰুগীয়া শৰীৰ এটা যাতনাৰ যন্ত্ৰ । যি এই যন্ত্ৰৰ পাকত পৰে, সি নিজেতো নিকাৰ ভুঞ্জেই, তদুপৰি পৰিয়ালবিলাককো ভুঞ্জায় । এই নিমিত্তে ৰুগীয়াক কোনেও দেখিব নোৱাৰে । নিৰুজ শৰীৰ সকলো সুখৰ মূল, উৎসাহ আৰু আনন্দ ইয়াৰ লগৰীয়া । দুখৰ অৱস্থাত পৰিলেও স্বাস্থ্যৱন্ত মানুহে সংসাৰত সুখে কাল নিয়াব পাৰে । স্বাস্থ্যৰ গুণত অশুৱনি মানুহকো শুৱনি দেখা যায় ।

সদায় সুস্থ থকাই শৰীৰৰ স্বভাৱ, সেই শৰীৰ যে অসুস্থ হয়, ই কেৱল মানুহৰ নিজৰ দোষ । বহুত মানুহে অনিয়মত চলি আৰু উদ্ভণ্ডালি কৰি ৰোগ মাতি আনে । পিতৃ-মাতৃৰ দোষতো কিছুমান ৰোগ জন্মে, কিন্তু তেনে ৰোগত পৰি সংসাৰত অকাজভাগী হোৱা মানুহৰ সংখ্যা অলপ । সৰহ ভাগ ৰুগীয়াই নিজৰ কৰ্ম্ম দোষত ৰোগৰ গ্ৰাসত পৰি জীয়াতু ভোগ কৰে । ৰোগ মানুহৰ এটা পৰম শত্ৰু, এই শত্ৰুৰ হাতত নপৰিবলৈ সকলোৰে চেষ্টা কৰা উচিত ।

স্বাস্থ্য নিঘুণীয়া হৈ থাকে মানে মানুহে তাক বস্তু যেন নেদেখে আৰু সি যে কেতিয়াবা বেয়া হ'ব পাৰে তাকো নাভাবে । সেই দেখি স্বাস্থ্যৰ ওপৰত আদিতে মানুহৰ অত্যাচাৰ অন্ত নাই । পাচত যেতিয়া নিঘুণীয়া স্বাস্থ্যত ঘুণ দেখা দিয়ে, সুস্থ গা অসুস্থ হয়, তেতিয়া সিহঁতৰ জ্ঞান জন্মে । তেতিয়াহে সিহঁতে স্বাস্থ্য এটা অমূল্য বিভূতি বুলি বুজিব পাৰে আৰু তেতিয়া হাঁয় ! হাঁয়!

বুলি অনুশোচনা কৰি ভগা স্বাস্থ্য জোৰা দিবলৈ উপায় বিচাৰি ফুৰে । কিন্তু ফটা বাঁহ কদাপি জোৰা নালাগে, স্বাস্থ্যৰ এবাৰ ভাগিলে দুনাই জোৰা নাখায়, ৰুগীয়াই তাৰ বাকী জীৱন ডোখৰ দেহাটোক বাণিফটা নাওৰ নিচিনা তালি-তাপলি দি বাব লগীয়া হয় ।

শয়ন ভোজন আৰু স্বভাৱ চৰিত্ৰৰ দোষত যে ৰোগ হয়, ই ধ্ৰুপ কথা । যাৰ স্বভাৱ চৰিত্ৰ ভাল, আৰু যি খোৱাবোৱাত সাৱধানে চলে তাৰ বেগতে ৰোগ নহয় । বাচি খালে আৰু জাগি শুলে, অৰ্থাৎ খাৱন শোৱনত সাৱধানে চলিলে নৰিয়া নহয় বুলি সকলোৱে কয় । নিৰোগী মানুহ পৃথিৱীত বহুত আছে, সিহঁতে কেৱল জাগি শোৱা আৰু বাচি খোৱাৰ গুণত স্বাস্থ্যৰ অময়া সুখ ভোগ কৰিবলৈ পায় । কিছুমান নিৰ্ব্বোধ মানুহে নৰিয়াকো বিধিৰ লিখন বুলি বিবেচনা কৰে, আৰু কয় যে বৰ সাৱধানে চলা মানুহৰো মৰণ হয় । এই তৰ্কত কোনো গধুৰ যুক্তি আছে বুলি বোধ নহয় । জীৱনৰ ভিতৰত মানুহ এবাৰ মৰে, এবাৰৰ বেচি মৰণে দুখ দিব নোৱাৰে, কিন্তু অসাৱধানে চলি মানুহে হাজাৰ বাৰ ৰোগত পৰে, আৰু হাজাৰ বাৰ যাতনা ভুঞ্জে । খাৱন শোৱন সম্বন্ধে কিছুমান স্বাভাৱিক নিয়ম আছে, সেই নিয়মবোৰ পালিলে মানুহৰ নৰিয়া নহয়, নাপালিলে হয় । নৰিয়া অনিয়মৰ শাস্তি মাথোন । এতেকে খাৱন শোৱনৰ নিয়মৰ ভিতৰত প্ৰধান প্ৰধান কেইটামানৰ বিষয়ে ইয়াত আলোচনা কৰা হয় ।

বাসৰ ঠাই

সুস্থ শৰীৰ আৰু শুকান ঠাই এই দুয়োৰো ভিতৰত বিশেষ সম্বন্ধ আছে । জেকা ঠাইতে মানুহে কেতিয়াও গা ভালে ৰাখিব নোৱাৰে । স্বাস্থ্যৰ আনবোৰ আহিলা সকলো থাকিলেও কেৱল জেকা ঠাইৰ দোষতেই ঘনেপতি মানুহৰ নৰিয়া হয় । ইয়াৰ কাৰণ অলপ গমি চালেই বুজিব পাৰি । শুকান

ঠাইত বৰকৈ মলি বন্ধ নাথাকে, যি অলম মলি তাত পৰে, সি মচোঁতে সৰোঁতে ই যায় । কিন্তু জেকা ঠাইৰ মলি নুঠে, সি তাত লেপেট খাই ধৰে, আৰু লাহে লাহে পচি ওচৰৰ বায়ু দূষিত কৰে । জেকা ঠাইৰ পৰা পুৰা গধুলি যি ভাগ ওলায় সি বিষাক্ত, গাত লাগিলে এটা নহয় এটা দুৰ্গুণ কৰে । এই দেখি পৰা পক্ষত সততে শুকান ঠাই বিচাৰি ঘৰ কৰা উচিত ।

শুকান ঠাইৰ ভিতৰত পৰ্ব্বতৰ নখ, অৰ্থাৎ নামনিৰ ভাগ বাসৰ উপযুক্ত নহয় । বাৰিষাৰ বৰষুণে পৰ্ব্বত পখালি তাৰ সমস্ত মলি, আৰু বিষাক্ত গছগছনিৰ বিহ উটাই আনি নামনিত থয় । মুঠতে ক'ব লাগিলে, পৰ্ব্বতৰ নখ তাৰ বিহমোনা, তেনেকুৱা ঠাইত কেতিয়াও মানুহৰ গা ভালে থাকিব নোৱাৰে । কিন্তু পৰ্ব্বতৰ টিং বা টিং-কাষৰীয়া ঠাই স্বাস্থ্যকৰ, কাৰণ তাত কোনো মলি বা বিহ থিতাপি হৈ নাথাকে, আৰু তাত সদায় নিৰ্ম্মল বায়ু চলে । বাহি-কাষৰীয়া ঠাইও স্বাস্থ্যৰ পক্ষে বেয়া, হাবিৰ দূষিত বায়ুৱে তাৰ চাৰিও ফাল দূষিত কৰি থয় । ঠাইৰ উত্তম নৈৰ দাঁতি, তাত সদায় জল-বা লাগে, গতিকে তেনে ঠাইত ঘৰ কৰিলে নৰিয়া হ'বৰ বৰ আশঙ্কা নাথাকে ।

বহুত খাল থকা ঠাইত বাস কৰা অযুগুত । খাল হ'লেই তাত খেৰ, কুটা, জাবৰ আদি নানা বিধ পেলনীয়া বস্তু গোট খায়, আৰু বৰষুণত ওখ ঠাইৰ মলিবোৰো উটি আহি পৰে, পাচত এটাইবোৰ পচ ধৰি ওচৰৰ বায়ু দূষিত কৰে । স্বাস্থ্যৰ মূল নিৰ্ম্মল বায়ু ; যত তেনে বায়ুৰ নাটনি, তাত স্বাস্থ্য ৰখা দুষ্কৰ । খালৰ পৰা যিবোৰ অপকাৰ হয়, পুখুৰীৰ পৰাও সেইবোৰ অপকাৰ হয়, সেইদেখি ঘৰৰ ওচৰত পুখুৰী ৰখা উচিত নহয়, বা ৰাখিলেও তাত মলি গোট খাব দিব নালাগে । ডাঙৰ পৰিস্কাৰ পুখুৰী বোৱঁতী নৈৰে নিচিনা, তাৰ পৰা স্বাস্থ্যৰ উপকাৰৰ বাজে অপকাৰ নহয় ।

বাসৰ ঘৰ

থকা ঠাইৰ দৰে থকা ঘৰেও স্বাস্থ্যৰ ভাল বেয়া কৰে থাকিবলৈ যি ঘৰ সজা যায়, তাক ডাঙৰকৈ সজা ভাল, ডাঙৰ ঘৰত বায়ু অবাধে চলাচল কৰিব পাৰে । ঘৰৰ ভিতৰৰ বন্ধ হৈ থকা বায়ু নানা কাৰণে দূষিত হয়, সেই দূষিত বায়ু সদাই ব্যৱহাৰ কৰিলে স্বাস্থ্য নৰয় । থকা ঘৰ ডাঙৰ হ'লে তাত বাজৰ নিৰ্ম্মল বায়ু সোমাই ভিতৰৰ দূষিত বায়ু উলিয়াই দিয়ে কিন্তু ঘোপমৰা সৰু ঘৰত বাজৰ বায়ু সোমাবলৈ সদায় সুচল নাপায় সেই দেখি তাৰ দূষিত বায়ু তাতেই ৰয় । ডাঙৰ ঘৰ সাজিবলৈ সকলোৰে সমৰ্থ নহ'ব পাৰে, কিন্তু সেই বুলি ঘোপমৰা চাপৰ ঘৰত থকা কেতিয়াও উচিত নহয় । সমৰ্থ নোহোৱা মানুহে সৰু ঘৰ সাজক, কিন্তু সৰু ঘৰ ওখ কৰি সাজিব লাগে । ঘৰ ওখ কৰিলে দীঘলে পুতলে যি ঠাই কম পৰে সেই ঠাই ওপৰৰ ফালে ওলায়, এতেকে ওখ সৰু ঘৰো ডাঙৰ ঘৰৰ নিচিনা স্বাস্থ্যকৰ হয় । থকা ঘৰত বাজৰ বায়ু আৰু পোহৰ সোমাবলৈ কোঁঠালিয়ে পতি দুখন এখন খিড়িকী ৰখা উচিত ।

থকা ঘৰ পৰা পক্ষত পশ্চিমমুৰা কৰিব নালাগে । পশ্চিম মুৱা ঘৰত আবেলিৰ চেৰেঙ্গা ৰদ সোমাই ভিতৰৰ বায়ু তপত কৰে, তদুপৰি বতাহ বৰষুণৰো বৰ উপদ্ৰপ হয় । ঘৰৰ উত্তম দখিণমুৱা; তেনেকুৱা ঘৰক আবেলিৰ ৰদে বা বৰষুণৰ আছাৰেকণিয়ে লগ নাপায় । দক্ষিণে সুচল নহ'লে পূবলৈ মুখ কৰি ঘৰ সাজিলেও দোষ নাই । থকা ঘৰৰ ভেটি ওখ হয় মানে ভাল ।

শোৱনী ঘৰত কলহ, টেকেলি, পাচি, খৰাহি বা আন কোনো লাকটি-পাকটিৰে জাঁজ কৰি থোৱা উচিত নহয়, তাত আলান্ধু বা মকৰাৰ জাল হ'বলৈ দিয়াও অনুচিত । ঘৰ সদায় সাৰি থকা ভাল আৰু ভেটি জেকা নহ'লে সদায় মচিলেও হানি নাই । কিন্তু জেকা ঘৰ সদায় মচিলে অপকাৰ হয় কাৰণ যি ভেটি এনেই জেলেকীয়া তাক নিতৌ পানীৰে মচিলে, পানীত পানী ঢালি থকা হয়, সি আৰু শুকাবলৈ সময় নাপায় । ঘৰৰ ভিতৰত পিক থু বা খেঁকাৰ

পোলোৱা উচিত নহয়, পেলালে বেয়া গোন্ধ ওলায়, আৰু ঘৰৰ বায়ু দূষিত কৰে । বেৰবিলাক দুয়ো পিঠিয়ে মাটিৰে লিপি লোৱা ভাল, কাৰণ তেনেহলে ৰদ বৰষুণে বৰকৈ উপদ্ৰপ কৰিব নোৱাৰে । চূণ এবিধ বৰ উপকাৰী বস্তু ; চূণে দুৰ্গন্ধ নাশ কৰে আৰু বায়ু শুদ্ধ কৰে । পাৰিলে বেৰত চূণ লগাই লোৱা উচিত । চূণ দিয়া ঘৰত পোহৰো বেছি হয় ।

ভোজন

ভোকত ভাত, পিয়াহত পানী, ই নহ'লে কোনেও জীৱন ধৰিব নোৱাৰে, কিন্তু সেয়ে অতিৰিক্ত হ'লে স্বাস্থ্যৰ অপকাৰ কৰে । এমুঠিৰ ভোকত চাৰিমুঠি খালে, এচলুৰ পিয়াহত চাৰি চলু পিলে নিশ্চয় শৰীৰত ৰোগ হয় । অপৰিমিত ভোজনৰ দোষ একে দিনে দেখা নিদিব পাৰে, কিন্তু সেইবাবে তাৰ দোষ নাই বুলি ভবা উচিত নহয় । কোনো ৰোগ এক মুহূৰ্ত্তকতে নোপজে । সন্তান যেনেকৈ মাতৃ-গৰ্ভত এটি কণ যেন হৈ থিতি হয়, সেইদৰে ৰোগো শৰীৰত এটি কণ যেন হৈ থিতি লয় । এই অৱস্থাত মানুহে ৰোগৰ গম নাপায়, পাচত যেতিয়া পৈণত হৈ সি শৰীৰত কষ্ট দিবলৈ ধৰে তেতিয়া তাৰ প্ৰভাৱ বুজিব পাৰে । এই নিমিত্তে মানুহে কয় যে ৰোগ বেল পৰিমাণে বাঢ়ে আৰু তিল পৰিমাণে টুটে, কিন্তু দৰাচল পক্ষত ৰোগৰ বাঢ়ন টুটনৰ নিৰিখ একে সমান, কেবল অপৈণত অৱস্থাত তাৰ গম নাপায়, মানুহে তেতিয়া তাক নাই বুলি বিবেচনা কৰে ।

অতি ভোজন ৰোগৰ মূল, এই এটা নীতি বচন । ই সঁচা নে মিছা, এদিন অতি ভোজন কৰি চালেই বুজিব পাৰি । পেট ওপচাই খালে বহুত পৰলৈকে গেৰেউ-গেথেউ লাগে আৰু গা চাটি-ফুটি কৰে, খোৱা বস্তু দেখিলে বাঁতি আহিব খোজে, মূৰ ফুৰণি উঠে । এদিন পেট ওপচাই খালে ইমানতে দুৰ্গুণৰ শেষ পৰে, কিন্তু কিছুমান দিন এইদৰে চলিলে খন্তেকীয়া আহুকাল গৈ

চিৰকলীয়া ৰোগত পৰে । উগ্ৰ ভোজনৰ দোষত কোনোৰ অজীৰ্ণ ৰোৰগ জন্মে, কোনোৰ পিত্ত দোষ জন্মে, কোনোৰ বা নেৰানেপেৰা তেজ-গ্ৰহণী হয় ।

অতি ভোজনৰ কাৰণ লোভ । লুভীয়া মানুহে ভাল বস্তু পালে ঠিহাই খায়, জিভাৰ জুতিত স্বাস্থ্যলৈ একেবাৰে পাহৰে । এই শ্ৰেমীৰ মানুহক সাধাৰণ কথাত খঁকুৱা বোলে খঁকুৱা মানুহৰ স্বাস্থ্য গুণীয়া হয় । জীৱন ৰক্ষা আৰু শৰীৰ সবল কৰাই আহাৰৰ উদ্দেশ্য, সেই উদ্দেশ্য সাধিবলৈ যিমানখিনি লাগে তাতকৈ সৰহ আহাৰ কৰা কদাপি উচিত নহয় । কিছুমান মানুহে সৰহকৈ খাব পৰাটো পুৰুষালি যেন বোধ কৰে, আৰু পেটে নধৰিলেও দুগৰাহ হেঁচুকি খায় । ইহঁতে কেতিয়াবা আন মানুহৰ লগত আৰি মাৰি খাবলৈ বহে, আৰু আৰিত জিকিবলৈ অপৰিমিত ৰূপে খায় । এইদৰে আৰিয়া অৰি কৰি খাই পাচত নৰিয়াত পৰা বহুত মানুহক দেখা গৈছে । খাৱনত আৰি মৰা বৰ নিৰ্ব্বোধৰ কাম ।

মানুহৰ শৰীৰ আৰু শক্তি অনুসৰি আহাৰৰ পৰিমাণ অলপ বা সৰহ হয় । যাৰ শৰীৰ মঠঙ্গা আৰু শকত তাৰ আহাৰ স্বভাৱতে সৰহ আৰু যাৰ শৰীৰ লাহি তাৰ আহাৰ অলপ । মানুহে পতি আহাৰৰ এটা স্বাভাৱিক সুকীয়া জোখ আছে, ভোজনত সেই জোখ অতিক্ৰম কৰিলে অপৰিমিত ভোজন কৰা হয় । কিছুমান মানুহে পাতত ভাত ৰলে, তাক পেলাই দিয়াটো অযুগুত যেন বোধ কৰে, কয় যে পাতত এৰি ভাত পেলনি নিওৱাতকৈ খাই থ'লেই গাত লাগে । ই এটা অভ্ভুদ উপদেশ । পাতত ৰোৱা ভাত পেটত থ'লে, সেই ভাতৰ ব্যৱহাৰ কৰা নহয়, পেলাই দিলেহে তাৰ সজ ব্যৱহাৰ হয় । ভোক পলোৱাৰ পাচত যি ভাত খোৱা যায় সি শৰীৰত ভাতৰ কাৰ্য্য নকৰি বিহৰ কাৰ্য্য কৰে । আভোকৰ এমুঠিও পেটত শিল যেন হয় । ৰোৱা ভাত পেলাব নুখুজিলে তাক থৈ দি পাচত ভোক লাগিলে খোৱা ভাল ।

আহাৰ ইচ্ছা অনুসৰি বঢ়াব পাৰি । নিতৌ এগৰাহ বঢ়াই নিলে, পাচত গৈ একাঁহী বাঢ়ে । এইদৰে কোনো কোনো নিছলা মানুহকো ভোজনিয়াৰ হোৱা দেখা যায় । ভাতৰ নাড়ী ৰবৰৰ মোনাৰ নিচিনা, সি টান খালে বলে । যি মানুহে দিনৌ দুই এগৰাহ ভাত বঢ়াই যায় তাৰ নাড়ীত সেইদৰে বলি যায় আৰু

পাচত গৈ বহুত ভাত ধৰা হয় । কিন্তু তেনেকুৱা ভোজনে পেট মাথোন বঢ়ায়, শৰীৰ শকত নকৰে । এইদৰে আহাৰ বঢ়োৱা মানুহৰ গা কিৰ্‌কিৰীয়া, কিন্তু পেট ভাতৰ ডুলি ।

আহাৰ যেনেকৈ বঢ়াব পাৰি, তেনেকৈ টুটাবও পাৰি । নিতৌ দুই এগৰাহকৈ টুটাই নিলে পাচত গৈ অলপ খালেই পেট ভৰে আৰু হেঁপাহ পলায় । আগৰ কালত যোগীবিলাকে এইদৰে আহাৰ কমাইছিল সংসাৰ-যাত্ৰীৰ পক্ষে চেষ্টা কৰি আহাৰ কমোৱা যুগুত নহয় । সংসাৰত উদ্‌গতি কৰিবলৈ শৰীৰত বল শক্তি লাগে । আহাৰ কমাই শৰীৰ নিৰ্ব্বলী কৰিলে সংসাৰ-যুঁজত জয় লাভ কৰা টান হয় । এতেকে সংসাৰী মানুহে উচিত পৰিমাণে আহাৰ কৰি গাত বল বন্ধা যুগুত । আহাৰ কমানে পৰিশ্ৰমী মানুহে অল্পায়ুস হয় ।

খোৱা বস্তুবিলাক পৰিস্কাৰ আৰু নতুন হ'ব লাগে । গেলি পচি বিকৃত হোৱা বস্তু খালে শৰীৰত ৰোগ হয় । এই নিমিত্তে বাহী আঞ্জা, বাহী ভাত খোৱা উচিত নহয় । খোৱা বস্তুৰ ভিতৰত কিছুমান গধুৰ অৰ্থাৎ গুৰু-পাকী আৰু কিছুমান পাতল অৰ্থাৎ লঘু-পাকী বস্তু আছে । গধুৰ বস্তু সোনকালে জীৰ্ণ নাযায়, সেইদেখি তেনে বস্তু সৰহকৈ বা সদায় খোৱা অনুচিত । কিছুমান মানুহে বিবেচনা কৰে যে খোৱা বস্তুৰ ভেদাভেদৰ পৰা মানুহ বলী বা নিৰ্ব্বলী হয়, কিন্তু এই কথাৰ ভাল প্ৰমাণ পোৱা নাযায় । মাংস এবিধ বৰ বলকাৰক বস্তু; তেওঁ মাংসভোজী মানুহ সকলোবোৰ বলৱন্ত নহয় । অনেক শাকেৰে পেট পোহা মানুহো মঙ্গহ ব্যৱহাৰ কৰা মানুহতকৈ বলৱন্ত আৰু শক্তিমন্ত হোৱা দেখা যায় । ইয়াৰ পৰা ঠাৱৰাব পাৰি যে সুস্থ শৰীৰত সকলো প্ৰকাৰ খাদ্য বস্তুৱে উপকাৰ দিয়ে । খাদ্য বস্তুৰ সোৱাদ বা জুতি বঢ়াবলৈ যিবোৰ বস্তু ব্যৱহাৰ কৰা হয় সেইবোৰ বস্তু সৰহকৈ খোৱা উচিত নহয় । চেনি, গুৰ, বাৰবাখৰ আদি বস্তুবোৰ কেৱল জুতিৰ বস্তু, এতেকে সেইবোৰ সৰহকৈ খোৱা অনুচিত ।

নিৰ্ম্মল পানী স্বাস্থ্যৰ পক্ষে এবিধ বৰ লাগতিয়াল বস্তু । পানীৰ দুৰ্গুণৰ পৰা মনুষ্য শৰীৰত যে বহুত বিধ ৰোগ জন্মে ইয়াক কোনেও নহয় বুলিব নোৱাৰে । যিবিলাক ঠাইত আগে জহৰী আদি মাউৰৰ বৰ প্ৰভাৱ আছিল, কলৰ ছেকা পানী ওলাবৰ পৰা সেইবিলাক ঠাইত মাউৰ কমি গৈছে । গা ধোৱা আৰু

পি-খোৱা পানী সততে নির্ম্মল হোৱা উচিত । ৰান্ধনৰ পানীও নির্ম্মল হ'লে ভাল, কিন্তু যত নির্ম্মল পানী পাবলৈ টান, তাত দূষিত পানীৰেও ৰান্ধন চলাব পাৰি, কাৰণ ৰান্ধনৰ পানী উতলোৱা যায়, সেইদেখি তাত যি দোষ থাকে সি অগ্নিৰ সংযোগত নষ্ট হয় । কিন্তু গা ধোৱাত বা পি-খোৱাত বেয়া পানী কেতিয়াও ব্যৱহাৰ কৰা উচিত নহয় । যি ঠাইত নির্ম্মল পানী একেবাৰে দুর্লভ, তাত পানী উতলাই চেঁচা কৰি ব্যৱহাৰ কৰা যুগুত । আজি কালি বিজ্ঞানৰ গুণত পানী শুদ্ধ কৰিবৰ বহুবিধ যন্ত্র ওলাইছে, তেনে কোন যন্ত্রেৰেও দূষিত পানী শুদ্ধ কৰি ল'ব পৰা যায় ।

শয়ন

টোপনী ভাগৰুৱা শৰীৰ পৰম ঔষধ । দিনৰ ভাগত নানা কামত আৰু নানা জঞ্জালত মানুহৰ শৰীৰ আৰু মন ভাগৰি অথিৰ হয়, ৰাতিৰ ভাগত টোপনি মাৰি সিহঁতে সেই ভাগৰ সকলো পাহৰে । ৰাতি ভালকৈ টোপনি পালে, পুৱা উঠি নতুন সংসাৰত ওলোৱা যেন লাগে, শৰীৰত নতুন বল হয়, মনত নতুন উৎসাহ হয়, আৰু আগদিনাৰ এলাহ আমনি সমূলে নাইকিয়া হয় এইবিলাক পৰিমিত টোপনিৰ ফল, অপৰিমিত টোপনিৰ ফল ইয়াৰ বিপৰীত । অপৰিমিত ৰূপে টোপনি মাৰিলে গা গধুৰ হয়, মন বিমৰিষ হয়, হাত ভৰি ছিগি ভাগি যাব খোজে, আৰু উৎসাহ উদ্যোগ একো নাথাকে । পণ্ডিতবিলাকৰ মতে ৰাতি সাত ঘন্টা শুলেই পৰিমিত টোপনী মৰা হয়, শৰীৰ মন সুস্থ হ'বলৈ তাতকৈ দীঘল টোপনি নালাগে ।

মানুহৰ বয়সৰ লগত টোপনিৰ বিশেষ সম্বন্ধ । শিশুকালত টোপনিৰ অধিকাৰ বেচি । কেচুৱা ল'ৰা-ছোৱালীবোৰ দিনে নিশায় শোৱে, এখন্তেকমান পৰি মাথোন সাৰে থাকে, কিন্তু সিহঁতৰ বয়স যিমানেই বাঢ়ি যায় সেই অনুপাতত

টোপনিও সিমানে টুটি আছে । বুঢ়া মানুহবিলাকৰ টোপনি নিচেই কম হয়, চাৰি বা পাঁচ ঘন্টাৰ বেচি সিহঁতৰ টোপনি নাহে । অভ্যাস কৰি যেনেকৈ আহাৰ বঢ়াব টুটাব পাৰি, টোপনিও তেনেকৈ বঢ়াব টুটাব পাৰি । অভ্যাস কৰি কোনো মানুহে ডেকা বয়সতো দিন ৰাতিৰ ভিতৰত ষোল সোতৰ ঘণ্টা শোৱে, আকৌ চাৰি পাঁচ ঘণ্টা শুইও কোনোৱে গা ভালে ৰাখিব পাৰে ।

শুৱৰ স্বাভাবিক সময় ৰাতি । দিনত কাম কৰি মানুহৰ ভাগৰ লাগে, ৰাতি শুলে সেই ভাগৰ পলায়, আৰু আকৌ কাম কৰিবলৈ গাত বল হয় । কোনো কোনো মানুহে এই স্বাভাৱিক নিয়ম লঙঘন কৰি দিনৰ ভাগতো টোপনি মাৰে । ই বৰ অযুগুত কথা । দিনৰ শয়ন, আৰু আভোকৰ ভোজন একে ৰকম । অভোকত খালে যেনে অসুখ হয়, দিনত শুলেও তেনে অসুখ হয়, তদুপৰি সময়খিনি বিফলে যায় ।

ৰাতি জাগৰণ স্বাস্থ্যৰ পক্ষে বৰ অপকাৰী, এৰাতি উজাগৰে থাকিলে দুদিনলৈ গা গেৰেউ-গেথেউ লাগে । প্ৰয়োজন অনুসৰি মাজে সময়ে কেতিয়াবা উজাগৰ নিদিলে নচলে কিন্তু সেই বুলি অবাবত টোপনি খতি কৰি স্বাস্থ্যৰ অপকাৰ কৰা উচিত নহয় । কিছুমান মানুহে কয় যে অভ্যাস কৰিলে অনিদ্ৰাও সহন হ'ব, কিন্তু এই কথা বিশ্বাস কৰিব নোৱাৰি । অভ্যাসত টোপনি কমে, কিন্তু তাৰ প্ৰয়োজন একেবাৰে খণ্ডন নহয় । আহাৰ নিদ্ৰা শৰীৰৰ ধৰ্ম্ম, তাক এৰি শৰীৰ কেতিয়াও তিষ্ঠিব নোৱাৰে । সংসাৰী মানুহে যথোচিত ভোজন আৰু যথোচিত শয়ন কৰি শৰীৰ ৰক্ষা কৰা উচিত ।

শৰীৰ আৰু বস্ত্ৰৰ শুদ্ধতা

স্বাস্থ্য ভালে ৰাখিব খুজিলে শৰীৰ সদায় নিকাকৈ ৰাখিব লাগে । নিকা হ'লে শৰীৰ শুদ্ধ হয়, আৰু শৰীৰৰ শুদ্ধতাই স্বাস্থ্যৰ ৰক্ষাকৱচ । শয়ন ভোজনৰ নিয়ম তিল তিলকৈ পালিলেও, মলিয়ন শৰীৰেৰে থাকিলে স্বাস্থ্য কেতিয়াও ভালে নাথাকে । এই নিমিত্তে আগৰ পণ্ডিতসকলে পুৰণি শাস্ত্ৰত

শুদ্ধাচাৰৰ অশেষ মহিমা বৰ্ণন কৰি গৈছে । শাস্ত্ৰ মতে অশুচি গাৰে শয়ন ভোজন আদি কোনো কৰ্ম্মকেই কৰিব নাপায়, অশুচি গাৰে দেৱকাৰ্য্য, পিতৃকাৰ্য্য সকলো নিষেধ । এইবোৰ বিধি ব্যৱস্থা কেৱল স্বাস্থ্য ভাল ৰাখিবলৈহে কৰা হৈছে ।

মলিয়ন হ'লে শৰীৰ অশুচি হয় । সেই অশুচি শৰীৰ শুচি কৰিবলৈ শাস্ত্ৰকাৰসকলে স্নানৰ বিধান কৰিছে, কাৰণ স্নান কৰিলে মলি গুচি শৰীৰৰ শুচি হয় । কিন্তু আগৰকালত শুচি হোৱাৰ যি অৰ্থ আছিল, এতিয়া সেই অৰ্থ নাই । আজি কালি টাটৰি বন্ধ খাই গা ফপৰীয়া হ'লেও বা দাঁতত ওখল পৰি গোন্ধ ওলালেও মানুহ অশুচি নহয়, অৰ্থাৎ এতিয়াৰ মতে মলিয়ে মানুহক অশুচি কৰিব নোৱাৰে । এতিয়া বাহী ঢাৰী পাটী ছুলে বা আলিবাটত ওলাই ফুৰিলে, বা অজাতিৰ ছাঁ গচকিলে মানুহ অশুচি হয় আৰু তেতিয়া গা ধুই শুচি হ'ব লাগে । শুচি হোৱাৰ অৰ্থ এইদৰে পৰিবৰ্ত্তন হোৱাত, স্নানৰ অৰ্থও আজি কালি পৰিবৰ্ত্তন হৈছে । আজিকালি গা তিয়ালেই স্নান কৰা হয়, তাক ঘঁহি পিহি নিকা কৰা কামটো স্নানৰ লগৰীয়া নহয় । সেইদেখি তিনি প্ৰসঙ্গে স্নান কৰা কোনো কোনো মহা শুদ্ধাচাৰী মানুহৰ গাতো খমলা খমল মলি দেখিবলৈ পোৱা যায় । যথাৰ্থ পক্ষত মল ধুই নিকা নকৰিলে শৰীৰ শুচি হোৱা বুলি ধৰিব নোৱাৰি । শাস্ত্ৰকাৰবিলাকেও মলিয়ন শৰীৰক শুচি বুলি ধৰা নাছিল । অশুচি হ'লে সিবিলাকে স্নানৰ বিধান কৰিছে । ইয়াৰ পৰা ভালকৈ বুজিব পাৰি যে অশুচি শৰীৰ ধুই মলি গুচাই শুচি হ'ব লাগে । মলি গুচাবৰ নিমিত্তেহে স্নানৰ ব্যৱস্থা । এই ব্যৱস্থা অমাত পশু পক্ষীৰ ভিতৰতো দেখা যায় । হাতী, মহ, শালিকী, কাউৰী, এইবোৰেও গা ধোৱে । ইঁহতে কেৱল গা তিয়াই শুচি হ'বলৈ পানীত জোবোৰা নামাৰে, মলি গুচাই নিকা হ'বলৈহে বুৰিয়াই বুৰিয়াই গা ধোৱে । শালিকী কাউৰীয়ে ঠোঁটেৰে পাখি পৰিস্কাৰ কৰা সদায় দেখা যায় । এতেকে গা ধুবৰ সময়ত সকলোবোৰ অঙ্গ ঘঁহি নিকা কৰিব লাগে । গাৰ সন্ধিবোৰ মলিন ভঁৰাল, সেইবোৰ সততে ঘঁহিব লাগে, তেহে তাত মলি বন্ধ খাব নোৱাৰে । কাণৰ কণামাকৰি, নাকৰ খাকৰু কেতিয়াও থাকিবলৈ দিব

নালাগে । দাঁত, চুলি, নখ আদি ঠাইবোৰত নিতৌ মলি বন্ধ খায়, গতিকে নিতৌ সিহঁতক পৰিস্কাৰ কৰা উচিত ।

স্বাস্থ্যৰ পক্ষে শৰীৰৰ শুদ্ধতা যেনে লাগতিয়াল, বস্ত্ৰৰ শুদ্ধতাও তেনে লাগতিয়াল । সদায় মলিয়ন কাপোৰ ব্যৱহাৰ কৰিলে স্বাস্থ্য বেয়া হয় । বহুতে নিকা কাপোৰক কেৱল ধুনৰ বস্তু বুলি বিবেচনা কৰে, সেই দেখি তলত মলিয়ন কাপোৰ পিন্ধি ধুন বঢ়াবলৈ ওপৰত নিকা কাপোৰ লয় । বস্ত্ৰ ব্যৱহাৰৰ ই এটা বিপৰীত ব্যৱস্থা । নিকা আৰু মলিয়ন দুয়ো ৰকম কাপোৰ পিন্ধিবৰ প্ৰয়োজন হ'লে, তলত নিকা ওপৰত মলিয়ন পিন্ধাহে যুগুত, কাৰণ তেনেহলে কাপোৰৰ মলিয়ে গা ঢুকি নাপায় । এসাজ কাপোৰকে কেইও পৰত ব্যৱহাৰ নকৰিলে ভাল । নিশা যি কাপোৰেৰে শোৱা যায়, দিনত তাক তিয়াই দিয়া উচিত । শোৱা পাটীৰ তলচা, তলতপৰা, গাৰুৰ গিলিপ, নিহালীৰ গিলিপ সকলোকে পৰিস্কাৰকৈ ৰাখিব লাগে, আৰু মাজে সময়ে ৰদাব লাগে ।

ব্যায়াম

বল আৰু স্বাস্থ্য একে বস্তু নহ'লেও, সিহঁতে যে দুয়োকে দুয়ো সহায় কৰে তাৰ অকনো সন্দেহ নাই । স্বাস্থ্য নহ'লে বল সঞ্চয় কৰা টান আৰু বল নহ'লে স্বাস্থ্য ৰক্ষা কৰা টান । বলৱন্ত মানুহৰ স্বাস্থ্যও বলৱন্ত হয়, অৰ্থাৎ অনুৰূপীয়া অনিয়ম অকথাই বলৱন্ত মানুহৰ স্বাস্থ্যক দোঁৱাব নোৱাৰে । কিন্তু নিৰ্ব্বলী মানুহৰ স্বাস্থ্য আলসুৱা নিয়মৰ অলপ ইফাল সিফাল হ'লেই সি দোঁ খায় । এতেকে স্বাস্থ্য অটুট ৰাখিবলৈ বল লাগে ।

বল বঢ়ালে বাঢ়ে, ব্যায়াম অভ্যাস কৰি তাক বঢ়াব পাৰি । ব্যায়ামৰ গুণত বহুত মানুহক অদ্ভুত বল লাভ কৰা দেখা যায় । ব্যায়ামৰ পৰা নিছলা শৰীৰ শকত, লাহী কলিজা ডাঙ্গৰ হয়, আৰু তেজৰ বেগ খৰ হৈ উঠে ।

ব্যায়াম এটা স্বভাৱৰ ব্যৱস্থা ; পশু-পক্ষীৰ ভিতৰতো ইয়াৰ প্ৰচলন আছে । সিহঁতে কেতিয়াবা অবাবতে জপিয়াই ডেও পাৰি ফুৰে । এইদৰে জপিয়াই ফুৰাটো এক ৰকম ব্যায়াম, তাকে কৰি সিহঁতে ব্যায়ামৰ ফল পায় । ঘৰচীয়া পশুতকৈ বনৰীয়া পশুৰ ভিতৰত ব্যায়াম প্ৰচলন বেচি, সেইদেখি বনৰীয়াবোৰ ঘৰচীয়াতকৈ বেচি শকত আৰু বলৱান । সিহঁতৰ ভিতৰত ৰোগ ব্যাধিও কম দেখা যায় ।

ব্যায়ামৰ আচৰিত গুণ, ইয়াৰ পৰা মানুহে অদ্ভুদ ক্ষমতা লাভ কৰে । ব্যায়ামৰ প্ৰখ্যাত ওজা চেণ্ডো চাহাব পূৰ্ব্বে নিচেই নিশকতীয়া মানুহ আছিল, পাচে ব্যায়াম অভ্যাস কৰি এতিয়া এজন বিৰিঙ্গ পুৰুষ হৈছে । তেওঁ পৃথিৱীৰ বহুত ঠাইত মনুষ্যদুৰ্লভ প্ৰতাপ দেখুৱাই অক্ষয় খ্যাতি লাভ কৰিছে । তেওঁৰ বলৰ কথা শুনিলে বিস্ময় মানিব লাগে । বলী প্ৰধান সিংহকো তেওঁ মল্ল যুদ্ধত পৰাজয় কৰি নৰসিংহ নাম পাইছে । এই খ্যাতিমন্ত চেণ্ডোৱে ব্যায়াম সম্বন্ধে যিবিলাক উপদেশ দিছে তাৰে প্ৰধান দুই চাৰিটাৰ বিষয়ে ইয়াত আলোচনা কৰা হ'ল ।

বহুত মানুহৰ বিশ্বাস আছে যে ব্যায়াম কেৱল ডেকা মানুহৰহে যোগ্য, কিন্তু চেণ্ডোৱে তেনে কথা নকয় । তেওঁৰ মতে ল'ৰা, বুঢ়া, ডেকাসকলোৱে ব্যায়াম কৰিব পাৰে, আৰু কৰিলে সকলোৱে সমানে ফল পায়, কিন্তু শিকাৰুৰ বয়স অনুসৰি ব্যায়ামৰ প্ৰণালী বেলেগ বেলেগ হয় । সেইবিলাক প্ৰণালী ব্যায়াম শিকিব খোঁজা মানুহে তেওঁৰ লিখা কিতাপ পঢ়ি শিকিব পাৰে ।

চেণ্ডোৰ বিবেচনাত শৰীৰৰ অঙ্গবোৰ চলালেই, অৰ্থাৎ হাত, ভৰি, কঁকাল, আঙ্গুলি আদি সঞ্চালন কৰিলেই ব্যায়াম কৰা নহয়, ব্যায়ামত মনৰো বিশেষ কাৰ্য্য আছে । ব্যায়াম কৰিবৰ সময়ত শৰীৰটোৰ বিষয়ে তদ্গত মনে চিন্তা কৰিব লাগে । চিন্তাশূণ্য ব্যায়ামে উপকাৰ নকৰে । ব্যায়াম শিকাৰুবিলাকে আৰু এটা কথা মনত ৰাখিব লাগে যে মানুহৰ অঙ্গবোৰৰ ভিতৰত দুটা এটা অঙ্গহে দুৰ্ব্বল থাকে, কোনো মানুহৰ বাহু দুৰ্বল, কোনো মানুহৰ কৰঙ্গন দুৰ্বল, কোনো মানুহৰ কলিজা দুৰ্বল, কোনো মানুহৰ হাঁওফাঁও দুৰ্বল, কোনো মানুহৰ কঁকাল দুৰ্বল । ব্যায়ামৰ সময়ত যাৰ যি অঙ্গ দুৰ্বল তাৰ ওপৰত মন থাপি আৰু ভিৰ

পেলাই ব্যায়মা কৰা উচিত । কেইবাটাও অঙ্গ দুৰ্বল থাকিলে একেবাৰে এটাইবোৰ শকত কৰিবলৈ চেষ্টা নকৰি এটা এটাকৈ ধৰা উচিত । ব্যায়ামৰ ফল একে দিনে বা একে মাহে লাভ কৰিব নোৱাৰি, লাহে লাহেহে তাৰ ফল দেখা দিয়ে । এতেকে দুই চাৰি মাহত উন্নতি নেদেখিলে ব্যায়াম এৰি দিয়া উচিত নহয় ।

অপৰিমিত ৰূপে ব্যায়াম কৰা অযুগুত । অপৰিমিত ব্যায়ামে অপমিত ভোজনৰ নিচিনা শৰীৰত কুফল ফলায় । এদিন সৰহকৈ ভোজন কৰিলে শৰীৰ কদাপি পুষ্ট নহয়, সেইদৰে এদিন সৰহকৈ ব্যায়াম কৰিলেও শৰীৰ কদাপি শকত নহয়, বৰং ৰোগ ব্যাধি হ'বৰ আশঙ্কা থাকে । ব্যায়াম কৰা মানুহে চিৰকাল ব্যায়াম কৰিব লাগে, কিছুমান দিন কৰি পাচত এৰি দিলে শৰীৰৰ অপকাৰ হয় । চেণ্ডোৱে কয় যে ব্যায়াম অভ্যাস কৰি এৰি পাচত দিয়াতকৈ মুঠেই নকৰা ভাল । ব্যায়ামৰ সময় অসময় নাই, পুৱা, গধুলি, দিন, নিশা সকলো সময়তে তাক অভ্যাস কৰিব পাৰি, কেৱল শুদা বা ভৰা পেটত কৰা অযুগুত । নৰিয়া বা ভাগৰুৱা শৰীৰতো ব্যায়ামে অপকাৰ কৰে ।

বহুত মানুহে নিয়ম মতে ব্যায়াম কৰিবলৈ ভাল নেপায় সেই দেখি অতীজৰ পৰা ব্যায়ামৰ নিচিনা কিছুমান লেখা প্ৰচলিত আছে । এই খেলাবোৰৰ পৰা কিছু পৰিমানে ব্যায়ামৰ ফল পোৱা যায় । টাংগুটি, ফটিক্লাই, ফুট্বল আদি এই শ্ৰেণীৰ খেলা । বয়সীয়াল অসমীয়াই এইবোৰ খেলা কেৱল ল'ৰাৰ উপযুক্ত বুলি ভাৱে । তেওঁলোকে দবা, পাষটি আদি বহি খেলা খেলহে খেলে, কিন্তু বহি খেলা খেলৰ পৰা শৰীৰৰ কোনো উপকাৰ নহয় । ই কেৱল এলাহ বঢ়ায় । কোনো কোনো মানুহে কয় যে তাচ্, দবা, পাষটি আদিৰ খেলাত বুদ্ধি লাগে, এতেকে সেইবোৰ খেলা খেলিলে মানুহৰ বুদ্ধি বাঢ়ে । ই এটা অদ্ভুদ তৰ্ক । দবা বা পাষা খেলি কোনো আজিলৈকে বুদ্ধিমন্ত হোৱা শুনা নাযায় । প্ৰকৃত পক্ষত এনেবোৰ খেলা এলেহুৱাৰ বা কাম নোহোৱাৰ সময় কটাবৰ উপায় মাথোন । উদ্গিত কৰিব খোজা মানুহে এনেকুৱা খেলাত কেতিয়াও হাত দিয়া উচিত নহয় ? খেলা খেলিবৰ মন গ'লে তাচ্ পাষটি পৰিহাৰ কৰি বেচ্বল, ফুটবল আদি বলদায়ক খেল খেলা উচিত । লৰ মৰা আৰু জাপ মৰা

অনেকে পাতলালিৰ চিন বুলি বিবেচনা কৰে । ইও এটা কুসংস্কাৰ মাথোন, এে বিশ্বাস মনৰ পৰা সোনকালে আঁতৰোৱা উচিত ।

ঘোঁৰাত উঠা এক ৰকম ব্যায়াম । ঘোঁৰা দৌৰালে সমস্ত শৰীৰ সঞ্চালি হয়, আৰু তেজ তপত হৈ বেগাই চলিবলৈ ধৰে । যি মানুহে ব্যায়াম নকে সি ঘোঁৰা দৌৰাইও তাৰ ফল পাব পাৰে । ৰীতি মতে সদায় ফুৰিলেও একৰক ব্যায়াম কৰা হয় কাৰণ তাৰ পৰা শৰীৰ সবল হয় আৰু খোৱা বস্তু জী যায় । সাঁতোৰা এবিধ ব্যায়াম, সাঁতুৰিলে হাত, ভৰি আৰু কঁকাল পৰিচালি হয় ।

অন্ত